# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/52 | Language of work: Assamese |
| Author (s) / Editor (s): DiMbeswar Neog | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Āsaāma ~~Saha~~ Saāhaitaya Sabhaā Pataraikaā | |
| Translated Title: Magazine of Assam Sahitya Sabha | |
| Place of Publication: Jorht. | Publisher: ~~Assamese~~ Asam Sahitya Sabha Jorhat |
| Year: 1936-37 (1858-59) | Edition: |
| Size: 22 cms · 164 pages | Genre: Magazine |
| Volumes: 7th - 4 issues | Condition of the original: Not good |
| Remarks: 1st published in the year 1917 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# অসম সাহিত্য-সভা পত্ৰিকা

কাতি—পুহ, ১৮৫৮—৫৯ শক

| সপ্তম বছৰ | মুঠ সংখ্যা—৩৭ | প্ৰথম সংখ্যা |
|---|---|---|


## —বন্দ্য ভূমি—

(গীত)

চিৰ লক্ষ্য হে প্ৰিয় জননী—
মঙ্গলময় দেৱতা মোৰ।
হৃদি আসনে বিৰাজা নিতে—
নয়নে দিয়াঁ জ্যোতি মধুৰ।

দুখে সুখে অশান্তি অসুখে
থাকিবা সকলে সদা কই।
বন্দ ভূমি—জনমে মৰণে—
সেৱিবা জাতি আমাৰ কই।

শোকে যদি কান্দে মাতৃৰাজ—
অভয় দানে সান্ত্বনা দিবা,
হৃদি মাজে আনন্দে বিষাদে—
কি চিৰ শোভা! জিলিকি 'ৰবা।

সত্য শুভ উদাৰ সমূহে—
তোমাৰ পাৱে প্ৰণতি মোৰ।
দিয়া জ্ঞানে সকলো অমৃত—
হে মধুমূৰ্ত্তি অমৃতে পুৰ।

শ্ৰীদেৱেন্দ্ৰনাথ চক্ৰৱৰ্ত্তী

# পুৰণি গীত সাহিত্য।

## (আগেয়ে প্ৰকাশ হোৱাৰ পাচৰ পৰা)

অসমীয়া সাহিত্যত বৰগীত অমূল্য বস্তু। বৰ গীতৰ প্ৰকৃত সুৰ আৰু তাল মান শুনি মুগ্ধ নোহোৱা মানুহ নোলাব। যোৱা ২৫।১০।৩৭ তাৰিখে বৰপেটাত বহা অসম শিক্ষক সন্মিলনীৰ দ্বিতীয় দিনা সুগায়ক শ্ৰীযুত যোগেশচন্দ্ৰ ভঁৰালী দেৱে 'দোতাৰা" বাদ্যেৰে ২টা বৰগীত গাই শুনাই সন্মিলনীৰ প্ৰতিনিধি, দৰ্শক আদি সকলোকে বিমুগ্ধ কৰিছিল। অলপ বুজ হবৰে পৰা লৰা-ছোৱালী বিলাকক দুই এটা বৰগীত গাবলৈ আৰু "কীৰ্ত্তন ঘোষা" "নাম ঘোষা" পঢ়িবলৈ শিকাব লাগে। স্কুলতো এইবিলাক শিকোৱা ভাল।

তলৰ গীত কেইটা লেচাকণীয়া গোঁসাই আতাৰ বংশৰ শ্ৰীযুত উত্তমচন্দ্ৰ মহন্ত দেৱৰ অনুগ্ৰহত পোৱা। তেখেতৰ ঘৰ হৈছে বাইহাটাৰ সুন্দৰীশাল সত্ৰত। শ্ৰীযুত মহন্ত দেৱে ভাল বৰগীত আৰু নাম গাব জানে।

৮। ৰাম-লীলাৰ গীত :—

ঘোষা॥ কয়ো সুন্দৰ লখাই মোৰে প্ৰাণেৰ ভয়াই।
অনাথিনী সীতাক এৰিলা কোন ঠাই॥

পদ॥ ৰাজাৰ জীয়াৰী সীতা ৰাজাৰ বোৱাৰী।
অৰণ্যত কিমতে ৰক্ষিব হেন নাৰী॥
মোৰ সম দুষ্ট-মতি সংসাৰত নাই।
অগ্নি-শুদ্ধ ভৈলা সীতা বনে দিলোঁ ঠাই॥
নাহি বন্ধু বান্ধৱ মোহোৰ পৰিজন।
ঘোৰ অৰণ্যৰ মাজে কৰিব ৰক্ষণ॥
দণ্ডকাৰ হস্তে বাপু হৰিলা ৰাৱণে।
ৰাৱণৰ সবংশে বধিলোঁ ঘোৰ ৰণে॥
সীতাৰ নিমিত্তে বাপু ভৈয়ায় হাজাৰ।
খৰ আদি অনেক বধিলোঁ নিশাচৰ॥
কহে লক্ষী সৰস্বতী ৰামৰ ক্ৰন্দন।
সীতাৰ নিমিত্তে প্ৰভু কান্দে সকৰুণ॥

লখাই = লক্ষ্মণ, ভয়াই = ভাই ; মোহোৰ = মোৰ

উপৰৰ গীতৰ ৰচক 'লক্ষী সৰস্বতী" কোন জনা নাযায়। গীত ৰচকৰ ই কোনো বিশেষ উপাধিও হব পাৰে।

৯। শিশু শ্ৰীকৃষ্ণৰ পূতনা বধ গীত :—

ঘোষা॥ যশোৱা মাৰ, (মাৰ হেৰ) তোমাৰ তনয় নাৰায়ণ॥
হৰি হৰি পূতনাৰ শুহিলা পৰাণ।

পদ॥ ধৰিয়া মোহিনী বেশ শিশু মাৰি দেশে দেশ
ফুৰে সিটো পূতনা ৰাক্ষসী।
শিশু মাৰিবাৰ আশে পশিলা ব্ৰজৰ মাজে।
প্ৰণমে নন্দৰ ঘৰ পশি॥
কৃষ্ণক দেখিলা পাচে শয্যাত শুতিয়া আছে
কোলে তুমি লৈলা পিশাচিনী।
মাৰিবাৰ কৰি মন দিলা মুখে বিষ স্তন
পূৰ্ণ ব্ৰহ্ম কৃষ্ণক মঙ্গাৰি॥
দুষ্টৰ অন্তক হৰি পূতনাৰ স্তনে ধৰি
মুখ ছেপি হোল্পা দিলা টান।
নিদাৰুণ পীড়া পাই অৰ্তনাদ কৰি তাই
তথাতে ছাৰিলা নিজ প্ৰাণ॥
ভয়ঙ্কৰ ৰূপ ধৰি মৰি গৈলা নিশাচৰী
দেখি সৰ্ব্বজন ভৈলা ত্ৰাস।
তাইক মাৰি যদুপতি দিলা জননীৰ গতি
কহে শক্ৰমল্ল হৰি দাস॥

এই গীতৰ ৰচক কবি শক্ৰমল্লৰ ঘৰ মলবাৰীৰ চান কুচিত আছিল বোলে। এওঁ চান কুচিৰ বৰুৱা বংশৰ ভক্তিপৰায়ণ কবি আছিল।



[কোচ বিহাৰ মদনমোহন প্ৰভৃতি বছৰে আঘোণৰ পূৰ্ণিমাৰ সময়ত অতি সমাৰোহেৰে ৰাসোৎসৱ সম্পন্ন হয়। তাতে অসংখ্য যাত্ৰী যায়। সেই উৎসৱত মিবিলাক মূৰ্ত্তি দেখুওৱা হয়, তাৰ ভিতৰত শিশু শ্ৰীকৃষ্ণই স্থূল কলেবৰৰ পূতনা ৰাক্ষসীক বধ কৰা মূৰ্ত্তিটো বিশেষ চান লগীয়া। আমি দেখিছোঁ।]

১০। দেহ বিচাৰৰ গীত :—

ঘোষা॥ মই কেমে আইলোঁ কি এই ভাৰত হাটে প্ৰভু
মিছাকে লাগিয়া।
বিকাইলো অমূল্য ধন কাচকে লাগিয়া॥

পদ॥ মিছা ঘৰ মিছা বাৰী মিছা লেনা দেনা।
মিছা কাজে হৈবো বন্দী হৰাইবো চেতনা॥
ধনকে কৰিছা আশা ঐতে বৈৰ পৰি।
ভাৰ্য্যা পুত্ৰ নকৰা আশা সঙ্গে নাযায় মৰি॥
দেহাকে কৰিছা আশা খাইবে মাটি উই।
সগৰ সাৰথি হৈব পাপ পুণ্য দুই।
ধনে ভৈলা এক কুৰা ভাৰ্য্যাই ভৈলা দুই।
পুত্ৰই সহিতে ভৈলা তিনি কুৰা জুই॥
শুকাই গৈলা নদী নলা পৰি ৰৈলা বালি।
উৰি যাব ৰাজহংস দেহা হৈব খালি॥
কহয় মাধৱ দাসে এই বাৰে বাৰ।
আৰু কি ভাবসা কৰা মনুষ্য হৈবাৰ॥

বিকাইলোঁ = বেচিলোঁ ;
উই = উয়ে ; ৰাজহংস = এই গীতত জীৱ বুজাইছে।

১১। অৱতাৰ বিষয়ক গীত :—

ঘোষা॥ এ প্ৰাণ গোপাল, কেমনে তোমাৰ বিনন্দৰূপ
দেখিবো নয়নে।
আপদ কালৰ বিপদভঞ্জন তুমি নাৰায়ণ॥

পদ॥ সত্য যুগে ওহে হৰি বামন স্বৰূপ ধৰি
কৃপা কৰি বলিৰ শিৰে দিলা শ্ৰীচৰণ।
ত্ৰেতা যুগে ৰাম ৰূপে (মোৰ প্ৰভু)
সাগৰ বান্ধে গাছ পাথৰে
ৰাৱণ বধি বিভীষণক দিলা ৰাজ্য তাৰ।
দ্বাপৰ যুগে নন্দ ঘৰে গৰু চাৰে বৃন্দাবনে
ঘৰে ঘৰে চুৰি কৰি খাইলা নৱনু।
কলি যুগে ওহে হৰি কল্কি স্বৰূপ ধৰি
কাটি মাৰি ম্লেচ্ছক কৰিবা দুন্দামাৰ।
এহি মতে দেৱ হৰি যুগে যুগে অৱতৰি
মহন্তৰ সাধিলা কল্যাণ।
কহয় মাধৱ দাসে ৰাধা কৃষ্ণ হাবিলাসে
জনমে জনমে হোক কৃষ্ণত ভকতি।

১২। আধ্যাত্মিক গীত :—

ঘোষা॥ আবিও ৰাম পাগলৰ দলকে যোৱা ভাই।
সেই পাগলৰ দলক লৈলে জাতিৰ বিচাৰ নাই॥

পদ॥ ব্ৰহ্মা পাগল বিষ্ণু পাগল, পাগল সদাশিৱ।
তিনি পগলাই লগ লাগি পাতে নগৰ দ্বীপ॥
অযোধ্যাত এটি পাগল ৰামচন্দ্ৰ গোসাই।
ভৰতক ৰাজ্য দিয়া বনবাসে যায়॥
ৰাম পাগল লক্ষ্মণ পাগল পাগল তাৰ পিতা।
ৰাৱণ পাগল লঙ্কাপুৰে হৰি নিলা সীতা॥
গোকুলতে এটি পাগল নন্দৰ কানাই।
গোপীৰ বস্ত্ৰ চুৰি কৰি কদম্বে চৰয়॥
উৰিষ্যাত এটি পাগল জগন্নাথ গোসাই।
চাণ্ডালৰ চুৱা অন্ন ব্ৰাহ্মণে ভুঞ্জয়॥
কহন্ত মাধৱ দাসে ৰাম নাম লোৱা।
ৰাম নাম লৈয়া নৰ বৈকুণ্ঠলৈ যোৱা॥

এইদৰে পুৰণি গীত-পদ, সাধু-কথা, ফকৰা-যোজনা, সাঁথৰ, মৌখিক সাহিত্য আদি সংগ্ৰহ কৰাত আমি কিছু ঠাই ঘূৰিব লগা হৈছে। সেই উদ্দেশ্যে ঘূৰিলে পুৰণি সাহিত্যৰ প্ৰতি জন-সাধাৰণৰ কিছু ৰাপ বাঢ়ে যেন লাগে। আমাৰ শ্ৰদ্ধেয় শিক্ষাগুৰু শ্ৰীযুত হৰিনাৰায়ণ দত্ত বৰুৱা মহোদয়ৰ সংগৃহীত "পুৰণি সাহিত্যৰ" দৰে কোনো বিজ্ঞলোকে 'পুৰণি গীত সাহিত্য" এখন প্ৰকাশ কৰিলে বৰ ভাল হব। ইতি—

গোলাঘাট
৩১।১০।৩৭

শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস।

# সাহিত্য বিষয়ক সৰল গোহাৰি।

( মঙ্গলদৈ সন্মিলনৰ প্ৰবন্ধ )

সৰিয়হ বা তিল যেনেকৈ তেলেৰে ব্যাপ্ত, বিৰাট ব্ৰহ্মাণ্ডৰ সজীৱ-নিৰ্জ্জীৱ, সচল-অচল, ভগৱানৰ সৃষ্ট সমস্ত প্ৰাণী, সমস্ত পদাৰ্থ তেনেকৈ জ্ঞান-ৰাশিৰে ব্যাপ্ত। বিশ্ব-ব্ৰহ্মাণ্ডৰ এটি এটি ভাগেই একো একোখন জ্ঞান-বিজ্ঞানময় সাহিত্যপুথি। অনাদি অনন্ত নভোমণ্ডলত ঘূৰি ঘূৰি উৰিফুৰা চন্দ্ৰ, সূৰ্য্য, নক্ষত্ৰাদি অনন্ত কোটি ব্ৰহ্মাণ্ডৰ একো একোটিয়েই একো একোখন জ্ঞান পৰিপূৰ্ণ বিশ্ব-পুথি। এই সুবিশাল ধৰণী মণ্ডলৰ অভ্যন্তৰ আৰু বহিৰ্ভাগত থকা ভগৱানৰ প্ৰতিষ্ঠাপিত কত শত শত সহস্ৰ সহস্ৰ, লক্ষ লক্ষ, কোটি কোটি, জ্ঞানময় বিচিত্ৰ বৰ্ণৰ চিত্ৰই ঘোৰ অন্ধকাৰময় মানৱ-হৃদয়ৰ কুসংস্কাৰ দূৰ কৰি, তাত উদ্দীপ্ত জ্ঞানৰ প্ৰদীপ স্থাপন কৰাৰ মানসে অহোৰাত্ৰেই মানৱ জাতিক হাতবাউলি দি, আহা আহা বুলি মাতিব লাগিছে।

পৰ্ব্বতে পৰ্ব্বতে পাহাৰে পাহাৰে, অতি ওখ গিৰি-শিখৰে শিখৰে, অন্ধকাৰময় যেন মহালয়, গিৰিৰ অন্তৰ গহ্বৰে গহ্বৰে, কত সাহিত্যিক জ্ঞান আছে ভৰি ভৰি। কত শত শত গিৰিয়ে গিৰিয়ে, চিৰপ্ৰবাহিত জুৰিয়ে জুৰিয়ে, নানা জন্তু চৰা, বন বৃক্ষে ভৰা, কত পৰ্ব্বতৰ গুলিয়ে গুলিয়ে, ঘোৰোঁৱা অৰণ্য, আৰু মাজে মাজে, প্ৰকৃতিনিৰ্ম্মিত নিকুঞ্জে নিকুঞ্জে সাহিত্যিক জ্ঞান পুঞ্জে পুঞ্জে, বিৰাজ কৰিছে। অসংখ্যাত নদ-নদী সৰোবৰ বিশাল সমুদ্ৰ আদি সকলোবিলাক অনন্ত জ্ঞানৰ আকৰ। এই সমুদায়ৰ সমষ্টিয়েই ভগৱানপ্ৰণীত বিৰাট সাহিত্য,— বিৰাট বিশ্ব পুথি। অতি ক্ষুদ্ৰ জীৱ কীটাণুকীটকে আদি কৰি, হয়-হস্তীলৈকে সমুদায় ইতৰ প্ৰাণী আৰু প্ৰাণী শ্ৰেষ্ঠ এই মানৱ জাতি, জল বায়ু, অগ্নি, এই সকলো বিলাকেই বিৰাট বিশ্বপুথিৰ একো একো অধ্যায়ৰ পৰিপূৰক। পৰম পিতা পৰমেশ্বৰে প্ৰাণী জগতৰ ভিতৰৰ এক মাত্ৰ মানৱ জাতিকেই এই বিৰাট বিশ্বপুথিৰ পাঠক কৰি সৃজন কৰিছে। বাস্তৱতে ভগৱানৰ বিশ্ব পুথি প্ৰণয়ণ এক মাত্ৰ মানৱৰ মঙ্গলৰ কাৰণেই। এই হেতুকে এই বিশ্বপুথি পাঠ কৰি তন্নিহিত জ্ঞানৰাশি লাভ কৰিবৰ অভিপ্ৰায়ে কত শত চিন্তাশীল মানৱ প্ৰাণীয়ে ঘৰ বাৰী এৰি, সংসাৰৰ সমস্ত সুখ বিসৰ্জ্জন দি, নিজ নিজ দেহাৰ মায়া মমতা বৰ্জ্জন কৰি, পৰ্ব্বতে জঙ্গলে ভ্ৰমি ফুৰি, উদ্ভিদ-তত্ত্ব আবিষ্কাৰ কৰিছে। প্ৰাণী-তত্ত্ব জ্ঞান লাভ কৰিবৰ অৰ্থে বন্য জন্তুৰ মাজত বহু কষ্ট হৈ, ক্লেশে দুখে মানৱ জীৱন অতিবাহিত কৰিছে। জ্ঞান পিপাসু কত মহাপুৰুষে পৃথিৱীৰ কোন ঠাইত কি আছে নাই, জানিবৰ নিমিত্তে হিমালয়ৰ সৰ্ব্বোচ্চ শিখৰত উঠিবলৈ যত্নবান হৈছে, মেৰুপৰ্ব্বতৰ কেন্দ্ৰস্থান নিৰূপণ কৰি বিজ্ঞানৰ সত্যতা প্ৰমাণ কৰিবলৈ যি চেষ্টা আজি কৰিছে। এই বিশ্বপুথি পাঠ কৰিয়েই মানুহ জাতিয়ে বৈদ্যুতিক শক্তি আবিষ্কাৰ কৰি দূৰলৈকে থকা মানুহৰ মাজত কথা বাৰ্ত্তা পাতিবলৈ আৰু কোনো ঠাইত হোৱা ঘটনাৱলীৰ সমাচাৰ অলপ সময়ৰ ভিতৰতে দূৰ দেশৰ মানুহক জনাবলৈ উপায় কৰি লৈছে। বহু দিনৰ বাট অলপ দিনৰ ভিতৰতে যাবলৈ আৰু অতল সমুদ্ৰৰ তলে তলে, অনন্ত আকাশৰ ওপৰে ওপৰে যাতায়াত কৰিবলৈ শক্তিমান হৈছে। এই পুথি পাঠ কৰিয়েই পৃথিৱী আৰু নভোমণ্ডলস্থ গ্ৰহোপগ্ৰহ আৰু নক্ষত্ৰাদিৰ গতি বিধিৰ বিষয় জ্ঞান লাভ কৰিবলৈ সমৰ্থ হৈছে। শত বৰ্ষব্যাপী আয়ুস্ লৈ পৃথিৱীত এনে কোনো মনুষ্য প্ৰাণী ওপজা নাই, যি এই বিৰাট বিশ্বপুথিৰ সকলো অধ্যায় পাঠ কৰি তাৰ অন্তৰ্নিহিত সমস্ত জ্ঞানৰাশি লাভ কৰিব পাৰিছে। অধিক কি, ভিন্ন ভিন্ন জনে ভিন্ন ভিন্ন অধ্যায় অধ্যয়ন কৰিও আজিলৈকে তাক শেষ কৰি উঠিব পৰা নাই। তাৰ একো একো অধ্যায়ৰ বিবৰণেই একো একোখন প্ৰকাণ্ড সাহিত্য পুথি। একো একো ভাগৰ একো একোখন সাহিত্য পাঠ কৰিয়েই তন্নিহিত জ্ঞানৰাশি যি লাভ কৰিব পাৰিছে, তেৱেঁই পৃথিৱীত কীৰ্ত্তিমন্ত পুৰুষ বুলি জনাজাত হৈছে। পৃথিৱীত যতবিলাক সাহিত্য আছে আৰু হব লাগিছে, সেই আটাইবিলাকেই এই বিশ্বপুথিৰ একো একো ভাগৰ একো একোটি আভাস মাথোন।

মানুহৰ নিয়ম-নীতি, ধৰ্ম্ম-কৰ্ম্ম সকলোবিলাক বিশ্বপুথিৰ ভিতৰৰ সাৰুৱা উপদেশৰ শুভফল মাথোন। বিৰাট বিশ্বপুথি প্ৰাকৃতিক জ্ঞানৰ অনন্ত ভঁৰাল। জগতত প্ৰকৃতিৰ উপদেশতকৈ সাৰুৱা উপদেশ আৰু একো নাই। যি লোকে এই সাৰুৱা উপদেশ গ্ৰহণ কৰি, তদনুযায়ী নীতিপৰায়ণ, ধৰ্ম্মপৰায়ণ আৰু কৰ্ম্মপৰায়ণ হব পাৰিছে, তেৱেঁই জগতত খ্যাতিমন্ত হৈ দুৰ্ল্লভ মানৱজন্ম সাৰ্থক কৰিব পাৰিছে। এই উপদেশ গ্ৰহণৰ ফলতেই কোনো কোনো জন আধ্যাত্মিক চিন্তাত বিভোৰ হৈ 'মহাপুৰুষ' এই পবিত্ৰ নামৰ অধিকাৰী হৈছে। এই উপদেশ গ্ৰহণ কৰিয়েই মহাপুৰুষ সকলে বেদ-বেদাঙ্গ, কোৰাণ, বাইবেল আদি ধৰ্ম্মশাস্ত্ৰ বিলাক ৰচনা কৰি থৈ গৈছে। কোনো কোনো জনে জগতৰ বিচিত্ৰ বৰ্ণৰ নানা চিত্ৰ দৰ্শনত বিমোহিত হৈ, নানা প্ৰকাৰ কল্পনাৰ সৃষ্টি কৰি কাব্য আৰু উপন্যাস ৰচনাৰ দ্বাৰা মহাকবি ব্যাস বাল্মীকি, কালিদাস, ভৱভূতি, চেক্সপিয়ৰ, হোমৰ, মিল্টন প্ৰভৃতি নামে খ্যাতি লাভ কৰিছে। কোনো কোনোৱে বা নভোমণ্ডলস্থ গ্ৰহোপগ্ৰহ অসংখ্য নক্ষত্ৰাদিৰ আৰু অন্যান্য স্বাভাৱিক পদাৰ্থ সমূহৰ গতি-বিধি, চলন ফুৰণ, উৎপত্তি-বৃদ্ধি আৰু প্ৰলয়ৰ মূলতত্ত্ব নিৰূপণ কৰি, জ্যোতিষী আৰু দাৰ্শনিক পণ্ডিত বুলি বিখ্যাত হব পাৰিছে। কোনো কোনোৱে বা পৃথিৱীৰ উদ্ভিদ পদাৰ্থ তৰুতৃণ লতা আদিৰ গুণাগুণ পৰীক্ষা কৰি, বৈদ্য শাস্ত্ৰ আয়ুৰ্ব্বেদ ৰচনাৰ দ্বাৰা ৰোগীৰ ৰোগনিবাৰণৰ উপায় কৰি বৈদ্য ৰাজ ধন্বন্তৰি ৰূপে প্ৰকাশমান হৈছে। এনে বিধৰ বহুত শাস্ত্ৰ, অসংখ্য সাহিত্য, আমাৰ দেশৰ নানান ঠাইত যতে ততে পৰি আছে, তাৰ খবৰ যাতৰি লওঁতা নাই। পুথি আছে, তাৰ পাঠক নাই। নানান জ্ঞান সংগ্ৰহ নানান ঠাইত পৰি আঁঠামাৰ্জ্জ হব লাগিছে, তাৰ প্ৰকাশক নাই। শহ শহ, হাজাৰে হাজাৰে, কত উচ্চ শ্ৰেণীৰ সাহিত্য কত ঠাইত পৰি পৰি আছে, তাৰ চৰ্চ্চা নাই। মুঠতে সাহিত্যৰ আদৰ আমাৰ দেশত সমূলি নাইকীয়া হৈছে।

যি জাতিৰ ভাষাত সাহিত্য নাই, সিহঁতৰ ভাষা অতি সঙ্কীৰ্ণ, সিহঁত অসভ্য, সিহঁত দুৰ্ব্বল। যি জাতিৰ ভিতৰত সাহিত্য আছে, অথচ তাৰ আদৰ নাই, উচ্চ শ্ৰেণীৰ সাহিত্য আছে; অথচ তাৰ চৰ্চ্চা নাই, সেই জাতিৰ অধঃপতন অনিবাৰ্য্য। যি জাতিৰ ভিতৰত সাহিত্য প্ৰভাৱ বিস্তাৰিত হোৱা নাই, সেই জাতিৰ মানুহ বিলাক কুসংস্কাৰৰ জালত সোৰ পাক খাই অধোগতিৰ অন্ধকাৰ গৰ্ত্তত দীঘল দি পৰি থাকে, সিহঁত কেতিয়াও উঠিব নোৱাৰে, কেতিয়াও সিহঁতৰ উন্নতি নহয়।

সাহিত্যিক জ্ঞানেহে মানুহক মানুহ কৰি তোলে। সাহিত্যিক জ্ঞানে যাৰ হৃদয় অধিকাৰ কৰা নাই, সাহিত্যৰ মধুময় ৰসে যাৰ হৃদয় ৰসাল কৰি তুলিব পৰা নাই, তাৰ হৃদয় ঘোৰ অন্ধকাৰময় আৰু শুকান কাঠৰ দৰে অতিশয় নীৰস। ঘোৰোঁৱা অৰণ্যত সিংহ, বাঘ, ভালুক আদি হিংস্ৰক জন্তুবোৰ থকাৰ দৰে তাৰ হৃদয় ক্ষেত্ৰত হিংসা, বিদ্বেষ, স্বাৰ্থপৰতা, কুটিলতা আৰু ঘোৰ নিষ্ঠুৰতা আদি অসৎ প্ৰবৃত্তিবিলাকে আহি বাহঁ বান্ধে। সি অশিক্ষিত, অসভ্য, ঘোৰ নিষ্ঠুৰ, সি হিংস্ৰক, স্বাৰ্থান্ধ, সি ঘোৰোঁৱা পাষণ্ড।

যেই সেই বিষয়ৰ বৰ্ণনাই সাহিত্য। বক্তাৰ বক্তৃতা লেখকৰ প্ৰবন্ধ, কবিৰ কাব্য, ইতিহাস উপন্যাস, জীৱন চৰিত্ৰ আৰু বাতৰিকাকত, সকলোবিলাক সাহিত্য শ্ৰেণী-ভুক্ত। চিন্তা শক্তি বিজড়িত প্ৰাচীন দৰ্শন জ্যোতিষ, আধুনিক বিজ্ঞান শাস্ত্ৰ, সকলোবিলাকেই সাহিত্যমূলক। সূৰ্য্যই যেনেকৈ আপোন পৰিয়ালভুক্ত গ্ৰহোপগ্ৰহ আৰু নক্ষত্ৰাদিক সততে জ্যোতিৰ্ম্ময় কৰি ৰাখে, সাহিত্য প্ৰভাৱে তেনেকৈ তন্দ্ৰাবাভাবী মানুহ জাতিক সততে সমুজ্জ্বল

কৰি ৰাখে। যি ঠাইত সাহিত্য প্ৰভাৱৰ অভাৱ, সেই ঠাই সততে ঘোৰ অন্ধকাৰময়। গোটেই পৃথিৱীখন সাহিত্যিকৰ ৰাজ্য। পৃথিৱী যিমানেই আগ বাঢ়ি গৈছে, সাহিত্যিক সকলৰ ৰাজত্ব কাল দিনক দিনে তিমানেই বৃদ্ধি পাইছে। বেদ-বেদাঙ্গ, পুৰাণ-ভাগৱত, বাইবেল কোৰাণ আৰু বৌদ্ধ শাস্ত্ৰই জগতক বিমোহিত কৰি ৰাখিছে। বুদ্ধদেৱ, যিশু, মহম্মদ, শঙ্কৰাচাৰ্য্য, শ্ৰীচৈতন্য আৰু শ্ৰীশঙ্কৰৰ ধৰ্ম্ম ৰাজ্য দিনক দিনে বাঢ়িব লাগিছে। ব্যাস-বাল্মীকি, কালিদাস ভৱভূতি, চেক্সপিয়েৰ, হোমৰ, মিল্টন প্ৰভৃতি কবিসকলৰ নাম জগৎ থাকে মানে থাকিব। ভাস্কৰাচাৰ্য্যাদি জ্যোতিষীসকল, নিউটন আদি বৈজ্ঞানিকসকল জগতত চিৰকাল অমৰ হৈ থাকিব। ইংলণ্ডৰ তৎকালিন সৰ্ব্বপ্ৰধান বক্তা মহামতি বাৰ্কে চিৰকাল মানৱ জাতিৰ ওচৰত পূজা পাই থাকিব।

সাহিত্যিক জ্ঞানৰ অতুল প্ৰভাৱ, অতুল ক্ষমতা। ইয়াৰ প্ৰভাৱত দৰিদ্ৰ জাতি ধনী হয়, অসভ্য জাতি সভ্য হয়, দুৰ্ব্বল জাতি বীৰ জাতিত পৰিণত হয়। সাহিত্য-প্ৰভাৱে মনৰ কুসংস্কাৰ আৰু ধৰ্ম্মৰ ভণ্ডতা দূৰ কৰি নিৰ্ভাজ, নিৰ্ম্মল জ্ঞান মানুহক দান কৰে। সাহিত্য প্ৰভাৱে অনীতিপৰায়ণ ৰজাৰ ৰাজ সিংহাসন কম্পিত কৰি, ৰাজ্যত প্ৰজাৰ ন্যায্য অধিকাৰ স্থাপন কৰে। পৃথিৱীৰ বহুত ৰাজ্যতে যে স্বেচ্ছাচাৰী ৰজাৰ ৰাজ-পদ উঠি গৈ প্ৰজা শক্তিৰ প্ৰভাৱ বিস্তৃত হৈছে, একমাত্ৰ সাহিত্য-প্ৰভাৱেই ইয়াৰ মূল কাৰণ। আফ্ৰিকা আৰু আমেৰিকাৰ অসভ্য নিগ্ৰো জাতিক ধ্বংস মুখৰ পৰা ৰক্ষা কৰি সভ্য জাতিত পৰিণত কৰাৰ মূল গৰাকী এই সাহিত্য প্ৰভাৱেই। এই সাহিত্য প্ৰভাৱেই নেপোলিয়ন বোনাপাৰ্টৰ অসীম ক্ষমতা ধ্বংস কৰি ইউৰোপত শান্তি ৰাজ্য স্থাপন কৰিলে। এই সাহিত্য প্ৰভাৱেই ৰোম ৰাজ্যত ম্যাটচিনি, গ্যাৰিবল্ডীৰ সৃষ্টি কৰি, অষ্ট্ৰীয়াৰ অন্যায় আৰু অত্যাচাৰমূলক ৰাজ-সিংহাসন আঁতৰাই, তাত স্বদেশীয় ৰজাৰ ৰাজ-সিংহাসন স্থাপন কৰি দিছে।

সাহিত্য প্ৰভাৱে মানুহৰ মনত মান অপমান, ন্যায় অন্যায়ৰ জ্ঞান জন্মাই দিয়ে। এই জ্ঞানেই প্ৰাচীন কাৰ্থেজ, ট্ৰয় আৰু লঙ্কা ৰাজ্য ধ্বংস কৰি অন্যায় অত্যাচাৰৰ অশুভ ফল প্ৰতিপন্ন কৰে। এই জ্ঞানেই প্ৰতাপসিংহক অমৰ কৰি তোলে আৰু শিৱাজীক মহা প্ৰতাপী কৰি দুৰাকাঙ্ক্ষী আৰঙ্গজেবৰ ৰাজত্ব ধ্বংস কৰি দিয়ে। এই জ্ঞানেই প্ৰবল প্ৰতাপী ৰুছ জাতিৰ অন্যায় দাম্ভিকতা দূৰ কৰি মাঞ্চুৰিয়াত জাপানী বিলাকৰ ন্যায্য অধিকাৰ প্ৰতিষ্ঠাপিত কৰে। ইউৰোপৰ মহাসমৰ আৰু ভাৰতত মহাত্মা গান্ধীৰ আন্দোলনৰো মূল কাৰণ এয়ে মাথোন।

সাহিত্য আৰু সাহিত্যিক ভাৱৰ অধঃপতনৰ লগে লগে তদ্ভাষাভাষী মানৱ জাতিৰো অধঃপতন হয়। প্ৰাচীন সংস্কৃত ভাষাৰ দৰে উন্নত ভাষা আৰু প্ৰাচীন সংস্কৃত সাহিত্যৰ দৰে উন্নত সাহিত্য জগতত অতি বিৰল। যিমান দিনেই এই ভাষা আৰু এই সাহিত্যই ভাৰতত প্ৰভাৱ বিস্তাৰ কৰি আছিল, ভাৰত তিমান দিনেই পৃথিৱীৰ ভিতৰত অগ্ৰগণ্য ৰাজ্য বুলি জনাজাত আছিল। কিয়নো ৰামায়ণ-মহাভাৰতৰ বহুকাল পাচলৈকো ভাৰতৰ গৌৰৱ কাহিনী পৃথিৱীৰ চাৰিওকালে ৰাষ্ট্ৰ হৈ আছিল। ভাৰতত এতিয়া সেই ভাষা আৰু সেই সাহিত্যৰ প্ৰভাৱ সমূলি নাই। তাৰ লগে লগে অধঃপতিত হৈ ভাৰতে এতিয়া এই অৱস্থা পাইছেহি। আজি কালিৰ ভাৰতত সেই বিক্ৰমাদিত্য নাই, বিক্ৰমাদিত্যৰ সভাপণ্ডিত সেই নৱৰত্নসকল নাই। ব্যাস-বাল্মীকি, কালিদাস-ভৱভূতিৰ দৰে কবিসকল নাই, সাহিত্য আছে, সাহিত্যিক নাই। অসংখ্য সাহিত্য গ্ৰন্থে ভাৰত ভৰি আছে, উপযুক্ত পাঠক নাই। যেতিয়ালৈকে ভাৰতত অসংখ্য সাহিত্যিকৰ সৃষ্টি নহব, যেতিয়ালৈকে সাহিত্যৰ মধুময় ৰসে ভাৰতবাসীৰ নীৰস হৃদয়-ক্ষেত্ৰ সৰস কৰি নুতুলিব তেতিয়ালৈকে এই অধঃপতিত জাতিৰ পুনৰুত্থান হোৱা অসম্ভৱ। বৰ্ত্তমান সময়ত প্ৰাচীন সাহিত্য মনপুতি পঢ়োঁতা ভাৰতত কিমান? বৰ্ত্তমান সময়ৰ উপযোগী সাহিত্য ৰচোঁতা ভাৰতত ক'তা? বিদেশী ভাষাই ভাৰত এনে দৰে অধিকাৰ কৰি লৈছে যে, সকলো ভাৰতবাসীয়ে সেই পৰম



পবিত্ৰ সংস্কৃত ভাষা আৰু সংস্কৃত সাহিত্যলৈ পিঠি দি, আপোন দেশৰ অৱস্থা ভুলি গৈ, অহৰ্নিশে বিদেশী অৰ্থকৰী ভাষাৰ দাস হৈ পৰিছে। মই ইংৰাজী ভাষাত সম্পূৰ্ণ অনভিজ্ঞ বুলিয়েইনে কি কব নোৱাৰো, ইংৰাজী ভাষাজ্ঞ লোকসকলে মাতৃ-ভাষাত কথা-বাৰ্ত্তা হওঁতে মাজে মাজে প্ৰতি কথাতে ২।৪ টাকৈ ইংৰাজী শব্দ কোৱা শুনি মোৰ হাঁহি উঠে। হাঁহি উঠে এই বুলি,—লাহে লাহে এই পূজনীয় মাতৃ-ভাষাক নেওচা-কেওচা দি, ভাৰতবাসীসকল বোধ কৰোঁ কিছুদিন পাচত ইংৰাজ হৈ পৰিবগৈ। পিতাই পুত্ৰৰ লগত, ককায়েকে ভায়েকৰ লগত, আৰু আন আন অনেক আত্মীয় বন্ধু বান্ধৱৰ লগত মাতৃ-ভাষা এৰি ইংৰাজীত কথা কোৱা শুনি মই হাঁহি সামৰিব নোৱাৰোঁ। বোধ কৰোঁ ভাৰতবাসীত বাজে পৃথিৱীৰ আন কোনো জাতিৰ ভিতৰতে এনে ব্যৱহাৰ নাই। এদিন এজন ডাক্তৰে মোক কৈছিল যে মই বঙলা ভাষাত চিঠি লিখিব নোৱাৰোঁ। বঙলাত চিঠি লিখিবলৈ আৰম্ভ কৰিলে কলমৰ মুখত ইংৰাজী ওলাই আহে। আৰু কৈছিল, তেখেতৰ সৰু ডেৰ বছৰীয়া ল'ৰালিটিয়ে হেনো One, Two, Three, কৈ Twenty লৈকে কব পাৰে, কিন্তু বঙলা এক, দুই, তিনিকৈ কুৰিলৈকে কওঁতে হলে ভুল কৰে, ভালকৈ কব নোৱাৰে। ভাৰতবাসীৰ মাতৃ-ভাষাৰ ওপৰত ইমানেই শ্ৰদ্ধা! এইবিলাক দেখি শুনি গীতাৰ পবিত্ৰ বচন মোৰ মনলৈ আহে,—"শ্ৰেয়ান্ স্বধৰ্ম্মো বিগুণঃ পৰ ধৰ্ম্মাৎস্বনুষ্ঠিতাৎ। স্বধৰ্ম্মে নিধনং শ্ৰেয়ঃ পৰধৰ্ম্মো ভয়াবহঃ।"

এতিয়া মোৰ বিনীত গোহাৰি এই,—যদি স্বদেশৰ মুখ উজ্জ্বল কৰিবলৈ সকলোৰে ইচ্ছা থাকে, স্বজাতিক উন্নতিৰ পথত আগুৱাই নিবলৈ সকলোৰে মনত যদি অভিলাষ থাকে, তেনেহলে মন পুতি প্ৰাচীন সংস্কৃত সাহিত্যৰ চৰ্চ্চা কৰিবলৈ আৰু তাৰ লগে লগে মাতৃ-ভাষাৰ উন্নতি সাধিবলৈ সকলোৱে যত্নপৰায়ণ হব লাগে। অতি দুখৰ বিষয়,—আজিকালি উঠি অহা আমাৰ সুশিক্ষিত ডেকাসকলে এই বিষয়ে অলপো মন-কাণ দিয়া নাই। সেই সকলে কেৱল অমূল্য জীৱন বাসৰৰ কটকটীয়া জৰীয়ে বান্ধি, আপোন আপোন উদৰ পূৰণৰ চিন্তাৰ সোঁতত উটি ভাহি যাবলৈ এৰি দিছে। দিব্য ৰত্নলৈ পিঠি দি কাচ অন্বেষণত মনোযোগী হৈছে। হে সেই ডাঙৰ কৃতবিদ্য যুৱা পুৰুষসকল, আমাৰ অসম দেশখন, অকল অসমদেশ নহয়, গোটেই ভাৰতবৰ্ষ দেশখনেই একেবাৰে শুই পৰিছে। একেবাৰে গাঢ় নিদ্ৰাৰে নিদ্ৰিত হৈছে। আৰু এইদৰে নিদ্ৰিত হোৱাটো স্বাভাবিক বুলিও মোৰ মনত ধাৰণা হৈছে। কিয়নো এই ঘোৰ নিদ্ৰাৰ আচল কাৰণ এটা মই এইদৰে অনুভৱ কৰিছোঁ :—

বৌদ্ধযুগৰ অন্তিম সময়ৰে পৰা ইংৰাজাধিকাৰৰ পূৰ্ব্ব ভাগলৈকে এই দীঘল সময় খিনিৰ ভিতৰত সমুদায় ভাৰতত যি ভয়ঙ্কৰ ৰাষ্ট্ৰীয় হুলস্থূল উপস্থিত হৈছিল, ইমান দীৰ্ঘকাল ব্যাপি তেনে হুলস্থূল বোধকৰোঁ কোনো কালে কোনো দেশতে হোৱা নাই বা নাছিল। লুণ্ঠনকাৰী বিদেশী দস্যু চুলতান্ মামুদ, টাইমুৰ আৰু নাদিৰচাই ভাৰতৰ ধন-ৰত্ন লুণ্ঠন কৰিবলৈ আহি, হত্যা কাণ্ডৰ দ্বাৰা ভাৰতত যি অৰাজকতা উপস্থিত কৰিছিল, ৰাজ্যাভিলাষী মহম্মদঘোৰী আদি বাৰে ভাৰতৰ ৰাজ-সিংহাসন অধিকাৰ কৰিবলৈ আহি যুদ্ধ বিগ্ৰহৰ দ্বাৰা ভাৰতবাসীক যেনে অস্থিৰ কৰি তুলিছিল, দিল্লীৰ সম্ৰাট আলাউদ্দিন আকবৰ আৰু আওৰঙ্গজেবে নানা ৰাজ্যৰ ৰাজ-পুৰুষ সকলৰ লগত তুমুল যুদ্ধ কৰি ভাৰতত কটা মৰাৰ যি হুলস্থূল লগাইছিল,—ভাৰতীয় প্ৰজাক যেনে দৰে গুলি পিহি পেলাইছিল, দিল্লীৰ নিতান্ত অযোগ্য সম্ৰাট মহম্মদ টোগলকে নানা প্ৰকাৰে প্ৰজা-উৎপীড়ন কৰি ভাৰতীয় প্ৰজাক যেনেকৈ ধন-প্ৰাণৰ আতুৰণিত পেলাইছিল, তদ্দ্বাৰাই এই কথা ভালকৈ অনুমান কৰিব পাৰি যে, বহুকালব্যাপী এই ৰাষ্ট্ৰীয় হুলস্থূলত পৰি ভাৰতীয় প্ৰজা নিতান্ত দুৰ্ব্বল হৈ পৰিছিল,—একেবাৰে ভাগৰি জুগৰি গৈছিল। পশ্চিম ফালৰ এই ধুমুহাই অসমক যদিও বৰকৈ পোৱা নাছিল, তথাপি অসমৰ ভিতৰুৱা আৰু আন ফালৰ পৰা অহা ধুমুহাত পৰি অসমো একেবাৰে ছাৰখাৰ হৈ গৈছিল। আহোম ৰাজ-পুৰুষ সকলৰ ভিতৰত

এজনক ৰজা ভাঙি আন এজনক ৰাজ্য পতা, এজন ৰজাক বধ কৰি আন এজনক সিংহাসনত বহুৱা তোলপাৰে পাই, অসমীয়া প্ৰজাৰ মনত ভয়ঙ্কৰ অশান্তিৰ সৃষ্টি কৰিছিল। তদুপৰি মছলমানৰ বাৰংবাৰ আক্ৰমণত অসমীয়া প্ৰজা একেবাৰে জুৰুলা হৈ পৰিছিল। অৱশেষত আহোম ৰাজপুৰুষ সকলৰ মনোমালিন্যৰ ফলত উৎপন্ন হোৱা প্ৰতিশোধ ৰূপ হিংসানলে পাই গোটেই অসম দেশখন পুৰি একেবাৰে ছাই কৰি পেলালে।

ৰাজ পুৰুষসকলৰ মনোমালিন্যৰ ফলত কি হল,—অসমলৈ মান আহিল। অসমব্যাপী ভীষণ উৎপাত আৰম্ভ হল। মানৰ ভয়ঙ্কৰ অত্যাচাৰত অসমত ঘোৰ অৰাজকতা উপস্থিত হল। অসমীয়া প্ৰজাৰ ধৰ্ম-প্ৰাণ ৰক্ষা নোহোৱা হৈ পৰিল। পাষাণ হৃদয়ৰ অসভ্য মানে অসমীয়া প্ৰজাৰ কি দুৰ্গতি নকৰিলে। ধন বস্তু তো লুটি ললেই, ঘৰৰ ভিতৰত শুই থকা মানুহৰ ঘৰৰ দুৱাৰ বান্ধি ঘৰতে জুই লগাই দি তামচা চালে। গৰ্ভৱতী তিৰোতাৰ পেট ফালি পেটৰ পোৱালি উলিয়াই লৈ, ধেমালি কৰিলে। সৰু সৰু লৰা-ছোৱালীক কপ্‌টি মাৰি আম পাৰি খালে। কতনা ছোৱালীক মাক বাপেকৰ বুকুৰ পৰা কাঢ়ি লৈ দেশলৈ চালান দিলে। কত বিবাহিতা ৰমণীক স্বামীগৃহৰ পৰা বলেৰে ধৰি নি সতীত্ব নষ্ট কৰিলে। ধন বস্তু উলিয়াই নিদিয়া অপৰাধত কত শত দুখিয়াল মানুহক নতুন শাস্তি দি বধ কৰিলে। অত্যাচাৰৰ বাকী নোহোৱা হৈ পৰিল। অসমীয়া প্ৰজা পলাই হাবিয়ে বননিয়ে গৈ লুকাল। তাতো ৰক্ষা নাই, অসমীয়া প্ৰজাক বনৰ পছু পেলা দি খেদি ধৰি মাৰিলে। ভীষণ অত্যাচাৰ সহিব নোৱাৰি জন্মভূমি অসম দেশ এৰি কত অসমীয়া প্ৰজা দেশান্তৰিত হল। অৱশেষত ভগৱানৰ কৃপা দৃষ্টি পৰিল। এই ভয়ঙ্কৰ অত্যাচাৰ বৃটিছ সিংহৰ সন্মুখীন হলত অসমীয়া প্ৰজা ৰক্ষা পৰিল। বৃটিছে মানক খেদি অসম দেশ হাত কৰি ললে। বৃটিছৰ ভয় নাই ভয় নাই আশ্বাস বাণীত অসমীয়া প্ৰজা ঠাণ্ডা পৰিল। ভালকৈ এগুমটি শুই লবলৈ অসমীয়া প্ৰজাই আজৰি পালে। বৃটিছৰ নিৰ্ভয়, শান্তিময় শাসনৰ কোলাত পৰি অসমে শুই পৰিল। বহু কালৰ দুখ ভাগৰ পলুৱাবলৈ অসমীয়া প্ৰজা একে খাবে ঘোৰ নিদ্ৰাত নিমগ্ন হল। সেই যে শুলে, আজিলৈকে অসমীয়া প্ৰজাৰ নিদ্ৰা ভঙ্গ হোৱা নাই। যাহৰা ফোনোৱাই উঠ উঠ বুলি জগালেও অসমীয়া নুঠে। হেচি পৰকি জগালেও অসমীয়া নাজাগে। মানৰ ঘোৰ অত্যাচাৰৰ হাত সাৰি অসমীয়া প্ৰজা এনে দৰে শুইছে যে, বোধ কৰোঁ আৰু নুঠে। এতিয়া আৰু আপোনা আপুনি জাগি উঠা একেবাৰে অসম্ভৱ হৈ পৰিছে। এই দৰেই ভাৰতৰ অইন ঠাইৰ মানুহ খিলাকো আগেয়ে বৰ্ণনা কৰা অত্যাচাৰৰ হাত সাৰি বৃটিছ শাসনৰ শান্তিময় কোলাত শুই ঘোৰ নিদ্ৰাত পৰি গৈছে। কিন্তু আমি শোৱাৰ বহু দিন আগতে সেই সকল শুইছে। উঠিলে সেই সকলৰ উঠিবৰ পৰো হৈছে। আৰু দুই এজনৰ নিদ্ৰাভঙ্গ হৈছেও। সেই দুই এজনে আন বিলাকক জগাবলৈ চেষ্টা কৰিছে যদিও, জগাব পৰা নাই। এতেকে অতি সোনকালে ভাৰতৰ সকলো ঠাইতে পৰতৰ জাগৰণৰ দৰকাৰ হৈ পৰিছে। জগাবৰ উপযুক্ত সময়ো হৈছে; জগাবই লাগিব। নজগালে হয়তো এই ঘোৰ নিদ্ৰাই মহা নিদ্ৰাত পৰিণত হব পাৰে। এতেকে দেশত জাগৰণ আনিবলৈ চেষ্টা কৰা শিক্ষিত মাত্ৰৰে উচিত হৈ পৰিছে। দীৰ্ঘকাল শুই থকা অৱস্থাত সকলোকে নানান দুখ দুৰ্গতিয়ে চুইছে যদিও, অসমীয়াৰ দুখ দুৰ্গতি সকলোতকৈ অধিক যেন দেখা গৈছে। প্ৰায় ঘৰে ঘৰেই দুখ দুৰ্গতিৰ বিকট মূৰ্ত্তিয়ে আহি দেখা দিছে। সেই দুখ দুৰ্গতি মানৰ অত্যাচাৰৰ দুখ দুৰ্গতিতকৈ কোনো অংশেই কম নহয়। খাবলৈ ভাত নাই পিন্ধিবলৈ কাপোৰ নাই, থাকিবলৈ ঘৰ নাই। এনে দুৰৱস্থাত পৰি অসংখ্য মানুহ কণীয়া হৈ পৰিছে। অসংখ্য মানুহৰ মাজত ভীষণ মূৰ্ত্তি ধৰি অকাল মৃত্যুৱে আহি দেখা দিছে। অসমীয়াৰ মাটি বিদেশীয়ে লৈছে। অসমীয়াৰ ভাত পৰে খাইছে। চকুৰ আগতে পৰৰ ধন পৰে লুটি লৈ গৈছে। তথাপি অসমীয়াৰ গাত চৈতন্য অহা নাই। এতেকে অতি সোনকালে অসমীয়াৰ মাজত বিশেষ ৰূপে জাগৰণৰ দৰকাৰ হৈ পৰিছে। কিন্তু মুখেৰে চিঞৰ বাখৰ কৰি জগালে অসমীয়া কেতিয়াও নাজাগিব, কেতিয়াও নুঠিব। মুখেৰে চিঞৰ বাখৰ কৰি বাহিৰা কতই কতবাৰ জগাইছে, কত ৰকমে জগাইছে। তথাপি নিদ্ৰাভঙ্গ হোৱা নাই। এতিয়াও অসমীয়া ঘোৰ নিদ্ৰাত অচেতন। এই নিমিত্তে মুখৰ চিঞৰ বাখৰ এৰি আন উপায়ে অসমীয়াক জগাব লাগিব। সেই উপায় সাহিত্যৰ ভিতৰৰ বৰ চোকা কথা, বৰ তেজিয়াল সুৰ। সাহিত্যৰ ভিতৰেদি নিচিঞৰিলে,—সাহিত্যৰ তেজিয়াল সুৰে নজগালে, অসমীয়া কেতিয়াও নাজাগে, কেতিয়াও নুঠে। এতেকে হে উঠি অহা কৃত-বিদ্য যুৱা পুৰুষ সকল, আগেয়ে আপোনাসকল উঠক। আপোনাসকলে চেষ্টা কৰক, সাহিত্য লিখিবলৈ হাতত লেখনী তুলি লওক। যেই সেই সাহিত্য নহয়, যেনে তেনেকৈ লিখিলেই নহয়, যি টান কথাই অসমীয়াৰ গাত বিন্ধিব পাৰে, যি তেজিয়াল সুৰত অসমীয়াৰ মন নাচি উঠিব পাৰে, শুই থকা অসমীয়াৰ গাত চৈতন্য আহিব পাৰে, তেনে কথা গঠাই, তেনে সুৰ লগাই সাহিত্য নিলিখিলে লেখনী ধৰা মিছা হব। যেই সেই কথাৰে অসমীয়া নাজাগিব, অসমীয়াক জগোৱা টান হব। অকল অসমীয়া নহয়, গোটেই ভাৰতবাসীকে সাহিত্যৰ মাজেদি নজগালে কেতিয়াও ভাৰত নাজাগে। যিমান দিনেই ভাৰতবাসীয়ে নিজ নিজ ভাষাৰ উন্নতি সাধন নকৰিব, সময়োচিত সাহিত্যৰ দ্বাৰা ভাষাক চহকী কৰি নুতুলিব, সুশিক্ষিত লোকৰ দ্বাৰা যেতিয়ালৈকে ভাৰত ভৰি নাযাব, তেতিয়ালৈকে অধঃপতিত ভাৰতে পুনৰুদ্ধাৰ পোৱা অসম্ভৱ। সেই কাৰণেই মহাত্মা গান্ধিৰ অতনা চিঞৰ বাখৰ নিষ্ফলে গছে, সেই দেখিয়েই সেই মহাপুৰুষৰ মহৎ উদ্দেশ্যপূৰ্ণ 'অস্পৃশ্যতা বৰ্জ্জনে' আজিলৈও গা কৰিব পৰা নাই। এতেকে হে অসমীয়া কৃতবিদ্য যুৱা পুৰুষসকল, মই আকৌ বাৰে বাৰে মিনতিকৈ কওঁ, আপোনা সকলে বৰ্ত্তমান সময়ৰ উপযোগী সাহিত্য লিখিবলৈ লেখনী ধৰক। অসমীয়া ভাষা যে এতিয়াও নিচেই তলতে পৰি আছে। সাহিত্যৰ উন্নতিয়েই ভাষাৰ উন্নতি। যি ভাষাত উন্নত সাহিত্য নাই, সেই ভাষা কেতিয়াও উন্নত ভাষা বুলি গণ্য হব নোৱাৰে। উন্নত সাহিত্যহে উন্নত ভাষাৰ পৰিচায়ক। অসমীয়া ভাষাই আমা ডিমা অৱস্থা এৰাইছে মাথোন, টনকিয়াল হৈ উঠিব পৰা নাই। ইওখিনি যে হৈছে, বহুত যত্নৰ ফলতহে। ইওখিনি যে হবলৈ পালে কেনেকৈ, বোধ কৰোঁ বহুতে নাজানে। কওঁ শুনক:—হায় দুখৰতো কথাই নাই, মজলীয়া স্কুলতে মই বহুদিনলৈকে, উনবিংশ শতাব্দীৰ শেষ ভাগলৈকে অসমীয়া লৰাক বঙলা ভাষা পঢ়াইছোঁ। উনবিংশ শতাব্দীৰ শেষ ভাগত কেইবা ঠাইৰ পৰাও 'অসমৰ সকলোবোৰ পঢ়াশালিতে অসমীয়া ভাষা চলাব লাগে' বুলি গণ্য মান্য লোকসকলে ওপৰলৈ আবেদন জনালে। সেই সময়ৰ অসম-শিক্ষা বিভাগৰ খাই গুৱিয়াল ডাইৰেক্টৰ বুথ চাহাবে সেই আবেদনত অলপ মনোযোগ দি শিক্ষা বিভাগৰ কিছুমান উচ্চপদস্থ কৰ্ম্মচাৰীৰ লগত অসমীয়া ভাষা সকলো পঢ়াশালিতে চলা উচিত নে অনুচিত, এই সম্বন্ধে পৰামৰ্শ কৰি চালে। কোৱা বাহুল্য যে, সেই সময়ত শিক্ষা বিভাগৰ ওপ খাপৰ পদত অসমীয়া মানুহ নাছিল বুলিলেও হয়। কাজেই পৰামৰ্শদাতা সকলে নানান যুক্তি দেখুৱাই অসমীয়া ভাষা চলাৰ বিৰুদ্ধে মত প্ৰকাশ কৰিলে। তথাপি মহামতি বুথ চাহাবে খিলঞ্জৰ পৰা নামি আহি, গুৱাহাটীৰে পৰা আৰম্ভ কৰি, প্ৰতি জিলাৰ সদৰ ঠাইৰ স্কুল বিলাকত সোমাই, স্কুলত কাম কৰা অসমীয়া শিক্ষক সকলক 'অসমীয়া ভাষা স্কুল বিলাকত কিয় লাগে?' এই প্ৰশ্ন সুধি সুধি ক্ৰমে উজাই গৈ ডিব্ৰুগড় পালেগৈ। সোধা কথাৰ উত্তৰ অনেকে অনেক ৰকমে দিছিল কিন্তু কাৰো পৰাই তেখেতে মনোমত বা সন্তোষজনক উত্তৰ পোৱা নাছিল। গৈয়েই ডিব্ৰুগড় হাইস্কুল সোমাল। আৰু তলৰ শ্ৰেণীত ইংৰাজী শিক্ষা দিয়া অসমীয়া শিক্ষক এজনক ওচৰলৈ মাতি নি সুধিলে। সেই বয়োবৃদ্ধ জ্ঞানবৃদ্ধ পুৰুষ এতিয়াও জীয়াই আছে নে নাই নাজানোঁ, তেখেতৰ নাম মহেশ্বৰ বৰুৱা, জাতিত দৈৱজ্ঞ ব্ৰাহ্মণ, ধৰ্ম্মত ব্ৰাহ্ম, ঘৰ ডিব্ৰুগড় সদৰতে। ডাইৰেক্টৰ বুথ চাহাবে তেখেতক ওচৰলৈ মাতি নি সুধিলে; বৰুৱা, আপুনি কওকচোন, মোক ভালকৈ বুজাই

দিয়কচোন্, এতিয়া আপোনালোকক স্কুল বিলাকৰ নিমিত্তে অসমীয়া ভাষা কিয় লাগে? বকৰা ডাঙ্গৰীয়াই কলে, মহাশয়, আপুনি যদি অনুমতি দিয়ে, এই কথাৰ উত্তৰ দিয়াৰ আগতে মই আপোনাক কথা এটি সুধিব খোজোঁ। চাহাবে কলে, আপুনি যি খুচি নিঃসন্দেহে সোধক। বৰুৱাই সুধিলে, মহাশয়, আপুনি কিমান ভাষা জানে? চাহাবে বৰ আনন্দ মনৰে উত্তৰ দিলে, মই মাতৃ-ভাষা ইংৰাজীত বাহিৰে চৈধ্যটা ভাষা জানোঁ। আৰু সেই সেই ভাষাৰ মানুহৰ লগত মই ভালকৈ কথা বতৰা হব পাৰোঁ। বকৰা ডাঙ্গৰীয়াই আকৌ প্ৰশ্ন কৰিলে,—ভাল, এতিয়া আপুনি কওকচোন্—“যেতিয়া নিৰলে বহি আপুনি কোনো বিষয় চিন্তা কৰে তেতিয়া কোন্ ভাষাৰ আশ্ৰয় লৈ আপুনি চিন্তা কৰে?” ডাইৰেক্টৰ বুথ চাহাবে এই কথাৰ একো উত্তৰ নিদি প্ৰশ্নটো শুনা মাত্ৰকে বহা আসনৰ পৰা জপিয়াই উঠি নাচি নাচি কবলৈ ধৰিলে,—এৰা হয় বকৰাদেও, এতিয়া মই ভালকৈ বুজিছোঁ—অসমীয়াক অসমীয়া ভাষা কিয় লাগে। নাচি নাচি বাৰে বাৰে এই কথাকে উচ্চাৰণ কৰি শেষত কলে,—বাৰু বকৰা, মই এই বাৰ গৈ শ্বিলং পায়েই ব্ৰহ্মপুত্ৰ উপত্যকাৰ সকলোবোৰ পঢ়াশালিতে অসমীয়া ভাষা চলাবলৈ হুকুম জাৰি কৰি দিম। সেই অনুসাৰে ডাইৰেক্টৰ মহামতি বুথ চাহাবে শ্বিলঙলৈ গৈয়েই ব্ৰহ্মপুত্ৰ উপত্যকাৰ সকলোবোৰ পঢ়াশালিতে অসমীয়া ভাষ চলাবলৈ হুকুম জাৰি কৰি দিলে। তেতিয়াৰে পৰা আজি ৬৩।৬৪ বছৰ হল, অসমৰ স্কুল বিলাকত অসমীয়া ভাষা চলিছে। চলিছে হয় এতিয়াও কিন্তু অসমীয়া ভাষাই সম্পূৰ্ণ গা কৰি উঠিব পৰা নাই। ইয়াৰ কাৰণ, উপযুক্ত সাহিত্যৰ অভাৱ। এতেকে আপোনাসকলে সাহিত্য লেখক। বক্তা হবলৈ লেখক হবলৈ কোনোৱে মাতৃ-গৰ্ভতে শিকি নাহে। অভ্যাস আৰু চিন্তা শক্তিয়েহে বক্তা আৰু লেখকৰ সৃষ্টি কৰে। লিখিবলৈ অসংখ্য আদৰ্শ বিৰাট ব্ৰহ্মাণ্ডত ভৰি আছে। আৰু কি আছে,—মহাকবি কালিদাসে ৰঘুবংশত কৈছে,—“অথবা কৃতবাক্দ্বাৰে বংশেঽস্মিন্ পূৰ্ব্ব সূৰিভিঃ। মণৌ বজ্ৰসমুৎকীৰ্ণে সূত্ৰস্যেৱাস্তি মে গতিঃ॥” এতিয়া আমিও তেনেকৈ কব পাৰোঁ, আগেয়ে ছিদ্ৰ কৰি থোৱা মণিৰ ভিতৰেদি দুৰ্ব্বল সূতাৰ সহজ গতিৰ দৰে, আগেয়ে পণ্ডিত সকলে, কবিসকলে কৰি থৈ যোৱা অসংখ্য গ্ৰন্থাৱলী, অসংখ্য কাব্যাৱলীৰ ভিতৰেদি গৈ আমিও স্বচ্ছন্দে সাহিত্য লিখিবলৈ সমৰ্থ হব পাৰোঁ।

ইয়াৰ বাহিৰে আৰু কি আছে?

নিৰ্ম্মল নিৰ্দ্দোষ, আছে হেমকোষ,
সাহিত্য লিখাৰ সহায় স্থল।
চন্দ্ৰকান্ত প্ৰাণ, আছে অভিধান,
সাহিত্য লিখাৰ মহৎ বল॥

এই কথা সকলোৱে জানে যে অকল পাচ কৰা বিদ্যাই বিদ্যা নহয়। অধ্যয়ণ বিদ্যাহে আচল বিদ্যা। নানান দেশৰ নানান গ্ৰন্থ পাঠ কৰি তন্নিহিত জ্ঞানৰাশি যি লাভ কৰিব পাৰিছে, পাচ কৰা বিদ্যা নাথাকিলেও তেওঁ বিদ্বান। আৰু যি পাচ কৰা বিদ্যাকে বিদ্যা বুলি সাৰটি ধৰি অধ্যয়ণ বিদ্যালৈ পিঠি দিয়ে তেওঁ বিদ্বান হৈয়ো অবিদ্বান। অধ্যয়ণ বিদ্যাৰ দ্বাৰা বিদ্যা আৰ্জ্জিবলৈ হলে, য'ত য'ত শিক্ষিতৰ সংখ্যা সৰহ, সেই সেই ঠাইত একোটি পুথি ভঁৰাল কৰি লোৱা উচিত। তেনে হলে সাহিত্যিকৰো সংখ্যা বাঢ়িব আৰু সাহিত্যৰো উন্নতি হব। এতিয়া মোৰ ৰচনা শেষ হলেই বুলিব লাগে। কেৱল উপসংহাৰত এটি ক্ষুদ্ৰ কবিতা গাই ৰচনাৰ সামৰণি মাৰিম। কবিতাটিৰ নাম জন্মভূমিৰ প্ৰতি মিনতি উক্তি।

১। কৰযোৰে আমি কৰিছোঁ মিনতি,
দুখিনী জননী জনম ভূমি।
দুৰ্ব্বল সন্তান সকলৰ দিয়া,
হৃদয়ত বল সাহস তুমি॥

২। কোননো ৰাজ্যৰ দিম পটন্তৰ,
সৌ যে মাৰ্কিন জাপান চীন।
অচিৰতে আই আনি দিম আমি,
নিশ্চয় তোমাকো তেনেটি দিন॥

৩। কৃষি বাণিজ্যৰ অতুল প্ৰভাৱে,
কৰিম তোমাৰ দাৰিদ্ৰ্য দূৰ।



শিল্প বিজ্ঞানৰ অতুল ঐশ্বৰ্য্যে,
কৰিম তোমাৰ ভঁৰাল পূৰ॥

৪। নানান দেশৰ শিক্ষা জেউতিৰে,
উজ্জ্বল কৰিম তোমাৰ মুখ।
অসাধ্য সাধনে নিশ্চয় বঢ়াম,
তোমাৰ গৌৰৱ সুখ্যাতি স্তুপ॥

৫। তোমাৰ গৌৰৱে নিশ্চয় কৰিম,
গোটেই ধৰণী গৌৰৱময়।
সকলোৱে মিলি উচ্চস্বৰে গাম,
জয় ভাৰত জননীৰ জয়॥

শ্ৰীধনাই বৰা
অৱসৰ পোৱা স্কুল শিক্ষক।
২৩ ডিচেম্বৰ ১৯৩৪ চন।

---

# গল্প-লেখক—

কৈঁহোৰাম কঁহাৰৰ একেটি পো নাঙলৰাম যিদিনা এই ভূভাৰতত অৱতীৰ্ণ হয়, সেইদিনা বাপেকৰ কঁহাৰ-শালৰ কাঁহি-বাটিবোৰ আপুনি বাজি উঠিছিল নে নাই কোনেও কব নোৱাৰে; কিন্তু মাটি-মাহৰ গছৰ পৰা পৰি নমৰি একঠা চাউল পৃথিৱীত থাকলৈ জীয়াই থকা সেই পঁয়ালগা নাঙলুৱে যি বছৰ 'বে' ( বি-এ শুচি 'মে' (এম্-এ) হোৱাৰ উপৰিও, তেওঁৰ পিছৰ জীৱনত ঘটাকৈ অনং জীৱন-বৃত্তিৰ ( বি-এল ) উপাধিৰ নেগুৰ জোৰা লগাই দীঘলকৈ লৈ পাৰি বহিল, সেই দিন কেইটা অকল কৈঁহোৰামৰ ঘৰখনৰে নহয় সেই নৈপৰীয়া কঁহাৰ গাঁওখনৰে বুৰঞ্জীত এক নহবৰ-হ'ল কিবা বুলিছেনে এক অভাৱনীয় অনিৰ্ব্বচনীয়, অভিনৱ, অপূৰ্ব্ব ব্যাপাৰ!

কৈঁহোৰামৰ আগিক অৱস্থা বুলিবলৈ এসাঁজ খালে ইসাজলৈ টেকেলি-কাতি! কিন্তু মানুহটো আছিল সদায় মুকলি মনৰ। এটা কথা ভাবি মাপোন আগেয়ে কৈঁহো-ৰামৰ মন বেয়া হব খুজিছিল; কত সাধি সাধি বিয়াৰ বাৰ বছৰৰ পিছত যিটি লৰা হল, সিও পঁয়া লাগি কৰমপিহে এতিয়া যমৰ গু-মূত খাই জীয়াই আছে; আন নালাগে, 'বে' 'মে' হৈও তাৰ ওপজা মুখখনেই গলনি হব নাজানিলে! নাঙলুৰ মাক মৰিল সি কেচুৱা হৈ থাকোঁতেই, এতিয়াও সি মাকৰ মুখখন কেনে আছিল একোপধ্যে মনত পেলাব নোৱাৰে! লৰাটোৰ কিন্তু মনটিৰ আঁহ-পাহ আছিল মুকলি; কথা এটি এবাৰ শুনিলে দুনাই শুনিবৰ তাৰ আৱশ্যক নহয়। কিন্তু হলে হব কি? ভেকুলিৰ পিঠিত নো ক'ত সতকাই নোম গজে?

কঁহাৰ-গাঁৱৰ আটাইবোৰ কঁহাৰ আহে সময়ে সময়ে নগৰত কাঁহিহন, বাটিতো বেচি দুপইচা উলিয়াবলৈ বুলি। সিহঁতৰ লগতে আহে কৈঁহোৰাম, লৰাটিক বুঢ়ী-মাকৰ লগত থৈ। ৰাধাচৰণ চৌধাৰী নগৰৰ পেঞ্চনভোগী হাকিম, আগেয়ে মাটিহাকিম হৈ থকা কালৰে পৰা সেই কাঁহৰ গাঁওখনৰ নাড়িয়ে-ভুকুৱে চিনি পোৱা। তেওঁৰ ঘৰলৈকে কাঁহি-বাটি লৈ কঁহাৰহঁত প্ৰায়ে যায়। এদিন সেই 'অনাহাৰী মেজিষ্ট্ৰেট হাকিম ডাঙৰীয়াই কৈঁহো-ৰামক দেখি ঘৃণ্তৌ কৰি কলে, 'কৈঁহো, মোৰ ঘৰত কাউনি-পাচনি এখন কৰিবলৈ তোৰ লৰাটোকে থব পাৰ। দুপইয়া মানুহ দুপইছা পাবি।' কৈঁহোৰামে অলপ পৰ তভক্ মাৰি থাকি কলে, 'দেউতা বন্ধায়ে সংসাৰ কৰিবোঁ; ঘুণ্ডিলে। বাৰ বছৰৰ মুৰত যি কৈটি এপাত হল, সিও কুকৰীয়াতে মাকৰ মুৰ খালে। সচা হওক, মিছা হওক, তাকে টোপোলা বান্ধি লৈ ফুৰাইছোঁ। মৰিবৰ বেলিকা মাকে একাষাৰ কথা কৈ

গল, 'বাছাটোক দুখ নিদিবা।' কাৰ কোবাই যি এটা পইছা পাওঁ, তাৰ কাৰণেহে। পিছে, দেউতা! শঙ্কৰ প্ৰভুৱে কৈয়ে গৈছে নহয়, বোলে "যত দেখা পুত্ৰ ভাৰ্য্যা সবে অকাৰণ। চাই মাত্ৰ থাকে কালে ধৰে যেতিক্ষণ॥" তাতেকৈ মই আশা কৰা নাই। সেইবোৰো দেউতা-সবৰেই বন্দী-বেটী দেখোন! সেইবুলি, দেউতা! তাক বেচি মই সুখ নিকিনো, নিকিনো! সি কেনেবাকৈ কৰ-বাত অকণমান দুখ পালে, মোক তাৰ মাকৰ শাৰে ছুব!!' এই বুলি কেঁহোৰামে বৰ নোৱাৰি হুক্‌হুক্‌কৈ কান্দি পেলালে।

নাঙলু নগৰ পালেহি। কথাৰ মানুহ কেঁহোৰামে লৰাটিক অনৰেৰী মেজিষ্ট্ৰেটৰ ঘৰত থলেহি; কিন্তু তেওঁৰ পৰা দুপইছা পোৱাৰ আশা কৰি নহয়। মাজে সময়ে পাইটো-পইছাটোৰ কথাই নাই, ভাল বস্তু এটা পালে সাঁচি-ৰাখি এদিন নিজে আহি বা লোকৰ হাততে হাকিমৰ ঘৰত লৰাটিক দি যায়। হাকিমেও কেঁহো-ৰামৰ মৰমতে হওক বা নাঙলুৰ পঢ়াত ধাউতি দেখিয়ে হওক, তাক পঢ়াশালিত নাম লগাই দিয়ালে। লাহে লাহে সি ইংৰাজী বিদ্যালয় পালেহি, লগে লগে তাৰ আঁহ-পাহ যি মুকলি হলেই, নামৰো এটি উন্নত সংস্কৰণ হল। পঢ়াশালিত দুখীয়া লৰা বুলি সি বিনা-মাছুলেই পঢ়িবলৈ পায়; ফলি-পুথি, চুলাপাতৰ পইছা কেতিয়াবা কেঁহোৰামে আৰু কেতিয়াবা হাকিমেই দিয়ে। খায় অৱশ্যে হাকিমৰ ঘৰতে; কোনো টান কাম নাঙলুৱে কৰিব নালাগে, কিয়নো হাকিমৰ ঘৰত লগুৱা-লিগিৰীৰ আটক নাই,— কেৱল হাকিমৰ থপাত চিলিম লগোৱা, কেতিয়াবা জোতাযোৰ পিন্ধাই দিয়া, হাকিমৰ ন'কৈ খোলা বাগিচা খনৰ কামত মাজে-সময়ে ইফালে-সিফালে যোৱা এয়ে যথেষ্ট।

নাঙলুৱে "এডেও, ছুডেও, এইহে লোটা নিবৰ ছেও" কৰি লাহে লাহে কলেজ খেলাবলৈ পালেহি, কিন্তু পুৰণি চিনাকি বুলি বহুতে এতিয়াও তেওঁক নাঙলু বুলিয়েই সম্ভাষণ কৰে। কটন কলেজত 'বে' আৰু কলিকতা মহানগৰীত 'মে' আদি ফাচ্‌-ফুচ্‌ ( Pass ) কৰি তেওঁ ঘূৰি আহিল। কিন্তু, অকল ইমানেই নহয়; ইয়াৰ ভিতৰতে তেওঁ সাহিত্য-চৰ্চ্চাত ভিতৰে বাহিৰে প্ৰায় দিহচীয়া বা আধাপকা হৈ উঠিল। পঢ়ুৱাই সমাজ গঠন কৰিবৰ কাৰণে বঙলাৰ দৰে সকলো সাহিত্যত যে "গল্প"ই একমাত্ৰ "নাগাৰ্জ্জুনৰ বড়ি,"—বুদ্ধই এদিন হঠাৎ জ্ঞানৰ পোহৰ পোৱাৰ দৰে, নাঙলু দাসেও এই জ্ঞানৰ বিজুলী দেখিলে। তাতোকৈ আগতে তেওঁ দেখিলে যে 'বে' 'মে' হৈও ছৰ্কাৰী চাকৰি নিমিলিব পাৰে; যদি তাৰ আগতে নিজ নামটো সাহিত্য-চৰ্চ্চাৰে ভোটা তৰাৰ দৰে জ্বলাই লব পাৰি, তেন্তে তেওঁৰ বুকুৰ পৰা ই-এ-ছি নমিনেশ্যনৰ আশা কোনে কাঢ়ি নিয়ে?

ইফালে, যেই এম্-এ, বি-এল্ হল, তেতিয়াই ভাবিলে যে তেওঁৰ সহায়কাৰী সেই হাকিম ৰাধা চৌধাৰীৰ লগত তেওঁৰ মুনি-মুষিক সম্বন্ধ; যিমান দিনলৈকে তেওঁলোকৰ লগত সম্বন্ধ ৰাখে, সিমান দিনলৈকে তেওঁ 'হাকিমৰ ঘৰৰ জোতা মলি থোৱা' এই অযথা অপবাদ দূৰ নহয়; গতিকে তেওঁ নিজে হাকিমটো হৈ লৈহেই সেই সম্বন্ধ ছিঙিব বুলি থিৰ কৰিলে। কিন্তু যিদিনা বয়স-বেচি হৈ সেই আশা দুৰাশা বা নিৰাশাত পৰিণত হল, তেতিয়াই তেওঁ আন মূৰ্ত্তি ধাৰণ কৰিলে। তেওঁ ভাবিলে;—'হাকিম নহলোঁ কি হল? উকীল হৈয়ো তো হাকিমৰ মান আদায় কৰিব পাৰি! কেৱল তাৰ 'কায়দা' জানিলেই হল! 'কৌপিনৱন্তঃ খলু ভাগ্যৱন্তঃ", শুচি "কোট্‌-পেণ্টৱন্তঃ খলু ভাগ্যৱন্তঃ" হৈছে যেতিয়া, হাকিমৰ নমিনেশ্যন্‌ বিচাৰি যোৱা এই 'ছুট্‌' যোৰ অৱশ্যে খাটিব 'ডাঙৰ উকীল' বুলি জাহিৰ্ কৰা বিদ্যাত। "হেট্‌' পিন্ধি ফেট্‌ ফুলি ফুৰিলে আন নহলেও মোৰ নৈ-পৰীয়া কঁহাৰ কেইটাই নিশ্চয় হাকিম বুলিয়ে ভাবিব! আৰু "এম-এ বি-এল"!! ৰাধা চৌধাৰী কি? বি-এ পাছো নহয়! তাৰ উপৰি মোৰ সাহিত্যিক চাপ্‌ৰাছ্‌! ইত্যাদি ইত্যাদি।

নাঙলুৱে এতিয়া থাইকৈ ভাবিলে সাহিত্যত কি দৰে এটা ডাঙৰ নাম "কিল্লা ফটে" কৰা যায়! অসমীয়া সাহিত্যত এইটো অৱশ্যে সহজ। তেওঁ ভাবিলে বাপীত্‌ খৰ কথা। তেওঁতো বিদ্ৰূপাত্মক সাহিত্য লিখিয়েই



প্ৰখ্যাত হল। সেই *Doctor's Dilemma*! এও ভাবিলে—'মই কি লিখোঁ? ডাক্তৰৰ বিষয়ে? নহয়; তেতিয়া লোকে মোক বাৰ্ণাড্‌শ্বৰ অনুকৰণ কৰা আৰু সেইদেখি তেওঁতকৈ তল শ্ৰেণীৰ সাহিত্যিক বুলিব। মই মৌলিকতা দেখুৱাম, 'অসমীয়াত' উলিয়াম:—Tea-planters—চাহ-খেতিয়কবোৰক বিদ্ৰূপ কৰোঁ। এওঁলোকেই অসমীয়া aristocracy. এওঁলোকক বিদ্ৰূপ কৰি লাভ আছে। বাটেদি অনেক ভাল মানুহ যায়; কুকুৰে ভুকিলেও তেওঁলোকে উলটি চাইহে পাৰে,—মোৰ বিদ্ৰূপ তেওঁলোকে অন্ততঃ উলটি চাব? আৰু সেই ৰাধা চৌধাৰী — তেওঁক অন্ততঃ দেখুৱাব পাৰিম, নাঙলু এম্‌-এ, বি-এল্‌, সাহিত্যিক। হাকিম নহল, চাহ-খেতিয়ক নহল, কি হল? আৰু আছে; লব্ধপ্ৰতিষ্ঠ দুই একজন সাহিত্যিক আৰু কবিক তোষামোদ্‌ কৰি, তেনে আম কেজনমানক বিদ্ৰূপ কৰি, পাৰিলে অলপ তললৈ নমাই দেখুৱাবলৈ প্ৰয়াস পাম। তাৰ ফলত, আগৰ কেজনে যেতিয়া পৰস্পৰ-প্ৰশংসা-সমাজৰ সমজুৱাৰ কৰ্ত্তব্য পালি মোক সাহিত্যিক, পাতনি-লেখক বুলি দহৰ আগত মানদী দিব; পাছৰ কেজনে অন্ততঃ উলটি চাই গালি এষাৰকে পাৰিলে বা অৱজ্ঞাৰ হাঁহি এটাকে মাৰিলে, সিও হলাগাত! এইদৰেই সৰুও ডাঙৰ হব পাৰে; কেৱল আওপাকে হলেও ডাঙৰৰ ( আক্ৰমণ কৰিয়েই বা ) লগত না উঁহাব পাৰিলেই হল;

স্থানীয় "সাহিত্য" নামৰ মাহেকীয়া আলোচনীৰ পাছত তেওঁ এই প্ৰতিজ্ঞা অনুসৰি লিখনী চলাবলৈ ধৰিলে, অৱশ্যে সম্পাদকৰ লগত বিশেষ ভিতৰুৱা খাটিব বা খাটনি ধৰি। বৰ্ত্তমান সাহিত্যৰ "নাগাৰ্জ্জুনৰ বড়ি" চুটি-গল্পই তেওঁৰ থাই সমল, কিয়নো ইয়াৰ মহিমা তেওঁৰ সুবিদিত। "প্লট," "ৰুচি" আদিৰ তেওঁ ধাৰ নাধাৰ; কাৰণ তেওঁ প্ৰতিভাসম্পন্ন লেখক, সেইবোৰ বাক্স-ছাটত সোমাব কিয়? যদি সেইবোৰ নিজে আহি তেওঁৰ গল্পৰ ভুৰুকাত হস্তীৰূপে প্ৰবিষ্ট হয়, সেইটো, তেওঁ লিখিবৰ দৰে, "ছ' ফাৰ্ ছ' গুড"! যদি নোসো-মায়, তাৰ বাবে তেওঁৰ গল্প প্ৰতিভা-হীন হৈ পৰিব নোৱাৰে। কোনোবা একজন প্ৰতিভাশালী বঙালীক তেওঁৰ বিশিষ্ট কোনো বঙালী বন্ধুৱে সাহিত্য সেৱাটৈ উৎসাহ দিছিল হেনো, বোলে "তুমি যিহকে লিখা, সেয়ে সাহিত্য হব।" আমাৰ এই প্ৰতিভাশালী ডেকাকো যে 'তুমি যিহকে লিখা সেয়ে চুটি-গল্প হব" বুলিবলৈ তেওঁৰ কোনো বিশিষ্ট বা অশিষ্ট বন্ধু নাছিল, এইটো ডম্বৰ নহয়।

"সাহিত্য"ত তেওঁৰ চুটি-গল্পৰ উজান উঠিল; তাত তেওঁৰ পলাগলি-সমাজৰ সমজুৱাসকলে যি পাওক, যি নাপাওক, অপলাগী অসমীয়া সাহিত্য-সমাজৰ বুণত সেই আউনী-পাণৰ একো ৰাং ধৰা দেখা নগল। তেওঁৰ গল্পত "উইট," 'হিউমাৰ," "ছেটায়াৰ," ৰং-ৰহইচ, বঙ্গালি-"অসভ্যালি" সকলো সোমাল; "মনোবিজ্ঞান"-'ধনোবিজ্ঞান" বা মনস্তত্ব-'ধনস্তত্ব'; খোপাছা আদি নতুন "স্কুল"ৰ গল্প-লেখকৰ ধৰণ, সোপাই সোমাল;—অথচ তেওঁৰ গল্পই সেই বাঞ্ছিত হৈ-চৈ এটা অসমীয়া সমাজত তুলিব নোৱাৰিলে! ই তেওঁৰ লাজ হব নোৱাৰে, নিশ্চয়; প্ৰতিভাৰ আদৰ কৰিব নজনা অসমীয়া সমাজৰে ই বৰ অকীৰ্ত্তিকৰ কথা, এই বাবেহে তেওঁ ঘৃণিত, লজ্জিত। তেওঁ আউসী বুলিহে কব পাৰে, নাঙল-যুৱলি কাটিব পাৰে জানো? লৰা-বুঢ়া, ডেকা-গাভৰু, চাহ-খেতিয়ক—ধান-খেতিয়ক আটাইৰে মনোৰঞ্জনৰ বাবে তেওঁৰ নিচিনা প্ৰতিভাশালী লোকে লিখনী ধৰিছিল, যদি কাৰো মনোৰঞ্জন নহল, তেওঁৰ ভাষা তেওঁৰ মুখখনৰ দৰে শুকান আৰু unpolished দেখিলে, ভাবত একো নতুনত্ব নাপালে, গোটেইবোৰ মাজনিশা তেলৰ খোৰাঁৰে ধুৰলি-কুৰলি পালে, তেনে "কোহত্ৰ দোষঃ?"

আনে যাৰণৰ দহ মুখেৰেই তেওঁৰ বিপক্ষে কওক, তেওঁৰ গল্প-সাহিত্যৰ প্ৰতিভা-সম্পৰ্কে এনে এটা অনন্ত প্ৰমাণ আছে যে কোনো পথালি-চকুৱাই তাক দুই কৰিব নোৱাৰে। নাঙলুৰ গাঁৱৰ নিম্ন-প্ৰাথমিক পঢ়া-শালিত প্ৰথম, দ্বিতীয় শ্ৰেণী মানলৈকে পাঠ কৰা কেই-দাটাও কন্যাৰ ভিতৰত এটীয়ে তেওঁৰ গল্পৰ মোহত এনেদৰে মুগ্ধ হৈছিল যে অৱশেষত নাঙলু admirer-

বৎসল হৈ সেই অনুৰাগিণীৰ পাণি গ্ৰহণ কৰিবলৈকে বাধ্য হৈছিল। যদিও মাণ্ডলুৰ থাকিবে এই পৰিণয়-সূত্ৰৰ অনেকে অনেক ব্যাখ্যা দিয়ে, সেইবোৰ বৰ্ত্তমান ক্ষেত্ৰত আমি মানিব নালাগে। যিয়েই হওক, সম্প্ৰতি সেই ভাৰ্য্যাৰে মাণ্ডলুৰ তিনটি সন্তান জন্মিছে; এতিয়া তেওঁ মাণ্ডলুৰ অনুগামিনী সচা, কিন্তু আৰু সেই গল্পৰ অনুৰাগিনী নিশ্চয় নহয়। একালত যে স্বৰূপতে আছিল তাকো বৰ্ত্তমান অৱস্থাত ভাবিবই নোৱাৰি। আগেয়ে তেওলোকৰ যোৱা চাই পণ্ডিত-বামুণে কি পাইছিল নাজানো, এতিয়া যে তেওঁলোক অৰি-ষড়ষ্টক তাত সন্দেহৰ থল নাই। মাণ্ডলু জৰা গছৰ তলে তলে ফুৰি গধূলি যেতিয়া শুকান মুখেৰে শুদা হাতেৰে ঘৰ সোমায়হি আৰু কোট-পেণ্ট ত্যাগ কৰি ঘৈণীয়েকৰ হাতৰ কাণৰ কেঁডালৈলৈ সতৃষ্ণ নয়নে চাই থাকে, তেতিয়া তেওঁলোকৰ মাজত গল্পৰ উপাদান সচাকৈয়ে প্ৰত্যক্ষ হয়।

ইফালে 'সাহিত্য'ৰ সম্পাদকৰ লগতো তেওঁৰ সম্বন্ধৰ বিকাৰ ঘটিবলৈ ধৰিলে। তেওঁৰ গল্পৰ বাবে কাকতৰ 'কাটৃতি" সৰহ হওক চাবি, টুটিবলৈহে ধৰিলে। সৰবৰহী হোৱা দূৰৰ কথা, এই লেখকৰ বাবেই কাকতখনৰ কুযশ সকলোৱে চাৰিওফালে ৰটিবলৈ পৰিলে। তেতিয়া সম্পাদকে বাধ্য হৈ তেওঁক সতৰ্ক বাণী শুনালে। গতিকে তেওঁৰ চৰণীয়া পথাৰ শুচিল। ইফালে পৰা-তিক্ততা লৈ প্ৰবাসত 'ষ্টাইল্‌" কৰাৰ কালো উকলিবলৈ ধৰিলে। তেতিয়াহে তেওঁৰ মনলৈ নিজৰ নীচ আৰু অসৎ কাৰ্য্যৰ বাবে অনুতাপ আহিবলৈ ধৰিলে। সেই অনুতাপৰ চকুলোৰে গঙ্গাজলৰূপে তেওঁৰ অন্তৰৰ মলি ধুই নিলে। সেই অন্তৰত তেওঁ নিৰ্ম্মল দেখা পালে—সেই মাতৃহীন মিছলা ছখীয়াৰ লৰা। আৰু দেখিলে তেওৰ পৰম উপকাৰী বাধা চৌধাৰীক! "যাৰ ক্ষহত শাক-সেন্দুৰ, তাক পাতিছে ভোকোৱা এন্দুৰ!" এওক শত্ৰু জ্ঞান কৰা পাতকৰ তেওঁৰ পৰাচিত তেতিয়াও সম্পূৰ্ণ হোৱা নাই!! আৰু মগত পৰিল, "মানুহ" নোহোৱাকৈ তেওঁ পোনেই কেনেকৈ "ডাঙৰ মানুহ" হবলৈ গৈছিল! আৰু সাহিত্যৰ নিচিনা মহৎ আৰু পবিত্ৰ কাৰ্য্যকে বা তেওঁ কি নীচ কামত লগাবলৈ চাইছিল!! তেওঁ তেতিয়া বুজিলে তেওঁ কেনেকৈ বাট এৰি অবাটে গৈছে, সততৰ লগত কি দৰে ভেটা-ভেটি হওঁ-হওঁ অৱস্থা তেওঁ পাইছেগৈ!!

মাণ্ডলু ছাত্ৰ অৱস্থাত মহাত্মাৰ টলষ্টয়ৰ শিষ্য আছিল আৰু তেওঁৰ সাধুবোৰ পঢ়ি সেই আদৰ্শেৰে অনুপ্ৰাণিত হৈছিল। "ডাঙৰ" হোৱাৰ ভাবনাই তেওঁৰ মুৰ ঘোলা কৰাৰ আগতে তেওঁ তেনে এবিধ সাধু সাহিত্যোৰে, টলষ্টয়ে কছিয়াক নৱজীৱন দিয়াৰ দৰে, মুমূৰ্ষু অসমীয়া জাতিলৈ স্বৰ্গীয় সঞ্জীৱনী অনাৰ কথাকে পাতিছিল; তেওঁ এতিয়া আকৌ সেই বাটৰ বাটকৰা হবলৈ সংকল্প কৰিলে। প্ৰবাস এৰি, ভেদ এৰি, তেওঁ আকৌ সেই বাধা চৌধাৰীৰ আলমতে সাধু ব্যৱসায় স্বৰূপে ওকালতি কৰিবলৈ মন মেলিলে। বাধা চৌধাৰীয়ে তেওঁৰ মানসিক এই পৰিবৰ্ত্তনৰ কু ভালকৈ নাপালেও তেওঁৰ এনে সুমতি দেখি অতিশয় আনন্দ পালে।

এতিয়া মাণ্ডলুৱে বাধা চৌধাৰীৰ টোলৰ কাষতে এডুখৰি মাটি লৈ ঘৰ-বাৰী কৰি শান্তিৰে থাই লৈ আছে। "ডাঙৰ" হোৱাৰ ভাবনাই এতিয়া আৰু তেওঁক আমনি কৰিব নোৱাৰে। তেওঁৰ ঘৈণীও এতিয়া তেওঁৰ প্ৰতি সন্তুষ্ট। মিছা সাক্ষী সজা আদি অপচেষ্টাত তেওঁৰ সময়ৰ অপব্যৱহাৰ নহয়, সৎ চেষ্টাৰেই ওকালতিত বৰ্ত্তমান তেওঁ যথেষ্ট আয় আৰু নাম কৰিছে। আহৰি সময় তেওঁ এতিয়া সাহিত্য-সেৱাতে কটায়। এদিন তেওঁ ঘৈণীয়েকক আবেলি কাছাৰীৰ পৰা আহি জুৰ লোৱাৰ ছলতে টলষ্টয়ৰ আদৰ্শত লিখা এটি প্ৰবন্ধ পঢ়ি শুনালে। ঘৈণীয়েকে মন্তব্য কৰিলে "আপোনাৰ আগৰ বাৰ-বিঙ্কৰাবোৰতকৈ ই এশগুণে ভাল হৈছে।" মাণ্ডলুৰ মুখত এটি আশীষপূৰ্ণ হাঁহি বিৰিঙি উঠিল।

# ৰামকৃষ্ণ পৰমহংস

জগতত যেতিয়া অন্যায় অত্যাচাৰৰ প্ৰকোপ বেছি হয়, ধৰ্ম্মৰ প্ৰকৃত পথ হেৰুৱাই মানুহে যেতিয়া সত্যৰ পৰা বিচলিত হ'বলগীয়া হয়, তেনে অৱস্থাত পৰমেশ্বৰে নিজৰ শক্তিৰ কিছুমান অংশ দি জীৱজগতৰ মাজলৈ এজন লোক পঠিয়াই দিয়ে, উদ্দেশ্য-সেই মহাপুৰুষৰ যোগে অসত্যৰ ধ্বংস কৰি সত্য প্ৰচাৰ কৰি জীৱজগতৰ কল্যাণ কৰা। এনে মহাপুৰুষসকলক অৱতাৰ বোলা হয়। ভগৱান ৰামচন্দ্ৰ, শ্ৰীকৃষ্ণ বুদ্ধদেৱ, যীশুখৃষ্ট, মহম্মদ, শঙ্কৰাচাৰ্য্য, শঙ্কৰদেৱ, ৰামকৃষ্ণ আদি লোক সকল এই হাজাৰ শ্ৰেণীৰ মহাপুৰুষ। এইসকল লোকে 'হাজাৰ লোকক বেলৰ ইঞ্জিনৰ নিচিনাকৈ ঈশ্বৰৰ ওচৰলৈ লৈ যায়।

আজিৰ পৰা ঠিক এশ বছৰৰ আগতে ১৮৩৬ খৃষ্টাব্দৰ ১৭ ফেব্ৰুৱাৰি মাহৰ শুক্ল পক্ষৰ দ্বিতীয়া তিথিত ৰাতি একত্ৰিশ দণ্ড যোৱাৰ পাচত বঙ্গদেশৰ হুগলি জিলাৰ কমাৰ পুখুৰী (কামাৰ পুকুৰ) নামে গাঁৱৰ শ্ৰীক্ষুদিৰাম চট্টোপাধ্যায় নামে এজন দৰিদ্ৰ ব্ৰাহ্মণৰ ঔৰসত শ্ৰীচন্দ্ৰামণি দেৱীৰ গৰ্ভত পৰা অশেষ কল্যাণগুণসম্পন্ন শ্ৰীৰামকৃষ্ণ-দেৱৰ আবিৰ্ভাব হয়। যি সময়ত ৰামকৃষ্ণদেৱৰ জন্ম হয় সেই সময়ত ভাৰতত কেউফালৰ পৰা ধৰ্ম্মৰ গ্লানি হৈছিল। হিন্দুৱে হিন্দু ধৰ্ম্মৰ প্ৰকৃত মৰ্ম্ম পাহৰি কেৱল বাহ্যিক আড়ম্বৰপূৰ্ণ ক্ৰিয়াকাণ্ডবিলাকত আৰু প্ৰতি-মাকেহে দেৱতাবুদ্ধি কৰি মাটিৰ প্ৰতিমা বিলাকত মাথোন আস্থা ৰাখিলে, ইপিনে সামাজিক আচাৰত অলপ ত্ৰুটি হলেই জাতিৰ পৰা বাদ পৰিব লগা হ'ল। সমাজৰ সংৰক্ষণশীলতা ইমান বেছি হ'ল যে এদল লোকে হিন্দুধৰ্ম্মৰ বিপক্ষে থিয় দিলে। এই সময়তে উদাৰনীতিক দলে ব্ৰাহ্মধৰ্ম্মৰ প্ৰচাৰ আৰম্ভ কৰিলে, ইফালে পাশ্চাত্য সভ্যতাই ভাৰত জুৰি শিপাবলৈ ধৰিলে। এই সময়তে কোনো নতুন বস্তুলৈ সকলোৱে হেঁপাহ হয়। খৃষ্টান মিছনেৰী সকলে খৃষ্টধৰ্ম্ম প্ৰচাৰৰ সুযোগ পালে। পাশ্চাত্য জড়বাদী সভ্যতাৰ আৰু খৃষ্টান মিছনেৰীসকলৰ উপা-কথিত উদাৰ মতত আৰু বাহ্যিক ৰমণীয়তাত ভালেমান হিন্দুৱে বিদ্ৰোহ আচৰিবলৈ ওলাল। এই সময়তেই সকলোৱে যেন কিবা এটি বিচাৰিছিল। ক'তো কোনো সন্তুষ্ট নহয়, মহাপুৰুষ শ্ৰীৰামকৃষ্ণ দেৱৰ আবিৰ্ভাৱত সকলোৱে অভাৱ পূৰ্ণ হল। ঐতিহাসিক সকলে হিন্দুধৰ্ম্মৰ সাৰমৰ্ম্ম বিচাৰি পালে, সকলো সাম্প্ৰদায়িকতা লোপ হল। ভাৰতীয়ই শঙ্কৰাচাৰ্য্যই দেখুওৱা পথলৈ আকৌ ঘূৰি গল। বিভিন্ন ধৰ্ম্মাৱলম্বীসকলে হিন্দুধৰ্ম্মৰ সাৰ্ব্বজনীনতা উপলব্ধি কৰিলে। পৃথিবীব্যাপি হিন্দুধৰ্ম্মৰ বিশাল পতাকা উৰিবলৈ ধৰিলে।

ভগৱান ৰামকৃষ্ণ, যীশুখৃষ্ট আদি অৱতাৰী পুৰুষসকলৰ জন্মবৃত্তান্ত যেনে দিব্যকাহিনীৰে পৰিপূৰ্ণ, ৰামকৃষ্ণ দেৱৰ জন্মবৃত্তান্ততো তেনে দিব্যকাহিনী জড়িত আছে। ৰামকৃষ্ণদেৱৰ পিতৃদেৱেক ধন-সম্পত্তিৰ দুখীয়া হলেও মনৰ দুখীয়া নাছিল। তেওঁ ৰঘুবীৰ ৰামচন্দ্ৰৰ একান্ত ভক্ত আছিল। তেওঁ ৰঘুবীৰৰ পূজা-সেৱা নকৰাকৈ পানী এটোপাও গ্ৰহণ নকৰিছিল। তেওঁৰ সহধৰ্ম্মিনী শ্ৰীমতী চন্দ্ৰাদেৱীও ধৰ্ম্মপৰায়না একান্ত সতী আছিল। তেৱেঁ। ধৰ্ম্মৰ অনুষ্ঠান সকলোখিনি অতি সাৱধানে পালন কৰিছিল। ক্ষুদিৰাম চট্টোপাধ্যায় কমাৰপুখুৰীলৈ অহাৰ আগতে দেৰেগ্ৰাম নামে আন এখন ঠাইত বাস কৰিছিল; সেই গাঁৱৰে জমিদাৰজনে কিবা এটা মিছা সাক্ষী কৰলৈ বুলি ক্ষুদিৰামক অনুৰোধ কৰি ভালেমান ধন-সম্পত্তি দিব বুলি প্ৰলোভন দেখুৱাইছিল; কিন্তু ক্ষুদিৰামে মিছা সাক্ষী কৰলৈ অমান্তি হৈ সেই গাওঁ ত্যাগ কৰিব লগীয়া হল। তাৰ পাছত তেওঁলোকে আহি কমাৰপুখুৰীত বসতি কৰিলে। এই কমাৰপুখু-ৰীতেই শ্ৰীৰামকৃষ্ণ পৰমহংস দেৱৰ জন্ম।

ইয়াতেই তেওঁ প্ৰথম প্ৰথম পঢ়াশালিত অধ্যয়ন কৰে। সৰুৰেপৰা পাঠশালাৰ পঢ়াশুনাত ৰামকৃষ্ণদেৱৰ বিশেষ মনোযোগ নাছিল। পঢ়াশালিত গৈ ৰামকৃষ্ণদেৱে মাটিৰ

পুতলা সাজি ৰং ধেমালি কৰি সময় নিয়াই।

ক্ষুদিৰাম চট্টোপাধ্যায়ৰ বৰপুতেকৰ নাম ৰামকুমাৰ। ৰামকুমাৰে কলিকতাত ঝামাপুকুৰ নামে ঠাইত এটি টোল স্থাপন কৰে। গাঁৱৰ পঢ়াশালিত ৰামকৃষ্ণৰ পঢ়াশুনা নোহোৱা দেখি ৰামকুমাৰে ভায়েকক কলিকতালৈ লৈ আহিল, কিন্তু তাতো তেওঁৰ পঢ়াশুনা নহল। তাত তেওঁ ৰামায়ণ মহাভাৰত পুৰাণ আদিৰ গল্পবোৰ শুনিহে কাল কটালে।

ৰামকৃষ্ণদেৱৰ ১৮ বছৰ বয়সত তেওঁৰ ককায়েক ৰামকুমাৰ কলিকতাৰ প্ৰায় ছমাইল উত্তৰে দক্ষিণেশ্বৰ নামে ঠাইৰ কালীমন্দিৰৰ পূজাৰী ব্ৰাহ্মণ নিযুক্ত হয়। এই কালীমন্দিৰ মাড়বাৰ বংশীয়া ৰাণী ৰাসমণিয়ে ১৮৫৩ খৃষ্টাব্দত নিৰ্মাণ কৰাই মহাশক্তি কালী প্ৰতিমা স্থাপন কৰে। ৰামকুমাৰে কলিকতাৰ টোল এৰি দক্ষিণেশ্বৰলৈ আহোঁতে লগতে ৰামকৃষ্ণক লৈ আহে। দক্ষিণেশ্বৰত থকা কালতে হুগলী জিলাৰ ৰামচন্দ্ৰ মুখোপাধ্যায়ৰ জ্যেষ্ঠা কন্যা ৫ বছৰীয়া শ্ৰীমতী সাৰদামণি দেৱীৰ সৈতে ৰামকৃষ্ণ দেৱৰ শুভ পৰিণয় হয়। ৰামকুমাৰে দুবছৰ মান পূজা-সেৱা চলোৱাৰ পাছত তেওঁৰ মৃত্যু হয়। ৰাণী ৰাসমণিয়ে আৰু তেওঁৰ জোঁৱায়েক মথুৰ বাবুৱে ৰামকুমাৰক বৰ মৰম কৰিছিল। তেওঁৰ মৃত্যুত পৰিয়ালৰ ভৰণপোষণ চলাবৰ উদ্দেশ্যে তেওঁৰ ঠাইত ৰামকৃষ্ণদেৱক পূজাৰী নিযুক্ত কৰে। ৰামকৃষ্ণদেৱে তেতিয়ালৈকে পূজাৰ বিধি শিকা নাছিল। লাহে লাহে তেওঁ অকপট ভক্তিৰে আহিৰ পূজাত শৰীৰ আৰু মন নিয়োগ কৰিলে। কালীমন্দিৰৰ পূজাৰ ভাৰ লোৱাৰ পৰা ৰামকৃষ্ণদেৱে অনন্য ভক্তিৰে জগন্মাতাৰ পূজা আৰম্ভ কৰিলে। তেওঁৰ একান্ত বিশ্বাস হ'ল যে প্ৰতিমাৰ ভিতৰতো প্ৰাণ আছে আৰু কাতৰে মাতিলে তাৰ পৰা উত্তৰ পাব। তেওঁৰ মতে কালীমূৰ্ত্তিয়েই বিশ্বজননী জগন্মাতা। দৈনিক পূজাৰ অন্তত তেওঁ দিন-ৰাতি অনাহাৰে অনিদ্ৰাই ঈশ্বৰীৰ পূজাতে শৰীৰ-মন সমৰ্পণ কৰিলে। স্তুতি আৰু প্ৰাৰ্থনা কৰোঁতে কেতিয়াবা কেতিয়াবা তেওঁ কান্দিবলৈ ধৰে। কেতিয়াবা ভাবাবিষ্ট হৈ দুঘণ্টা তিনিঘণ্টালৈ বাহ্য শূন্যজ্ঞান হৈ থাকে। তেওঁৰ মতে ঈশ্বৰীয়েই কথা কব পাৰে; যদি অনন্ত ভক্তিৰে তেওঁক উপাসনা কৰিব পাৰে তেন্তে তেওঁ ভক্তৰ প্ৰতি সন্তুষ্ট হয়। তেওঁ ঈশ্বৰীৰ নাম লৈ, তেওঁক ধ্যান কৰি কেতিয়াবা কেতিয়াবা বাগৰি বাগৰি কান্দিছিল। অনেকে ভাবিছিল তেওঁৰ হয় উন্মাদ অৱস্থা হৈছে, নহয় কিবা বেমাৰ হৈছে। সেই কাৰণে ৰাণী ৰাসমণিয়ে আৰু তেওঁৰ জোঁৱায়েক মথুৰ বাবুৱে কলিকতাৰ বিশেষজ্ঞ চিকিৎসক সকলৰ ওচৰলৈ তেওঁক লৈ গ'ল। কিন্তু কোনো চিকিৎসকেই তেওঁৰ বেমাৰ ধৰিব নোৱাৰিলে। কেৱল মাত্ৰ ঢাকাৰ চিকিৎসক এজনে কৈছিল যে তেওঁৰ কোনো বেমাৰ হোৱা নাছিল, তেওঁ মহাত্মা যোগী আৰু সন্ন্যাসীহে। কোনো চিকিৎসকে তেওঁৰ ৰোগ নিৰ্ণয় কৰিব নোৱাৰাত তেওঁ আকৌ দক্ষিণেশ্বৰৰ পঞ্চবটীলৈ উভটি আহিল, পঞ্চবটীত তেওঁ যোগ অভ্যাস আৰম্ভ কৰিলে, লগে লগে তন্ত্ৰ-সাধন। ৰামকৃষ্ণদেৱে কোনো গুৰুৰ সহায় লৈ প্ৰথমতে যোগ অভ্যাস বা তন্ত্ৰ সাধন কৰা নাছিল, কিন্তু অৱতাৰী পুৰুষসকলক সহায় কৰিবলৈ ভগৱানেই একো জন গুৰু পঠিয়াই দিয়ে। এনে সময়তে যোগেশ্বৰী ভৈৰবী নামে ব্ৰাহ্মণী এগৰাকী কৰবাৰ পৰা আহি যোগৰ প্ৰণালীবিলাক ৰামকৃষ্ণদেৱক শিকাই দিয়েহি। এওঁ ৰামকৃষ্ণদেৱৰ কাষত ভালেদিন আছিল। সেই সময়ত তেওঁ নথকাহেঁতেন ৰামকৃষ্ণদেৱে কিজানি স্থূল-শৰীৰ এৰিব লগীয়া হলহেঁতেন। তাৰ পিছত তোতা-পুৰি নামে সন্ন্যাসী এজন আহি ৰামকৃষ্ণদেৱক বেদান্ত আৰু সন্ন্যাস ধৰ্ম্মৰ বিষয়ে শিক্ষা দিয়ে। যোগেশ্বৰী ভৈৰবী আছিল যোগ আৰু তন্ত্ৰৰ প্ৰতীক স্বৰূপ আৰু তোতাপুৰি সন্ন্যাসী জ্ঞান আৰু সন্ন্যাসৰ প্ৰতীক স্বৰূপ। দুয়োৰে শিক্ষাৰে ফলত ৰামকৃষ্ণদেৱে এক নতুন প্ৰেৰণা পালে, যি প্ৰেৰণাই জগতৰ সকলো ধৰ্ম্মৰে সকলো মতৰে অনৈক্যৰ মাজত ঐক্য স্থাপন কৰিলে। তোতাপুৰি সন্ন্যাসীৰ পৰা সন্ন্যাস গ্ৰহণ কৰাৰ পাছত ৰামকৃষ্ণদেৱে অদ্বৈত সাধনত প্ৰবৃত্ত হয়। ইতিমধ্যতে তেওঁ মধুৰ ভাব সাধন কৰে। এইদৰে তেওঁ জটাধাৰী হৈ বাৎসল্যভাৱ সাধন কৰে। ছুফী গোবিন্দ ৰায়ৰ পৰা ইছলাম মন্ত্ৰগ্ৰহণ



কৰে। তাৰ পাছত যীশুখ্ৰীষ্টৰ ভাব সাধন কৰে আৰু খ্ৰীষ্টৰ প্ৰত্যক্ষ দৰ্শন পায়। এইদৰে তেওঁ সকলো ধৰ্ম্মৰে সকলো মতৰে ভাবাবিষ্ট হৈ শেষত নিৰ্বিকল্প সমাধি অৱস্থা পায়।

ৰামকৃষ্ণদেৱে কৈছিল মানুহক সাক্ষাৎ ঈশ্বৰ স্বৰূপ নেদেখিলে জ্ঞান সিদ্ধি নহয়। সেই কাৰণেই নিজৰ পত্নীক প্ৰত্যক্ষ ভগৱতীৰূপে ষোড়শী পূজা কৰি তেওঁৰ সকলো সাধনাৰ সমাপ্তি কৰে। শেষপাতত নিজৰ মালা সিধি জপমালাৰে সৈতে শ্ৰীসাৰদামণিৰ শ্ৰীচৰণত বৰ প্ৰাৰ্থনা কৰিলে—লোক কল্যাণ সাধন কৰিবলৈ।

তেওঁৰ মতে ৰাম, কৃষ্ণ, আল্লা, কালী, খ্ৰীষ্টসকলো পথৰ লোকেই ঈশ্বৰক পায়, কোনেও কাকো ঘিণ কৰিবৰ অধিকাৰ নাই। সকলো জীৱতে শিৱ থাকে। কামিনী আৰু কাঞ্চন এই দুয়োটিয়েই জগতক মুগ্ধ কৰি ৰাখিছে, এই দুয়োটিয়েই ভগৱান লাভৰ পথত কণ্টক। কিন্তু যদি সকলো কামিনীক মাতৃৰূপে দেখিব পাৰি তেনেহলে ভগৱান লাভৰ পথত সহায়তাহে কৰে। সেইদৰে কাঞ্চনো যদি নৰনাৰায়ণৰ সেৱাত অৰ্পণ কৰা যায় তেনে ভগৱান লাভৰ পথত সহায়হে হয়। সেই কাৰণে সেই ৰামকৃষ্ণদেৱে তেওঁৰ সহধৰ্ম্মিণী শ্ৰীমতী সাৰদামণি দেৱীক মাতৃ স্বৰূপে পূজা কৰিছিল। সাৰদামণি দেৱীয়েও আজীৱন কাল তেওঁৰ লগতে সেৱা-পূজা কৰিয়েই কাল কটাইছিল। প্ৰতিমাত ভগৱানৰ পূজাৰ বিষয়ে ৰামকৃষ্ণদেৱে কয়—মাটিৰ প্ৰতিমাৰো অধিকাৰভেদে আৱশ্যক আছে। ভগৱান অন্তৰ্যামী, তেওঁ জানে যে প্ৰতিমা পূজাৰেও তেওঁকেই পূজা কৰা হৈছে। ৰামকৃষ্ণদেৱে বেদমতে, পুৰাণমতে, তন্ত্ৰমতে, উপাসনা কৰি যি সত্য উপলব্ধি কৰিছিল সেই বিষয়ে কয় "আমি যাৰ যা ভাব তাৰ সেই ভাব ৰক্ষা কৰি। বৈষ্ণৱকে বৈষ্ণৱের ভাব ৰাখতে বলি, শাক্তকে শাক্তের ভাব। আমি সব ভাবেই কিছু কিছু কৰতাম তবে শান্তি হতো। আমি সব ৰকম কৰেছি সব পথই মানি। এখানে তাই সব মতের লোক আসে আর সকলেই মনে করে ইনি আমাদেরই মতের লোক।"

তেওঁৰ মতে "আন্তরিক হলে সকল ধর্ম্মের ভিতর দিয়াই ঈশ্বরকে পাওয়া যায়, বৈষ্ণবেরাও ঈশ্বরকে পাবে। শাক্তরাও পাবে আবার মুসলমান খৃষ্টান এরাও পাবে। আন্তরিক হলে সবাই পাবে।"

সাকাৰ আৰু নিৰাকাৰ সম্পৰ্কে তেওঁ কয়:—
'আবার কেউ২ বলে আমরা নিরাকার বলছি অতএব ঈশ্বর নিরাকার সাকার নন। এইবলে আমরা ঝগড়া কর্চ্চি হিন্দু মুসলমান, ব্রহ্মজ্ঞানী, শাক্ত, বৈষ্ণব, শাক্ত ইত্যাদি। তার সম্বন্ধে এমন কথা বলোনা যে তিনি এই হতে পারে তিনি জানেন আমি জানিনা বুঝতে পারিনা। মানুষের এক ছটাক বুদ্ধিতে ঈশ্বরের স্বরূপ কি বুঝা যায়। তিনি যদি কৃপা করে কখনও দর্শন দেন আর বুঝিয়ে দেন তা হলে বুঝা যাবে। নচেৎ নয়।"

ঈশ্বৰ সম্পৰ্কে তেওঁ কয়—"ঈশ্বর এক বই, দুই নই। তাঁকে ভিন্ন২ নাম দিয়ে ভিন্ন লোকে ডাকে। তিনি একই কেবল নামে তফাৎ। কেউবলছে গড, কেউবলে আল্লা, কেউবলে ব্রহ্ম কেউ বলছে কালী শিব, রাম, যীশু দুর্গা, একরকম তার হাজার নাম।"

লোক শিক্ষাদান সম্বন্ধে ৰামকৃষ্ণদেৱে কয় "ঈশ্বরের সাক্ষাৎ ব্যতিরেকে লোক শিক্ষা দেওয়া যায় না। যদি তিনি সাক্ষাৎ হন, আর আদেশ দেন, তাহলে হতে পারে। আদেশ না হলে কে তোমার কথা শুনবে। সে উপদেশের কোন শক্তি নাই। আগে সাধন করে বা যে রূপে হোক ঈশ্বরকে লাভ কর্তে হয়। তার আদেশ পেয়ে লেকচার দিতে হয়। তিনি সত্য সত্যই সাক্ষাৎ কার হন আর কথা কন। তখন আদেশ হতে পারে। যে তার আদেশ পায় সে তার কাছ থেকে শক্তি পায়। সে কথার জোর কত! পর্ব্বত টলে যায়।"

যথাৰ্থতে ৰামকৃষ্ণদেৱে মহাশক্তিৰে সৈতে সাক্ষাৎকাৰ হৈছিল। এদিন তেওঁৰ শিষ্য এজনে তেওঁ দেখিবলৈ কেনে বুলি সোধাত ঠিক তেওঁৰ নিচিনাই বুলি কয়।

তেওঁৰ মতে "ত্যাগী না হলে লোক শিক্ষা হয়না যাদের দ্বারা তিনি লোক শিক্ষা দেবেন তাদের সংসার ত্যাগ করা দরকার। তা না হলে উপদেশ গ্রাহ্য হয়না।

শুধু ভিতৰে ত্যাগ হলে হবেনা, বাহিরে ত্যাগও চাই, তবে লোক শিক্ষা হয়। সন্ন্যাসীও যদি মনে ত্যাগ করে, বাইরে কামিনী কাঞ্চন লয়ে থাকে, তার দ্বারা লোক শিক্ষা হয় না।”

যোগ সম্পৰ্কে তেওঁৰ মত “তার পর যোগী কাকে বলে, জানিস্? ঈশ্বরে মনটা যোগ করে দেওয়ার নামেই যোগ। কৰ্ম, ভক্তি, জ্ঞান—এ তিন পথ দিয়েই এই যোগ লাভ করা যেতে পারে। কৰ্ম কি? ভগবান উদ্দেশ্যে অথবা ভগবানকে নিয়ত মনে রেখে তারই সন্তানদের নিষ্কাম সেবা করবারই নাম কৰ্ম যোগ। এতে সংসার বন্ধন দূর করে মানুষকে ভগবানে মিলিয়ে দেয়।” ভক্তি মানে কি? ভগবানে ভালবাসা”। জ্ঞান কৰ্ম আৰু ভক্তিৰ অপূৰ্ব্ব সামঞ্জস্য ৰামকৃষ্ণদেৱেই প্ৰথম দেখুৱায়।

তেওঁৰ মতে ব্ৰহ্ম আৰু শক্তি অভেদ। “ব্ৰহ্মও শক্তিতে অভেদ, ব্ৰহ্ম যখন নিষ্ক্ৰিয় অবস্থায় থাকেন তখন তাকে শুদ্ধ ব্ৰহ্ম বলে আর যখন সৃষ্টি স্থিতি প্ৰলয় ইত্যাদি করেন তখন তার শক্তির কাজ বলে”। এদিন এজন ভক্তই তেওঁক এধাৰ কথাত জ্ঞান দিবলৈ অনুৰোধ কৰিলে। তেওঁ কলে “ব্ৰহ্ম সত্য জগৎ মিথ্যা।” তেওঁৰ মতে “অদ্বৈতজ্ঞান আঁচলে বেঁধে যা খুসী কর”।

অদ্বৈতবাদ হিন্দুৰ পক্ষে নতুন নহয়। ই বেদৰ দিনৰে পৰা চলি আহিছে। প্ৰায় সকলো উপনিষদৰেই সেই এক লক্ষ্য। ভগবান শঙ্কৰাচাৰ্য্যই খৃষ্টীয় অষ্টম শতিকাতে বৌদ্ধ ধৰ্ম্মৰ বিৰুদ্ধে থিয় হৈ অদ্বৈতবাদ প্ৰচাৰ কৰে। কেৱল জীৱ আৰু ব্ৰহ্মৰ নিৰ্গুণ একত্ব প্ৰতিপাদনেই অদ্বৈতবাদীৰ লক্ষ্য। অদ্বৈতবাদীৰমতে যয়েই ব্ৰহ্ম, এই ব্ৰহ্ম অৰ্থ কি? বেদান্তত কৈছে—

যতো বা ইমানি ভূতানি জায়ন্তে যেন জাতানি জীৱন্তি যৎ প্ৰয়ন্ত্যভিসংবিশন্তি তদ্বিজিজ্ঞাসস্ব তদ্ব্ৰহ্মেতি

কিন্তু মায়া-পৰিশূন্য “সেই” ব্ৰহ্ম আৰু মায়োপাধিক সেয়েই জীৱ। জীৱাত্মা পৰমাত্মাৰ মাজৰ ঢাকনি মায়া বা অবিদ্যাই। আত্মজ্ঞানৰ দ্বাৰা অবিদ্যা নাশ হৈ জীৱই পৰম ব্ৰহ্মৰ লগত এক হয়। জীৱৰ ভিতৰত চৈতন্য আৰু চৈতন্যৰ চালক শক্তি মায়া। অদ্বৈত বেদান্তমতে ব্ৰহ্মৰ বাহিৰে আৰু একো নাই।

জগতৰ সকলো দাৰ্শনিকেই কয় যে ‘দুখৰ আত্যন্তিক নিৰোধকেই পৰম পুৰুষাৰ্থ। ৰামকৃষ্ণদেৱৰো জীৱ জগতৰ কল্যাণ কামনাই পৰম পুৰুষাৰ্থ।

ৰামকৃষ্ণদেৱৰ ধৰ্ম্ম জীৱ-জগতৰ ধৰ্ম্ম। জীৱ জগতৰ কল্যাণ সাধনেই তেওঁৰ লক্ষ্য। তেওঁৰ মনত কোনো সৰু-বৰ নীচ-অনীচ নাই। আন ধৰ্ম্ম প্ৰচাৰকসকলৰ নিচিনাকৈ তেওঁ কাকো শিষ্য কৰা নাছিল। কোনো শিষ্যই বা ভক্তই যদি তেওঁৰ চৰিত ধৰি সেৱা কৰিছিল, তেওঁ আকৌ তেওঁৰ চৰিত ধৰি পুনৰ সেৱা কৰিছিল কাৰণ সকলো জীৱকে তেওঁ ঈশ্বৰ জ্ঞান কৰিছিল। তেওঁৰ মনত জাতি-ভেদ নাছিল। তেওঁ হিন্দু সমাজৰ হীনস্থানীয় জাতিৰ হাতেও ভাত খাইছিল।

তেওঁ শিষ্য নকৰিলেও সকলো ধৰ্ম্মৰে সকলো মতৰ লোকেই তেওঁৰ আদৰ্শত অনুপ্ৰাণিত হৈ তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিছিল আৰু তেওঁৰ বাণী দেশে-বিদেশে প্ৰচাৰ কৰিছিল। তেওঁৰ ভক্তৰ ভিতৰত প্ৰধান আছিল নৰেন্দ্ৰনাথ, যাৰ নাম পিছত বিবেকানন্দ হয়। নৰেন্দ্ৰনাথক ৰামকৃষ্ণদেৱে ‘নাৰায়ণ’ বুলি মাতিছিল। কাৰণ নৰেন্দ্ৰনাথক তেওঁ নাৰায়ণ ভাবকেই কৰিছিল।

নৰেন্দ্ৰনাথ কলিকতাৰ বিশ্বনাথ দত্তৰ পুত্ৰেক। তেওঁ প্ৰথমতে যেতিয়া এফ,এ শ্ৰেণীত পঢ়ে, সেই সময়ৰে পৰা তেওঁ ৰামকৃষ্ণদেৱৰ ওচৰলৈ যায়। সেই সময়ত তেওঁ ভালেখিনি ধৰ্ম্ম-শাস্ত্ৰ উপনিষদ বেদান্ত আদি প্ৰাচ্য আৰু পাশ্চাত্য দৰ্শন শাস্ত্ৰ পঢ়িছিল। তেওঁ সেই সময়ৰেপৰা ঈশ্বৰৰ প্ৰকৃত তত্ত্ব সম্বন্ধে জানিবৰ কাৰণে এটি প্ৰবল তৃষ্ণা হ’ল। ইতিমধ্যে তেওঁ ব্ৰাহ্মসমাজত সমাজভুক্ত হ’ল। কিন্তু ৰামকৃষ্ণদেৱৰ উপদেশত তেওঁ যেন একেবাৰে উলটিল। কেতিয়াবা কোতয়াবা ৰামকৃষ্ণদেৱৰে সৈতে তৰ্কাতৰ্কিও লাগে, কিন্তু ৰামকৃষ্ণদেৱে নৰেন্দ্ৰনাথৰ সকলো সমস্যাৰ সমাধান কৰি দিলে। নৰেন্দ্ৰনাথ ৰামকৃষ্ণদেৱৰ একান্ত ভক্ত হ’ল। আৰু অদ্বৈতবাদ প্ৰচাৰৰ অৰ্থে দেশে-বিদেশে ভ্ৰমণ কৰিলে। ১৮৯৩



খৃষ্টাব্দত আমেৰিকাৰ অন্তৰ্গত চিকাগো চহৰত এখন সৰ্ব্ব জাতিৰ ধৰ্ম্ম সভা হয় (Parliament of all religions)। তালৈ সকলো ধৰ্ম্মৰে লোক নিমন্ত্ৰিত হৈছিল, কিন্তু হিন্দুধৰ্ম্মৰ কোনো প্ৰতিনিধি নিমন্ত্ৰিত হোৱা নাছিল। হিন্দুধৰ্ম্ম সেই সময়ত পাশ্চাত্যসকলৰ আগত অসভ্য লোকৰ ধৰ্ম্ম বুলি পৰিগণিত হোৱা নাছিল। হিন্দুধৰ্ম্মৰ বিজয় পতাকা সুদূৰ আমেৰিকাত উত্তোলন কৰিবলৈ বিবেকানন্দই যেই বক্তৃতা কৰিলে সকলো দেশৰ সকলো মতৰ লোক নৰেন্দ্ৰনাথৰ বক্তৃতাত মুগ্ধ হ’ল। হিন্দু ধৰ্ম্মৰ অদ্বৈতবাদৰ কথা গোটেই জগতত বিয়পি পৰিল। বিবেকানন্দ বক্তৃতাত জয়ী হ’ল আৰু প্ৰচাৰৰ কাৰ্য্য সফল হ’ল। সেই সময়তে ভালেখিনি ইউৰোপীয় আৰু আমেৰিকাবাসীলোক তেওঁৰ শিষ্য হ’ল। তাৰ পিছত তেওঁ দেশে-বিদেশে ভাৰতবৰ্ষ, ইউৰোপ আৰু আমেৰিকাত প্ৰচাৰ কাৰ্য্য আৰম্ভ কৰিলে। আজিলৈকে জগতৰ দুৰপ্ৰীত ধৰ্মানবিলাক ধৰ্ম্মপ্ৰচাৰকৰ কথা শুনা গৈছে আধ্যাত্মিক শক্তিৰ সহায় নোলোৱাকৈ ইমান কম সময়ৰ ভিতৰতে কোনো ধৰ্ম্মই ইমান দৰে প্ৰচাৰিত হোৱা নাই। খৃষ্টীয় ১৯০০ সনত বিবেকানন্দই ফ্ৰান্স দেশৰ পেৰিচ নগৰীৰ ধৰ্ম্ম সভালৈ নিমন্ত্ৰিত হৈ যায়। তাত তেওঁ তিনিমাহ কাল ধৰ্ম্ম প্ৰচাৰ কৰি জাপানেদি কলিকতালৈ উভতি আহে। কিন্তু দুখৰ বিষয় ১৯০২ চনৰ জুলাই মাহৰ ৪ তাৰিখে ৩৯ বছৰ বয়সতে বেলুৰ মঠত তেওঁ দেহত্যাগ কৰে। স্বামী বিবেকানন্দ যথাৰ্থ ত্যাগী পুৰুষ। তেওঁ নিৰ্জ্জনত অনেক দিন সাধনা কৰিছিল। তেওঁৱেই যথাৰ্থ কৰ্ম্মযোগৰ অধিকাৰী। সংসাৰীয়ে সাংসাৰিক প্ৰবাদসমূহ কেনেকৈ ব্যৱহাৰ কৰিব লাগে বিবেকানন্দই তাক দেখুৱাই গৈছে। তেওঁ কামিনী, কাঞ্চন, অৰ্থ, মান একেবাৰেই ত্যাগ কৰিছিল। আমেৰিকা আদি ঠাইত যিখিনি অৰ্থ সংগ্ৰহ কৰিছিল সেই সকলোখিনি তেওঁ লোক হিতকৰ কাৰ্য্যত ব্যয় কৰিছিল। তেওঁ বেলুড়ত, মায়াৱতীত, কাশীত আৰু মাদ্ৰাজত ৰামকৃষ্ণ মঠ স্থাপন কৰিলে। ৰাজপুতনাৰ অন্তৰ্গত কিষেনগড় নামে ঠাইত অনাথাশ্ৰম স্থাপন কৰিছিল।

ৰামকৃষ্ণদেৱৰ আন শিষ্যসকলৰ ভিতৰত বৰ্ত্তমান জীয়াই আছে স্বামী বিজ্ঞানানন্দ-ৰামকৃষ্ণ মিশনৰ সহকাৰী সভাপতি, স্বামী অভেদানন্দ আৰু স্বামী অখণ্ডানন্দ ৰামকৃষ্ণ মিশনৰ সভাপতি।

পৰমহংস দেৱৰ শেষ সমাধি অৱস্থা পোৱাৰ কিছু-দিনৰ আগতে ডিঙিত কিবা এডোখৰ ঘা হৈ ভালেদিন একো খাব নোৱৰা হৈ আছিল। সেই সময়ত ভক্ত-সকলে অনুনয় বিনয় কৰি ঈশ্বৰীক জনাবলৈ কলে যাতে পৰমহংসদেৱে কিছু খাব পাৰে। তেওঁ জগদম্বাক জনাবলৈ কোনো ৰকম মান্তি নহয়; শেষত শিষ্যসকলৰ প্ৰেৰণাত জনালে। তাৰ পিছত মিচিকিয়া হাঁহি এটিৰে তেওঁলোকৰ আগত কলে জগদম্বাই কৈছে যে তোমালোকে খালে মোৰো হব; আৰু মোৰ শাৰীৰিক যন্ত্ৰণা উপশম কৰিবলৈ মাৰ ওচৰত খাটিব নোৱাৰোঁ, কাৰণ মই মোৰ শৰীৰ আৰু মন এবাৰ সমৰ্পণ কৰিলোঁ, এবাৰ সমৰ্পণ কৰি সেই শৰীৰক মোৰ বুলি কেনেকৈ কওঁ। মই সত্যভ্ৰষ্ট হব নোৱাৰো। ’পৰমহংসদেৱ ৫২ বছৰ বয়সত শেষ সমাধি অৱস্থা প্ৰাপ্ত হয় সেই অৱস্থাৰ পৰা তেওঁৰ পুনৰ আৰু চৈতন্য নাহিল।

পৰমহংসদেৱ লিখা-পঢ়াত পণ্ডিত নাছিল। ধন-সম্পত্তিৰ চহকী নাছিল, সাংবাদিকে তেওঁৰ খবৰ লোৱা নাছিল। ভাৰতৰ কিয় কলিকতাৰেই শতকৰা এজনতকৈ সৰহ মানুহে তেওঁক চিনি নেপাইছিল। তেওঁ নীৰৱে নিজৰ সাধনা কৰি গ’ল। কমাৰপুখুৰীৰ নাথল কোনত যিটি তৰাৰ উদয় হৈছিল সেই তৰাৰ কিৰণেৰে আজি সমগ্ৰ পৃথিৱী উদ্ভাসিত হৈছে। আজি কোটি কোটি নৰনাৰী তেওঁৰ আদৰ্শত অনুপ্ৰাণিত। পৰমহংসদেৱে হিন্দুৰ দেৱ দেৱী সকলোকে সুপ্ত হোৱাৰ পৰৰ পৰা পুনৰ উদ্ধাৰ কৰিলে। সকলো ধৰ্ম্মৰ অনৈক্যৰ মাজত ঐক্যৰ সৃষ্টি কৰিলে, হিন্দু ধৰ্ম্মৰ উদাৰতা জগতত ঘোষণা কৰিলে। বিশ্বজনীন বেদান্তধৰ্ম্মৰ দুৰ্বোধ কথাবোৰ পানী যেনকৈ বুজাই সকলোৰে আগ্ৰহ জন্মালে। পৰমহংসদেৱৰ শেষবাৰ নৰিয়া পৰা অৱস্থাত তেওঁৰ শিষ্যসকলে বিশেষ ভাবে পৰিচৰ্য্যা কৰিছিল। তেওঁ তেতিয়া কৈছিল যে

তেওঁক পৰিতৰ্প্য কৰাতকৈ লক্ষ লক্ষ ক্লিষ্ট মিথ্যাভিভূত পীড়িত ক্ষুধাতুৰ অজানা লোকসকলৰ সেৱা-শুশ্ৰূষা কৰিবাহঁক। কাৰণ জীৱেই শিৱ। পৰমহংসদেৱৰ এই আদেশ বাণীৰ ফলতে জগৎজুৰি ৰামকৃষ্ণ মিশ্যন আৰু ৰামকৃষ্ণ মঠৰ প্ৰতিষ্ঠা হয়। বুদ্ধৰ পাছৰ পৰা কোনো লোকৰ প্ৰতিভা ইমান সোনকালে গোটেই জগতত বিয়পিব পৰা নাই। পৰমহংস দেৱৰ শেষ সমাধিৰ দহ বছৰৰ ভিতৰতে তেওঁৰ বাণী গোটেই পৃথিৱীতে প্ৰচাৰ হ'ল। ভাৰতৰ বাহিৰেও আমেৰিকা, ইংলণ্ড, স্কান্দি-নেভিয়া, হলেণ্ড, যুগোশ্লেভিয়া আদি আন ঠাইৰ সাধুসকলেও ৰামকৃষ্ণ মিশ্যনত যোগ দিলেহি। সকলোৱে কবলৈ ধৰিলে "বেদাহমেতং পুৰুষং মহান্তম্" কাৰণ তেওঁৰ কিৰণে সূৰ্য্যৰ নিচিনাকৈ গোটেই জগতত বিয়পিল।

১৮৯৩ খৃষ্টাব্দত স্বামী বিবেকানন্দই যেতিয়া আমেৰিকাৰ চিকাগো চহৰত হোৱা সৰ্ব্বধৰ্ম্মসম্মিলনত বেদান্তৰ বিষয়ে বক্তৃতা দিয়ে সেই সময়তেই ৰাজশক্তিৰ আশ্ৰয় নোহোৱা ভাৰতীয় ধৰ্ম্ম প্ৰচাৰকৰ নতুন যুগৰ আৰম্ভন। স্বামী বিবেকানন্দই তাৰ পাছতে আমেৰিকাৰ যুক্তৰাজ্যত দক্ষিণ আমেৰিকাত আৰু ইউৰোপত বেদান্ত প্ৰচাৰ কৰিবলৈ ভালেখিনি সন্ন্যাসীক লগাই দিয়ে। আমেৰিকাৰ যুক্ত ৰাজ্যত সোনতে ১৯ জন সন্ন্যাসীৰ ওপৰত ভাৰ দিয়ে। বৰ্ত্তমান যুক্তৰাজ্যৰ ভিতৰত বেদান্ত সমিতিৰ ১০ ঠাইত ১৬টা কেন্দ্ৰ আছে।

১। বেদান্ত চচাইটি—New york ইয়াৰ অধ্যক্ষ স্বামী বোধানন্দ
২। ৰামকৃষ্ণ বিবেকানন্দ Centre—New york স্বামী নিখিলানন্দ
৩। বেদান্ত চচাইটি—San FranSisco ⋯ স্বামী অশোকানন্দ
৪। বেঁদান্ত Centre—Boston ......................
৫। আনন্দ আশ্ৰম—La cresanta.. স্বামী পৰমানন্দ
৬। The Vedanta Society Providence...স্বামী অখিলানন্দ
৭। The Vebanta sociy—Chicago⋯ স্বামী জ্ঞানেশ্বৰানন্দ
৮। The Vedanta Society—Portland—স্বামী দেৱাত্মানন্দ
৯। The Vedanta Society—Holywood—স্বামী প্ৰভৱানন্দ
১০। The Vedanta Society—Washington—স্বামী বিবিদিষানন্দ

এই সকলোবিলাকতে যথেষ্ট সংখ্যক ছাত্ৰই বেদান্ত দৰ্শন আৰু সংস্কৃত সাহিত্য বিষয়ে শিকালয়। এই সকলোবিলাক কেন্দ্ৰতে প্ৰত্যেক বছৰে মহা-সমাৰোহেৰে ৰামকৃষ্ণ জন্মোৎসৱ পালন কৰে। কোনো কোনো কেন্দ্ৰত দুৰ্গাপূজা আদি হিন্দুৰ পৰ্ব্ববিলাকো পালন কৰে। সকলোখিনি কেন্দ্ৰতে বেদান্ত সম্পৰ্কীয় আৰু স্বামী বিবেকানন্দৰ গ্ৰন্থ-সমূহ বিক্ৰীৰ কাৰণে মজুত থাকে।

দক্ষিণ আমেৰিকা আৰ্জে নটাইন ৰিপাব্লিকত (Bune Atres) গত ১৯৩৩ খৃষ্টাব্দত ৰামকৃষ্ণ মিশ্যনৰ এটি সঙ্ঘ স্থাপিত হয়। এই সঙ্ঘৰ অধ্যক্ষ স্বামী বিজ্ঞানানন্দ তেওঁ সপ্তাহত ৫টাকৈ বেদান্তৰ বিষয়ে বক্তৃতা দিয়ে। ৫০০ ৰ পৰা হেজাৰলৈকে শ্ৰোতাৰ সমাগম হয়। তেওঁ স্বামী বিবেকানন্দৰ গ্ৰন্থ সমূহ স্পেনিছ ভাষালৈ অনুবাদ কৰিছে। এই অঞ্চলত খৃষ্টধৰ্ম্মৰ বিশেষ প্ৰভাৱ থকা স্বত্বেও স্বামীজীৰ বক্তৃতাই শ শ লোকক আকৰ্ষণ কৰিছে।

স্বামী বিবেকানন্দ স্বৰ্গীহোৱাৰ পাছত ইউৰোপত ৰামকৃষ্ণ মিশ্যনৰ বিশেষ কাম হোৱা নাছিল কিন্তু মহাত্মা ৰোমান ৰোঁলাই পৰমহংস আৰু বিবেকানন্দৰ গ্ৰন্থ সমূহ ইউৰোপীয় কেইবাটাও ভাষালৈ অনুবাদ কৰাত তাৰ প্ৰভাৱত ইউৰোপবাসীসকলৰ এই মিশ্যনৰ ওপৰত বিশেষ ৰকমে আস্থা হৈছে। চুইটজাৰলেণ্ড জেনেভা আৰু জুৰিত কেইবাটাও ৰামকৃষ্ণসঙ্ঘ স্থাপিত হৈছে। স্বামী বিবেকানন্দৰ বিশিষ্ট বন্ধু মিছ মেক্লিয়ডে স্বামীজীৰ গ্ৰন্থ সমূহ ফ্ৰেন্স আৰু জাৰ্ম্মান ভাষালৈ অনুবাদ কৰিছে।



ভাৰতবৰ্ষত ৰামকৃষ্ণ মিশ্যনৰ কিমান কাম হৈছে সেই সকলোবোৰ ইয়াতে উল্লেখ কৰা সম্ভৱ পৰ নহয়। মাত্ৰ কেইটিমান বিশেষ উল্লেখযোগ্য কেন্দ্ৰৰ কথা মাত্ৰ বৰ্ণনা কৰা যাব ৰামকৃষ্ণ মিশ্যনৰ প্ৰধান ভাগ তিনটি:— ১। মঠ বা সন্ন্যাসীৰ আশ্ৰয় স্থান। ২। শিক্ষাৰ অনুষ্ঠান বেদান্ত, সংস্কৃত সাহিত্য আৰু ঘৰুৱা শিল্পাদি। ৩। জনহিতকৰ অনুষ্ঠান, সঙ্কট-ত্ৰাণ সমিতি আৰু সেৱাসমিতি।

১। ৰামকৃষ্ণ মিশ্যনৰ প্ৰধানতম কেন্দ্ৰস্থান বেলুৰ মঠ। এই মঠ কলিকতাৰ পৰা ৫ মাইল দূৰৰ গঙ্গাৰ পশ্চিম পাৰে অৱস্থিত। ইয়াতেই পৰমহংসদেৱৰ জীৱনৰ অধিকাংশ কাল অতিবাহিত হয়। ইয়াতেই বিবেকানন্দ আদি আন আন ভক্তসকলৰ সৈতে মিল। ইয়াত শিক্ষাৰ অনুষ্ঠান আৰু এটি বৃহৎ লাইব্ৰেৰীও আছে। ইয়ালৈ বছৰি পৰমহংসদেৱৰ হাজাৰ হাজাৰ ভক্তৰ আগমন হয়।

২। অদ্বৈত আশ্ৰম—মায়াৱতী। এই আশ্ৰমখনি স্বামী বিবেকানন্দই ১৮৯৯ খৃষ্টাব্দত প্ৰতিষ্ঠা কৰে। হিমালয় পৰ্ব্বতৰ ওপৰত ৬৮০০ ফিট ওখত এই আশ্ৰম প্ৰতিষ্ঠিত। এই আশ্ৰমৰ পৰা "প্ৰবুদ্ধ ভাৰত" নামে বেদান্তবিষয়ক উচ্চদৰৰ এখনি ইংৰাজী আলোচনী প্ৰকাশিত হয়। এই আশ্ৰমৰ পৰা আন ভালেমান গ্ৰন্থও প্ৰকাশিত হৈছে। এই আশ্ৰমত এখন চিকিৎসালয় আছে

৩। মাদ্ৰাজ মঠ। এই মঠ ১৮৯৭ খৃষ্টাব্দত স্বামী ৰামকৃষ্ণানন্দে প্ৰতিষ্ঠা কৰে। এই মঠৰ পৰা ইংৰাজী ভাষাত ৰামকৃষ্ণ বিজয়ম্ নামে আলোচনী প্ৰকাশিত হৈছে। এই মঠৰ পৰা দক্ষিণ ভাৰত, চিলন আৰু বৰ্ম্মাত ৰামকৃষ্ণ মিশ্যনৰ প্ৰচাৰ কাৰ্য্য হৈছে। ইয়াতো দৰিদ্ৰ ৰোগীসকলৰ কাৰণে এখন চিকিৎসালয় আছে।

৪। পশ্চিম ভাৰতত বোম্বাইত এখন আশ্ৰম আছে। তাৰ অধীনত ৰাজকোট আৰু কৰাচীত দুটি কেন্দ্ৰ আছে।

৫। কলিকতাৰ বাগবাজাৰত য'ত সাৰদামণী আৰু স্বামী সাৰদানন্দই মহাসমাধি অৱস্থা পায় তাত এটা কেন্দ্ৰ আছে। এই কেন্দ্ৰৰ পৰা 'উদ্বোধন' নামে এখনি মাহেকীয়া আলোচনী প্ৰকাশিত হয়। এই মিশ্যন সম্পৰ্কীয় বঙ্গ ভাষাৰ প্ৰায় সকলোখিনি কিতাপ এই কেন্দ্ৰৰ পৰা প্ৰকাশিত হয়। এই বিলাক মঠৰ বাহিৰেও

৬। বেনাৰচ অদ্বৈত আশ্ৰম, ৭। নাগপুৰ অদ্বৈত আশ্ৰম ৮। ঢাকাৰ ৰামকৃষ্ণ মঠ, ৯। দিল্লি অদ্বৈত আশ্ৰম ১০। কলম্বো ৰামকৃষ্ণ মিশ্যন, ১১। চিঙ্গাপুৰ ৰামকৃষ্ণ মিশ্যন আৰু কলিকতাত কেইবা ঠাইতো ৰামকৃষ্ণ মিশ্যনৰ শিক্ষা কেন্দ্ৰ আছে।

ৰামকৃষ্ণ মিশ্যনৰ শিক্ষা প্ৰতিষ্ঠানবোৰত যাইকৈ স্কুল কলেজত শিক্ষা নোপোৱা বিষয়বিলাকৰ শিক্ষা দিয়া হয়। ছাত্ৰৰ শাৰীৰিক, মানসিক নৈতিক আৰু আধ্যাত্মিক উৎকৰ্ষ বিষয়ক আৰু কাৰ্য্যকৰী শিক্ষা দিয়া হয়। এই ধৰণৰ সৰ্ব্বপ্ৰধান ১। Madras Students Home ইয়াত ১৭০ জন ছাত্ৰই শিক্ষা লাভ কৰে। ইয়াত এখন ছাত্ৰাবাস আছে, এটি হাইস্কুল আছে। ইয়াত ঘৰুৱা শিল্প বিষয়ক শিক্ষা দিয়া হয়; ইয়াত এটি ইঞ্জিনিয়াৰিং বিভাগো আছে। ইয়ালৈ মাদ্ৰাজৰ সকলো কৃতবিদ্য লোকৰ সমাগম হয়।

২। Calcutta Students' Home.

৩। দেওঘৰ বিদ্যাপীঠ

৪। Sister Nivedita's Girls School, Calcutta. ছোৱালীবিলাকৰ শিক্ষাৰ প্ৰতিষ্ঠান। ইয়াত ৫০০ জনী ছোৱালীয়ে শিক্ষালয়। ইয়াত ৫০ জনী ছোৱালীৰ কাৰণে এটি ছাত্ৰাবাস আছে। ছোৱালীবিলাকক ঘৰুৱা-কাম সংস্কৃত সাহিত্য আৰু ধৰ্ম্ম সম্পৰ্কীয় শিক্ষা দিয়া হয়।

৫। ৰামকৃষ্ণ আশ্ৰম ত্ৰিশূৰ। এই আশ্ৰমত বিশেষকৈ হৰিজনসকলকহে ধৰ্ম্ম আৰু নীতি বিষয়ক শিক্ষা দিয়া হয়। ইয়াত এটা স্কুল আছে। এই স্কুলত ২০০ মান ছাত্ৰ আছে; তাৰ সৰহ ভাগেই হৰিজন। ইয়াত এটি ছাত্ৰাবাস আছে। স্কুলত হিন্দী আৰু মালয়ালম ভাষা শিকোৱা হয়। আমেৰিকাৰ টাস্কেজ্জা ইনষ্টিটিউটৰ নিচিনাকৈ ইয়াত লনাক সকলো ব্যৱহাৰিক কাম শিকোৱা হয়।

৬। ছেলাৰ আশ্ৰম—খিলং খাচিয়া পাহাৰৰ চেৰা-

পুঞ্জিত ৰামকৃষ্ণ মিশ্যনৰ এখন আশ্ৰম আছে। এই আশ্ৰমৰ অধীনত এখন হাইস্কুল, ছখন মজলীয়া স্কুল, তিনিখন ছাত্ৰাবাস আৰু এটি ডিস্পেন্‌চেৰী আছে। খাচী ভাষাত ৰামকৃষ্ণ মিশ্যনৰ গ্ৰন্থসমূহ প্ৰকাশ কৰিবলৈ এই আশ্ৰমে ভাৰ লৈছে।

১৯২৬ সনৰ ৰিপোৰ্টমতে ভাৰতবৰ্ষত আৰু চিলনত সৰ্ব্বমুঠ ৪৯৬০ জন ছাত্ৰ-ছাত্ৰীয়ে ৰামকৃষ্ণ মিশ্যনৰ বিদ্যালয়ত অধ্যয়ন কৰিছিল।

শিক্ষা বিষয়ক প্ৰতিষ্ঠানৰ বাহিৰেও ৰামকৃষ্ণ মিশ্যনৰ ভাৰতৰ ভালেমান ঠাইত সেৱা সমিতি আছে। বেনাৰচ সেৱাশ্ৰমৰ অধীনত ১৮০ ৰোগীৰ ( পুৰুষ আৰু স্ত্ৰীৰ বেলেগ ) শুশ্ৰূষা কৰিব পৰা এটি ডাঙৰ আস্পতাল আছে। ওচৰতে নিৰাশ্ৰয় লোকৰ কাৰণে এটা ধৰ্ম্ম-শালা আছে। এই আশ্ৰমত ৰামকৃষ্ণ মিশ্যনৰ সন্ন্যাসী-সকল স্বেচ্ছাসেৱক। এনে ধৰণৰ অনুষ্ঠান বৃন্দাবন, হৰি-দ্বাৰ আৰু ৰেঙ্গুণতো আছে।

ৰামকৃষ্ণ মিশ্যনৰ এটি 'সঙ্কট ত্ৰাণ সমিতি' আছে। এই সমিতিয়ে যোৱা বিহাৰ ভূমিকম্পত আশাতীত ৰকমে সহায় কৰিছিল। এই সমিতিয়ে য'তে লোকসকল বিপন্ন বা হূৰ্ভিক্ষ পীড়িত হয়, সেইসকলো ঠাইলৈকে গৈ সহায় কৰে।

ৰামকৃষ্ণ পৰমহংসদেৱে কোনো দেশ-বিদেশৰ বা জাতি বিশেষৰ নহয়। তেওঁকেই বিশ্বজনীন মহামানৱ বুলিব পাৰি। তেওঁ এক ছত্ৰৰ ছাঁয়াৰে ৰোগী, পাপী দীন, হীন, আতুৰ, অনাথ, ব্ৰাহ্মণ, চণ্ডাল, হিন্দু, মুছল-মান, খৃষ্টান, জৈন সকলোকে সাদৰেৰে আবৰি লয়। সাধাৰণৰ দৃষ্টিৰ উপেক্ষিতসকল তেওঁৰ অতি আদৰৰ। মুঠতে তেওঁৰ মানত জীৱই শিৱ, ইয়াতেই মানৱাত্মাৰ চৰম বিকাশ। পৰমহংসদেৱে সকলোৰে কাৰণে বাট দেখুৱাই দিলে।

[ যোৰহাটত বহা "ৰামকৃষ্ণ শত বাৰ্ষিকীত" পঠিত।]

---

# ৺নৱনাথ মহন্ত

উনৈশ শতিকাৰ পিছ আধাত যিসকল দেশহিতৈষী লোকে অসমীয়া-সাহিত্য-সেৱাৰে নিজ নাম জিলিকাই গৈছে, ৺নৱনাথ মহন্ত সেইসকলৰ অন্যতম।

যোৰহাটৰ তিতাবৰ অঞ্চলৰ বৰএলেঙি সত্ৰৰ অধিকাৰ ৺সোমেশ্বৰ গোসাঁইৰ দ্বিতীয় পুতেক ৺নৱনাথ মহন্ত। এখেতৰ জন্ম ১৮৫১ খ্ৰীষ্টাব্দৰ ভাদ মাহত সেই সত্ৰতে হয়। নিচেই সৰু কালতে শিক্ষাৰ নিমিত্তে এখেত আৰু এখেতৰ জ্যেষ্ঠ ভাই ৺সৰ্ব্বেশ্বৰ মহন্তক তেখেতসকলৰ নগাঁৱত থকা মাতামহ দোলাখৰীয়া বৰুৱা ৺পদ্মনাথ বৰুৱাই নগাঁৱলৈ আনায়। ককাদেউৰেকৰ লগতে থাকি দুয়ো লিখা-পঢ়া শিকি কাম-কাজ কৰে। ডাঙৰ জনৰ ২৫ বছৰ বয়সত নগাঁও চহৰতে হাইজা বেমাৰত মৃত্যু হয়।

দ্বিতীয়জন ৺নৱনাথ মহন্ত, অনুমান ১৮ বছৰ বয়সতে মোজাদাৰ হয়। ২৭।২৮ বছৰ বয়সৰ পৰা এখেতে অসমীয়া ভাষাত কিতাপ-পত্ৰ লেখিবলৈ আৰম্ভ কৰে। প্ৰথমতে এখেতে মজলীয়া পঢ়াশালিৰ পাঠ্যোপযোগী কৰি 'জ্ঞানাঙ্কুৰ' ১ম ভাগ লিখে। পাছত যোগ্যতাৰ পুৰস্কাৰ স্বৰূপ, এই কিতাপৰ বাবে ১২৫৲ টকা গৱৰ্ণমেণ্টৰ পৰা বঁটা পায়। তাৰ পাছত 'জ্ঞানাঙ্কুৰ' ২য় ভাগ লিখে; সেই কিতাপতো গৱৰ্ণমেণ্টৰ পৰা ১৫০৲ টকা পুৰস্কাৰ পায়। এই দুয়োখন কিতাপ ছাপা হৈ ওলোৱাৰ পাছত এখেত



প্ৰাদেশিক প্ৰথম স্থাপিত পাঠ্যপুথি সমিতিৰ সভ্য হয়। সেই সমিতিত ৺গুণাভিৰাম বৰুৱা ( পাছত ৰায় বাহাদুৰ ) ছেক্ৰেটৰী, ৺ৰুদ্ৰনাথ বৰুৱা আৰু ৺কুদ্ৰৰাম বৰদলৈও সভ্য আছিল। এখেতসকল নগাঁৱৰে মানুহ।

এই সমিতিত অসমৰ সকলোবিলাক অসমীয়া কিতাপ বছা হয়। এই কালত নগাঁৱেই অসমীয়া সাহিত্যৰ কেন্দ্ৰস্থান আছিল। নৱনাথ মহন্তই 'স্বাস্থ্যবিধি' নামে এখন পুথি লিখি ছাপা কৰায়। সেই পুথিতো ১৫০৲ টকা গৱৰ্ণমেণ্টৰ পৰা পুৰস্কাৰ পায়। সেই সকলো-বিলাক কিতাপ অসমৰ মজলীয়া পঢ়াশালিবিলাকত গৱৰ্ণ-মেণ্টে চলাইছিল। তাৰ পাছত 'জ্ঞানাঙ্কুৰ' ৩য় ভাগ হাতে লিখা অৱস্থাতেই থাকিল, প্ৰকাশ কৰিব নোৱাৰিলে। পঢ়াশালিত চলা, এইবোৰ কিতাপৰ বাহিৰেও সেই ১০।১২ বছৰৰ ভিতৰতেই 'ৰাধাহৰণ,' 'কুৰ্ম্মবলিবধ,' 'মহাৰাজ হৰিশ্চন্দ্ৰোপাখ্যান' পুথি ছাপা কৰাইছিল। 'একাদশ খণ্ড ভাগৱত' হাতে-লিখা অৱস্থাতে এৰি থৈ গল। ইয়াৰ বাহিৰেও সাঁচিৰ পুথি আৰু অন্যান্য আধা-লিখা পুথি কেইবাখনো আছিল—সেইবোৰ ফাটি-ছিটি গল। তহচিলদাৰী কামৰ নিমিত্তে মনোনীত কৰি নিয়োগ কৰোঁতেই ১৮৯৩ খৃষ্টাব্দৰ ১৫ ফাগুনত ৪২ বছৰ বয়স পাৰ হৈ যোৱাত ক'লা জ্বৰত নগাঁও চহৰত দিনৰ এক বাজি ২০ মিনিটত এখেতৰ মৃত্যু হয়।

এখেতৰ প্ৰথম পক্ষৰ ল'ৰা এটি, আৰু কন্যা এটি আছিল। ল'ৰাটি মৰিল, ছোৱালীটী বিধৱা অৱস্থাত আছে। দ্বিতীয় পক্ষৰ সহধৰ্ম্মিণী কইঁহালৰ ঘৰৰ ৺হাবিৰাম বৰুৱা চিৰস্তাদাৰৰ কন্যা আৰু ৺দেৱনাথ বৰুৱা, ৺ফটিকচন্দ্ৰ বৰুৱা আৰু ৺মানিকচন্দ্ৰ বৰুৱাৰ ভনীয়েক। দ্বিতীয় পক্ষৰ তিনিটি পুত্ৰ সন্তান বৰ্ত্তমান জীৱিত। এওঁলোকৰ পুৰুষনামা তলত দিয়া হ'ল।

শ্ৰীশঙ্কৰদেৱৰ স্থাপিত এলেঙি সত্ৰৰ ১ম অধিকাৰ ৺সত্তানন্দ আতা, বা পেনপেনি কাথ বা বৰ ভকত আতা

|

৺শ্ৰীকৃষ্ণ বা বাপুকৃষ্ণ দেৱ

|

৺ৰাপুৰাম দেৱ

|

৺পুৰুত্তম চৰণ দেৱ

|

৺পদ্মপাণি দেৱ

|

৺শ্ৰীৰাম দেৱ

|

৺স্মৃতত্ত্বৰ দেৱ

|

৺ৰাঙ্গানন দেৱ

|

৺সোমেশ্বৰ বা সোণেশ্বৰ দেৱ

| | | |
|---|---|---|
| ৺সৰ্ব্বেশ্বৰ | ৺নৱনাথ | ঘনকান্ত অধিকাৰ |

(৺নৱনাথৰ পুত্ৰসকল)

| | | | |
|---|---|---|---|
| ৺উপেন্দ্ৰনাথ | শ্ৰীমহেন্দ্ৰনাথ | শ্ৰীভুজেন্দ্ৰনাথ | শ্ৰীবীৰেন্দ্ৰনাথ |

৺বলদেৱ মহন্ত অসমীয়া সাহিত্য-সেৱাত ৺নৱনাথ মহন্তৰ সহযোগী সহকৰ্ম্মী আছিল। ৺বলদেৱ মহন্ত শ্ৰীশঙ্কৰদেৱৰ আজ্ঞাপৰ নাৰায়ণ ঠাকুৰ বা ভৱানন্দ ঠাকুৰৰ বংশধৰ। এখেতৰ পূৰ্ব্ব পুৰুষসকল বৰপেটা অঞ্চলৰ পৰা উঠি আহি নগাঁৱৰ শলগুৰি সত্ৰৰ শাখা শুকদল সত্ৰত আছিলহি। তাৰ পিছত ৺বলদেৱ মহন্তৰ পিতৃ শুকদল সত্ৰৰ পৰা উঠি আহি নগাঁও চহৰৰ পৰা ৪ মাইল দূৰৰ দোলাখোলা বৰুৱা ৺পদ্মনাথ বৰুৱা সদৰামিনৰ অৰ্থাৎ নৱনাথ মহন্তৰ মাতামহৰ মোৰামাৰী থাটত ( এতিয়াৰ নাম মোৰামাৰী এলেঙি সত্ৰ ) আছিলহি। নৱনাথ মহন্তও তেতিয়া মোৰামাৰী থাটতে থাকে। দুয়োৰো ঘৰ ওচৰা-ওচৰি। কিতাপ-পত্ৰ লেখাত দুয়ো দুয়োকো সহায় কৰে। ৺বলদেৱ মহন্ত পদ্য-লেখক।

নবনাথ মহন্ত গন্থ-লিখক। দুয়োজনৰ বয়স প্ৰায় সমানেই।

৺বলদেৱ মহন্ত নগাঁও সদৰ মজলীয়া পঢ়াশালিৰ শিক্ষক, এজন সিদ্ধ-হস্ত ছন্দ। লেখক আছিল। তদুপৰি উদ্ভূপাঠ, অৰিপ, পৰিমিতি, পাটীগণিত, সৰলক্ষেত্ৰ জ্যামিতি, কাৰ্য্যপৰিচয় প্ৰভৃতি ১৬।১৭ খন পঢ়াশলীয়া পুথি লিখি ছপাই উলিয়াইছিল। এখেতৰ পুত্ৰ সন্তান এটিও নাই। এখেতৰ এজনী জীয়ৰী আছিল তেওঁৰো মৃত্যু হয়। জীয়েকৰ জীয়েক এতিয়া বিধৱা হৈ সম্প্ৰতি নগাঁও চহৰৰ দুমাইল দূৰত শেণচোৱা গাঁৱৰ শ্ৰীযুত চন্দ্ৰকান্ত মহন্তৰ ঘৰত আছে। ১৮৯০ খৃষ্টাব্দত বলদেৱ মহন্তৰ মৃত্যু হয়।

শ্ৰীডিম্বেশ্বৰ নেওগ

---

# অসম সাহিত্য সভা

## প্ৰধান সম্পাদকৰ কাৰ্য্য-বিৱৰণী

### সপ্তদশ সাহিত্য সম্মিলন, গুৱাহাটী, ২৬।১২।৫৭

সদৌ অসমীয়া ৰাইজৰ অতি আদৰৰ অনুষ্ঠান 'অসম সাহিত্য সভাই" করুণাময় পৰমেশ্বৰৰ অপাৰ করুণাৰ কৃপাত নানা আলৈ আহুকাল সহ্য কৰি, অশেষ বাধা-বিঘিনি অতিক্ৰম কৰি বছৰ লেখেৰে আজি কুৰি বছৰ পুৰ কৰিছেহি। ই অসমীয়াৰ পক্ষে অকল সন্তোষৰে কথা নহয়, গৌৰৱৰো কথা। অসমীয়াৰ সম্মিলিত কাৰ্য্য-কৰী শক্তিৰ ইও এক সুন্দৰ নিদৰ্শন। আজি কুৰি বছৰ ধৰি অতি কষ্ট আৰু যত্নেৰে প্ৰতিপালিত এই অনুষ্ঠানটিৰ পৰা অসম মাতৃয়ে ভৱিষ্যতে বহুতো আশা কৰিছে। সৰ্ব্বনিয়ন্তা মঙ্গলময় ভগৱন্তৰ চৰণত প্ৰাৰ্থনা জনাওঁ, জননীৰ শুভ আশা ফলৱতী কৰোক; সাহিত্য জগতত অসমীয়া সাহিত্যৰ অৰ্থে উচ্চাসন লভি জন্ম-ভূমিৰ গৌৰৱ ৰক্ষা কৰিবলৈ অসম সাহিত্য সভাক সমৰ্থবান কৰোক।

তেজপুৰ নগৰৰ ৰাইজৰ বিপুল উৎসাহৰ বলত এই সভাৰ ১৬ শ বাৰ্ষিক অধিবেশন বুৰঞ্জী-প্ৰসিদ্ধ তেজপুৰ নগৰত সমাৰোহেৰে আৰু অতি সুচাৰুৰূপে সমাধা হৈ গল। সেই সম্মিলনৰ সভাপতি আছিল সাহিত্যক্ষেত্ৰৰ অক্লান্ত কৰ্ম্মী বিহগী কবি শ্ৰদ্ধাস্পদ শ্ৰীযুত ৰঘুনাথ চৌধুৰী। অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল আমাৰ এজন প্ৰধান সাহিত্যিক ৰায় বাহাদুৰ শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা। এই দুজন কৃতবিদ্য সুপুৰুষৰ পৰিচালনাত আৰু সুদক্ষ অভ্যৰ্থনা সমিতিৰ সভ্যসকলৰ অক্লান্ত পৰিশ্ৰমৰ ফলত তেজপুৰ সম্মিলনৰ সকলো কাৰ্য্যই অতি শোভনীয় আৰু অনুকৰণীয় হৈছিল। সেইবাবে সদৌ তেজপুৰীয়া ৰাইজক আৰু বিশেষ ভাৱে আদৰণি সমিতিৰ সভ্যসকলক কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ হৈ নতশিৰে ওলগ জনাইছোঁ।

প্ৰকৃতিৰ লীলাভূমি পুৰাণ-প্ৰসিদ্ধ প্ৰাগজ্যোতিষপুৰ কামাখ্যাদি পঞ্চ তীৰ্থেৰে বেষ্টিত, আজীৱন অসমীয়া সাহিত্যৰ পুষ্টিসাধন-ব্ৰতৰ ব্ৰতী লব্ধ-প্ৰতিষ্ঠ সাহিত্যিক ৺হেমচন্দ্ৰ বৰুৱা, ৺সত্যনাথ বৰা, ৺হেমচন্দ্ৰ গোস্বামী ৺নবীনচন্দ্ৰ বৰদলৈ আদি অসম আইৰ চিৰস্মৰণীয় সুসন্তান-সকলৰ কৰ্ম্মক্ষেত্ৰত, পুণ্যভূমি গুৱাহাটী নগৰলৈ আজি এই জাতীয় অনুষ্ঠানৰ সপ্তদশ অধিবেশন আহ্বান কৰাটো



লোকত সুযোগ্য চবোৱা যেন হৈছে। সেই বাবে গুৱাহাটী ৰাইজৰ ওচৰত কাৰ্য্য-নিৰ্ব্বাহক সমিতি চিৰ-কৃতজ্ঞ। এই যেন বিজ্ঞাপন ধৰ্ম্মক্ষেত্ৰত সাহিত্য-সেৱাৰূপ পৰম পৱিত্ৰ অভিলাষ হৃদয়ত লৈ সাহিত্যিক আৰু সাহিত্যানুৰাগী সুধীবৃন্দৰ শুভ আগমন এটি অবৰ্ণনীয় সৌন্দৰ্য্য। কাৰ্য্য নিৰ্ব্বাহক সমিতিয়ে তেখেতসকলৰ সভক্তি অভিবাদন জনাইছে।

সৰ্ব্বসিদ্ধিদাতা পৰমেশ্বৰৰ কৃপাত সম্মিলনৰ সকলো কাৰ্য্য যেন অতি সুচাৰুৰূপে সম্পন্ন হয়।

আৰু এটি আনন্দৰ কথা এইখিনিতে উল্লেখ কৰিবৰ সুযোগ লব খোজোঁ। গৌৰহাটী কলেজৰ সুযোগ্য আৰু ত্যাগী পণ্ডিতপ্ৰবৰ শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ দেৱক আজিৰ সম্মিলনৰ সভাপতিৰ আসনত দেখি সাহিত্য সভাই অতি সন্তোষ পাইছে। অসম সাহিত্য সভা প্ৰতিষ্ঠাতাসকলৰ অগ্ৰণী, আজীৱন সাহিত্য-সেৱী, মুক্ত হস্তে সাহিত্যৰ উন্নতিৰ অৰ্থে দাতা সুযোগ্য ৰায় বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ যোগ্য পুত্ৰক এই জাতীয় মহা যজ্ঞৰ হোতা স্বৰূপে বৰণ কৰিবলৈ পাই অসম সাহিত্য সভাই আজি নতুন আনন্দ পাইছে। পিতৃৰ দান আৰু পুত্ৰৰ ত্যাগৰ বিনিময়ে দুখীয়া দেশৰ দুখীয়া সাহিত্যিকসকলৰ কৃতজ্ঞতা জ্ঞাপন কৰিবলৈ ইয়াতকৈ উৎকৃষ্ট উপায় একো নাই। ভগৱন্তৰ চৰণাৰবিন্দত প্ৰাৰ্থনা কৰোঁ শ্ৰীযুত সন্দিকৈ দেৱক যেন দীৰ্ঘজীৱী কৰি মাতৃপূজা কৰিবলৈ সামৰ্থ্য দিয়ে।

এই সভাৰ উন্নতিকামী আৰু পৃষ্ঠপোষক অসমৰ ভূতপূৰ্ব গৱৰ্ণৰ মাননীয় ছাৰ মাইকেল কীন বাহাদুৰৰ মৃত্যুত সাহিত্য সভাই অতি দুখ পালে। চৰ্কাৰৰ অৰ্থ অনাটনৰ দিনতো তেখেতে আমাৰ দেশ এৰি যোৱাৰ অলপ আগতে সাহিত্য সভালৈ ৩০০৲ তিনিশ টকা দান কৰি গৈছিল। এই সভাই তেখেতৰ আত্মাৰ সদ্গতি কামনা কৰে।

জগত-বিখ্যাত বৈজ্ঞানিক, ভাৰত-ৰত্ন, আচাৰ্য্য জগদীশচন্দ্ৰ বসুৰ মৃত্যুও আমাৰ সকলোৰে প্ৰতি অতি দুৰ্ভাগ্য আৰু শোকৰ কথা।

পৰম পৱিত্ৰ বৈষ্ণৱ ধৰ্ম্মৰ কেন্দ্ৰস্থান বিখ্যাত বৰদোৱা সত্ৰৰ অধিকাৰ ৺বংশীবদন দেৱ গোস্বামীৰ বৈকুণ্ঠ প্ৰয়াণত অসমীয়া ৰাইজে অতি দুখ পালে। তেখেত আমাৰ সাহিত্য সভাৰ এজন প্ৰধান হিতাকাঙ্ক্ষী পুৰুষ আৰু এই সভাৰ আজীৱন সভ্য আছিল। ভগৱন্ত প্ৰভুৱে তেখেতৰ পৱিত্ৰ আত্মাক বৈকুণ্ঠত স্থান দিয়ক!

বুৰঞ্জী-প্ৰসিদ্ধ আহোম ৰজাসকলৰ বংশধৰ ৰাজকুমাৰ চন্দ্ৰনাৰায়ণ সিংহৰ মৃত্যুত আমি এজন গুণী, মাণী আৰু তেজস্বী পুৰুষ হেৰুৱালোঁ। আমাৰ গৌৰৱৰ স্থল আহোম ৰজাসকলৰ চিন তেখেতৰ স্বভাৱ, চৰিত্ৰ আৰু চেহেৰাত সম্পূৰ্ণে বিদ্যমান আছিল। ভগৱন্তে তেখেতৰ আত্মাৰ সদ্গতি কৰক।

অসম সাহিত্য সভাৰ ভূ পূৰ্ব সভাপতি, সৰল, উদ্যোগী সৎসাহসী আৰু সুপুৰুষ সুকবি কমলাকান্ত ভট্টাচাৰ্য্য দেৱৰ মৃত্যুত আমাৰ দেশে এজন লেখত লবলগীয়া সন্তান হেৰুৱালে। তেখেত সুদীৰ্ঘ জীৱন অবিশ্ৰান্তভাৱে সাহিত্য আৰু সমাজ-সেৱা কৰি শেষত বৃদ্ধাৱস্থাত মৃত্যু হল। তেখেত অসমীয়া ভাষাৰ আৰু সাহিত্যৰ ধৰণী স্বৰূপ আছিল। তেখেতৰ অতি সৰল ভাষাত লিখা গভীৰ ভাবপূৰ্ণ প্ৰবন্ধবিলাক আমাৰ সাহিত্যত সদায় অনুকৰণীয় হৈ থাকিব। বৃদ্ধ বয়সত হলেও তেখেতৰ মৃত্যু অসমীয়া ৰাইজৰ বৰ শোকৰ ঘটনা।

শিৱসাগৰৰ খ্যাতনামা উকীল শ্ৰদ্ধেয় ৺গুজানন বৰুৱা এজন সুসাহিত্যিক আছিল। তেখেত তাহানিৰ বিখ্যাত 'ভ্ৰমৰঙ্গ' নাটক লিখোঁতাসকলৰ এজন আৰু কলিকতা অ, ভা, উ, সা, সভাৰ অন্যতম প্ৰধান উদ্যোগী সভ্য আছিল। এনে এজন গুণী আৰু অমায়িক পুৰুষ হেৰুৱাই আমি বৰ দুখ পাইছোঁহক।

সেই ঠাইৰে আৰু এজন অমায়িক উকীল আৰু সাহিত্যানুৰাগী পুৰুষ বিখ্যাত নামতিয়াল বৰুৱাৰ বংশৰ স্বৰ্গীয় ৰামকুমাৰ বৰুৱাৰ মৃত্যুৰ বাবেও আমাৰ অনেক হানি হৈছে। শৰীৰ ভালে থকা কালত ৰামকুমাৰ বৰুৱা ডাঙৰীয়াই সকলো ৰাজহুৱা কামতে আগ-ভাগ লৈছিল।

তেজপুৰত বহা ষোড়শ সন্মিলনত কাৰ্য্য-নিৰ্ব্বাহক সমিতি নতুনকৈ গঠণ কৰাৰ লগে লগে শ্ৰীযুত লক্ষেশ্বৰ শৰ্ম্মা বৰুৱা আৰু শ্ৰীযুত মিত্ৰদেৱ মহন্তক সহকাৰী সম্পাদক, শ্ৰীযুত দেবেশ্বৰ শৰ্ম্মা চৰ্কাৰী উকীলক ধন ভৰ্ৰাঁলী, শ্ৰীযুত তুলসীনাৰায়ণ শৰ্ম্মাক পুথি-ভৰ্ৰাঁলী নিযুক্ত কৰা হৈছিল। এখেতসকলে নিজ নিজ কাৰ্য্য সুচাৰু-ৰূপে চলোৱাত তেখেতসকললৈ আন্তৰিক শলাগ।

এই সভাতে প্ৰধান সম্পাদকৰ ভাৰ খ্যাতনামা সাহিত্যিক সুযোগ্য শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা সাহিত্যৰত্ন দেৱৰ হাতৰ পৰা আনি এই অযোগ্যৰ হাতত অৰ্পণ কৰা হৈছিল। এনেকুৱা দায়িত্বপূৰ্ণ কামৰ কাৰণে নিজৰ অযোগ্যতাৰ কথা ভালকৈ জানি-শুনিও সাহিত্যিক সকলৰ আদেশ উপেক্ষা কৰিবৰ শক্তি নহল।

প্ৰধান সম্পাদকৰ কাৰ্য্য-বিৱৰণীৰ মূল কাম হৈছে সন্মিলনৰ এক অধিবেশনৰ পৰা অন্য অধিবেশনলৈকে কৰিব পৰা বা কৰিবলৈ ধৰা কাৰ্য্যবিলাক ৰাইজৰ আগত উল্লেখ কৰা। দুখৰ কথা, বিশেষভাৱে উল্লেখ-যোগ্য সভাৰ তেনে কোনো কাৰ্য্য নাই হোৱা বুলিলেও মিছা কোৱা নহব। যি বা দুই চাৰি কাম হাতত লোৱা হৈছে, সিও সম্পূৰ্ণ হৈ উঠা নাই, আধাডোখৰীয়া হৈয়ে আছে। অৰ্থৰ অভাৱেই আশানুৰূপ কোনো কাম কৰিব নোৱৰাৰ প্ৰধান কাৰণ। সেই বাবে কাৰ্য্য-নিৰ্ব্বাহক সমিতি নিতান্ত দুখিত। তথাপি সি অলপ কামত আগ বাঢ়িব পৰা গৈছে বা আগুৱাবলৈ যত্ন কৰা হৈছে তাৰ চমু আভাস আপোনাসকলৰ আগত দাঙি ধৰিবলৈ আগ বাঢ়িলোঁ।

সম্পাদকৰ ভাৰ লোৱা অলপ দিনৰ পাছতে সভাৰ স্বীকৃত সভা কিছুমানৰ সংখ্যা বঢ়োৱাৰ অভিপ্ৰায়ে অসম উপত্যকাৰ সকলো মজলীয়া স্কুলৰ প্ৰধান শিক্ষক-সকললৈ, তেখেতসকলেই সম্পাদক হৈ ওচৰৰ প্ৰাইমেৰী স্কুলৰ শিক্ষক আৰু স্থানীয় বিদ্যোৎসাহী ৰাইজৰ সহায়েৰে একোখন স্বীকৃত সভা পাতিবলৈ সানুনয়ে নিবেদন জনোৱা হৈছিল। কিন্তু বৰ দুখৰ বিষয় বহুতৰ পৰা আমি একো সামধানকে নাপালোঁ। দুই এঠাইৰ পৰা সভাৰ নিয়মাৱলী নিয়াইছিল; কিন্তু নতুন সভা আৰু গঠন নহল। বৰ্ত্তমান স্বীকৃত সভাৰ সংখ্যা ৩৮ খন আৰু সভ্যৰ সংখ্যা ৪৪৫ জন। স্বীকৃত সভাবিলাকে কিবা কাম কৰিছেনে, ঘাই সভাই জানিবৰ একো উপাই নাই। সন্দেহ হয় এই সভাবিলাকৰ বহুতৰে বোধকৰোঁ নামটোহে অস্তিত্বহে আছে। এই সভাবিলাকৰ বছেৰেকীয়া কাৰ্য্য-বিৱৰণী একোখন প্ৰধান সম্পাদকলৈ পঠালে কিবা উল্লেখযোগ্য কথা থাকিলে সন্মিলনক জনাবলৈ সুবিধা হয়।

যোৱা সন্মিলনতে সাহিত্য-ৰত্ন শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা ডাঙ্গৰীয়াৰ গাতে সাহিত্য-সভা-পত্ৰিকাৰ সম্পাদনৰ ভাৰ দিয়া হৈছিল। তেখেতে অসুস্থ শৰীৰেৰেও অনেক কষ্ট স্বীকাৰ কৰি পত্ৰিকাৰ এতিয়ালৈকে তিনিসংখ্যা উলিয়াইছে আৰু এক সংখ্যা এই মাহৰ শেহত বা অহা মাহৰ আদিতে উলিয়াবলৈ যো-জা কৰিছে। আলোচনাৰ কাৰণে সৰঞ্জাদি পাবলৈ নাই। শ্ৰীযুত বৰুৱা ডাঙ্গৰীয়াই নিজেও লিখে আৰু অনেক প্ৰবন্ধ কৰিছে দুই এটি প্ৰবন্ধ গোটায়। তেখেতৰ উদ্যম প্ৰশংসনীয়। এই কাকতৰ বাবে চৰ্কাৰে অনুগ্ৰহ কৰি দিয়া ৬০০, ছশ টকাৰেহে যি হয় খৰচ চলোৱা হৈছে। গ্ৰাহকসকলৰ পৰা একো ৰৰঙণি উঠা নাই। ইও এটা দুখৰ বিষয়।

১৯৩৬ চনৰ আগষ্ট মাহত কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ এখন বিশেষ অধিবেশন পতা হৈছিল। এই অধিবেশনত সকলো ঠাইৰে কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সভ্যসকলক যোগ দিবলৈ বুলি বিশেষভাৱে অনুৰোধ কৰি চিঠি দিয়া হৈছিল; কিন্তু যোৰহাটৰ বাহিৰে কেৱল

গোলাঘাটৰ—শ্ৰীযুত গোপালচন্দ্ৰ গোস্বামী

শিৱসাগৰ— " পদ্মধৰ চলিহা

নগাঁৱৰ— " ৰত্নকান্ত বৰকাকতী

জাঁজি সাহিত্য সভাৰ সম্পাদক— „ ভ্ৰমৰচন্দ্ৰ শইকীয়া

টীয়ক সাহিত্য সভাৰ সম্পাদক— " বিনন্দচন্দ্ৰ বৰুৱা

শিৱসাগৰ সাহিত্য সভাৰ



সহকাৰী সম্পাদক— " শ্ৰীৰামচন্দ্ৰ দাস

শিৱসাগৰ সাহিত্য সভাৰ

প্ৰতিনিধি — " পাৰ্ব্বতি প্ৰসাদ বৰুৱা

দেৰগাঁও সাহিত্য সভাৰ

সম্পাদক— " চাৰুচন্দ্ৰ গোস্বামী

চেনেহী সাহিত্য সভাৰ

সম্পাদক— " কিৰণচন্দ্ৰ গোস্বামী

উপস্থিত আছিল।

এই সভাত মুঠ সভ্য উপস্থিত আছিল ২৩ জন; আৰু এই অধিবেশনৰ সভাপতি আছিল মান্যবৰ শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী।

এই সভাৰ আগত যোৱা ৪।৫ বছৰৰ পৰা সভাৰ আয়-ব্যয়ৰ হিচাব দাঙি ধৰা হৈছিল আৰু একাদশ সন্মিলনৰে পৰা গৃহীত হোৱা প্ৰস্তাৱবিলাকৰ ভিতৰত ধনৰ অভাৱত কেনেকৈ প্ৰস্তাৱভাৱেই পৰি থাকিল তাৰ এটি বিস্তৃত বিৱৰণ লিখি আমি সভাৰ সুবিবেচনাৰ আগত নিবেদন শুনাইছিলোঁ। এই সভাত সকলো কথা সম্যকৰূপে আলোচনা কৰা হৈছিল। এই সভাতে আমাৰ সাহিত্য সভাৰ কাৰণে আগেয়ে দিয়া আৰু আজি পাঁচ বছৰ ধৰি, কি দোষত কোৱা টান, নিদিয়া ৩০০০, তিনিহাজাৰ টকা গৱৰ্ণমেণ্ট গ্ৰাণ্ট দিবলৈ পুনৰ অনুৰোধ কৰিবৰ অভিপ্ৰায়ে মাননীয় গৱৰ্ণৰ বাহাদুৰৰ ওচৰলৈ এটি "ডেপুটেশ্বন" যোৱাৰ সিদ্ধান্ত কৰা হৈছিল। সেই বিষয়ে তেখেতৰ অনুমতি খোজাত তেখেতে লিখিলে যে চৰ্কাৰৰ এনে অৰ্থ অনাটনৰ দিনত মিছাকৈ এনে "ডেপুটেশ্বন" আহি কষ্ট কৰাৰ একো আৱশ্যক নাই। যি হওক, ইয়াৰ উত্তৰতে আমাৰ সভাৰ সাহাৰ্য্যৰ অৰ্থে তেখেতে অনুগ্ৰহ কৰি ৩০০, তিনিশ টকা দান দিছিল।

মাননীয় গৱৰ্ণৰ বাহাদুৰ বা মন্ত্ৰীসকলৰ কোনোজন আহিলে সাহিত্য সভাৰ কাৰ্য্যাৱলী এবাৰ দেখুৱাই অৰ্থৰ অভাৱত যে আমি কোনো কামত আগ বাঢ়িব পৰা নাই এই কথা ভালকৈ বুজাই অৰ্থ-সাহাৰ্য্য খুজিবৰ ইচ্ছা আছিল। কিন্তু যোৱা সন্মিলনৰে পৰা স্বায়ত্ব শাসন বিভাগৰ মন্ত্ৰী বাহাদুৰ মাননীয় মিঃ নিকলচ্ ৰায়ৰ বাজে এখেতসকলৰ কোনো এজনো যোৰহাটলৈ অহা নাই; তেখেতকো সাহিত্য সভা এবাৰ চাবলৈ অনুৰোধ কৰাত সময়ৰ অভাৱত তেখেত সভাৰ অফিচ ঘৰলৈ আহিব নোৱাৰি দুখিত হলোঁ বুলি আমালৈ এখন চিঠি দি গল।

সভাৰ এই ভীষণ অৰ্থ-সঙ্কটৰ দিনত গৱৰ্ণমেণ্টৰ পৰা আগেয়ে পোৱা তিনি হাজাৰ টকাৰ সহায় নাপালে কোনো লেখত লবলগীয়া কামলৈকে আগ বাঢ়িব নোৱাৰি। এই বিষয়ে আমাৰ সদাশয় মন্ত্ৰী ডাঙৰীয়াসকল আৰু এছেম্বলীৰ সদস্যসকলৰ ওচৰত বিশেষ সদয় দৃষ্টি আশা কৰা হৈছে।

মঙ্গলদৈ মহকুমাৰ শ্ৰীযুত শুকলাল ঘোষ ডাঙৰীয়াই ১৯৩৫ শকৰ ভিতৰত প্ৰচাৰ হোৱা সৰ্ব্বোৎকৃষ্ট গ্ৰন্থৰ বাবে দিব খোজা স্বৰ্ণ পদকাটি যোৱা ষোড়শ সন্মিলনতে দিবৰ কথা আছিল। উপযুক্ত সংখ্যক গ্ৰন্থ নাপাই সাহিত্য সভাই সময় বঢ়াই দিছিল। এতিয়া পৰীক্ষক-সকলে এই পদকাটি "সুৰ বিজয়" প্ৰণেতা সঙ্গীতজ্ঞ শ্ৰীযুত কীৰ্ত্তিনাথ শৰ্ম্মা বৰদলৈ আৰু তেখেতৰ সুযোগ্য পুত্ৰ শ্ৰীমান মুক্তিনাথ শৰ্ম্মা বৰদলৈয়েই পাবৰ উপযুক্ত বুলি বিবেচনা কৰাত এই সন্মিলনতে এই পদকাটি দিয়াৰ দিহা কৰা হৈছে।

পঞ্চদশ সন্মিলনৰ সভাপতি ৰায় বাহাদুৰ শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা ডাঙৰীয়াই "পটন্তৰ আৰু ফকৰা" সংগ্ৰহৰ বাবে ২৫৲টকা মূল্যৰ এটা ঘোষণা কৰিছিল। এই সম্পৰ্কে পোৱা কিতাপ কেইখন পৰীক্ষা কৰাই পৰীক্ষকসকলৰ মত অনুযায়ী যোৱা ২২।১২।৩৭ তাৰিখে বহা কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে শ্ৰীযুত ডিম্বেশ্বৰ নেওগ ডাঙৰীয়াৰ কিতাপখনিকে উক্ত পুৰস্কাৰ পাবৰ উপযুক্ত বুলি সিদ্ধান্ত কৰিছে।

উক্ত সন্মিলনতে মৌলবী আব্দুৰ ৰহমান চব ডেপুটী কলেক্টৰ চাহাবে 'সাহিত্যত সাম্প্ৰদায়িকতা" বিষয়ৰ উৎকৃষ্ট ৰচনাৰ বাবে ২৫৲ টকা মূল্যৰ এটি পদক আগ বঢ়াইছিল। যথা সময়ত উপযুক্ত ৰচনা নোপোৱাৰ

বাবে কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে আকৌ দিন বঢ়াই দিবলৈ বাধ্য হৈছিল। পাচত পোৱা ৰচনা বিলাকৰ সেতে সকলো থিনি ৰচনা পৰীক্ষা কৰোৱাত পৰীক্ষকসকলে নগাঁৱৰ কৃত-বিদ্য ডেকা সাহিত্যিক শ্ৰীযুত ৰাধিকা মোহন দেৱ গোস্বামীৰ ৰচনাখনিকে সৰ্ব্বোৎকৃষ্ট বুলি মত দিলে। এই সন্মিলনতে তেখেতক পদকটি দিবলৈ দিহা কৰা হৈছে।

মৌলবী মহম্মদ মহিবুল্লা, ই, এ, চি, চাহাবে ঘোষণা কৰা স্বৰ্ণ পদকটিৰ বিষয় আছিল "অসমীয়া সাহিত্যত ইচ্‌লাম আৰু অসমীয়া মুচলমানৰ ঠাই ক'ত"—এই বিষয়ে উপযুক্ত ৰচনা নোপোৱাত কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে কেবাবাৰো দিন দীঘলাই দিয়াত শেহত দুটেই দুখন ৰচনাহে পোৱা হল। এই দুখন ৰচনাকে পৰীক্ষা কৰোৱাই পৰীক্ষকসকলৰ মত অনুযায়ী যোৱা ২২।১২।৩৭ তাৰিখে বহা কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে চৈয়দ আব্দুল মালিকৰ ৰচনাখনিকে উপযুক্ত বুলি বিবেচনা কৰাত তেওঁকে এই পুৰস্কাৰ দিবলৈ স্থিৰ কৰা হৈছে।

উত্তৰ লক্ষীমপুৰ সন্মিলনৰ বুৰঞ্জী শাখাৰ সভাপতি শ্ৰীযুত সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী দেৱৰ অভিভাষণখনি ছপা কৰাই যোৱা সন্মিলনতে বিতৰণ কৰাৰ কথা আছিল। কিন্তু সভাই এই কাৰ্য্যৰ নিমিত্তে অৰ্থ সহায় কৰিব নোৱৰাত ইমান দিনে এই পুথিৰ প্ৰকাশ বন্ধ হৈ আছিল। সাহিত্য সন্মিলনৰ পূৰ্ব্বৰ আদেশ শিৰোগত কৰি এই অৰ্থ সঙ্কটৰ দিনটো কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে ছপা খৰচৰ বাবে আংশিকভাৱে ২৫৲ পচিশ টকা শ্ৰীযুত কটকী দেৱলৈ পঠালে। আশা কৰোঁ এই সন্মিলনতে তেখেতে তেখেতৰ সাৰগৰ্ভ উৎকৃষ্ট অভিভাষণখনি বিতৰণ কৰিব পাৰিব।

চন্দ্ৰকান্ত অভিধানৰ সংশোধন কামত বিশেষ একো আগবাঢ়িব পৰা নাই। ধনৰ নাটনিয়েই ইয়াৰো থাই কাৰণ। ৰায় বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াক এই ট্ৰাষ্ট বোৰ্ডে এতিয়াও প্ৰায় ৭০০০৲ সাত হাজাৰ টকা দিব লাগে। সেই কাৰণে অভিধান সংশোধন কাৰ্য্যৰ খৰচ বহন কৰিবলৈ ট্ৰাষ্ট বোৰ্ডৰ পৰা বৰ্ত্তমান অৰ্থ সাহায্য পোৱা সম্ভৱপৰ নহয়। ধনৰ জোৰা মৰিলে এই লাগতিয়াল কাৰ্য্যটি আকৌ হাতত লোৱা হব।

কমলাদেৱী ট্ৰাষ্ট ফণ্ডৰ পৰা পুৰস্কাৰ ঘোষণা কৰা শ্ৰীযুত বিনন্দচন্দ্ৰ বৰুৱাৰ "ৰাজস্থানৰ গল্প" কিতাপখনি প্ৰকাশ হৈ গ'ল। "বিজ্ঞানৰ গল্প" নামৰ কিতাপখনি এতিয়ালৈকে উলিয়াব পৰা হোৱা নাই। এই কিতাপখনিৰ গ্ৰন্থকাৰে এতিয়ালৈকে প্ৰথম ফৰ্ম্মাটোকে ছপা কৰি দিব নোৱাৰিলে। তেখেতৰ পৰাও এই বিষয়ে আমি একো জানিবলৈ পোৱা নাই।

এই ট্ৰাষ্ট ফণ্ডৰ টকাৰে অসমৰ মহৎলোকসকলৰ এলানি চৰিত্ৰাৱলী শিশুপাঠ্যৰ উপযোগী কৰি উলিয়াবলৈ বুলি সন্মিলনৰ আদেশ আছিল। তাৰ বাবে নিযুক্ত কৰা চব্‌কমিটীয়ে দহজন লোকৰ চৰিতাৱলী প্ৰথমে লিখাবলৈ বুলি বাচি দিছিল আৰু খনে ২০৲ কুৰি টকাকৈ পুৰস্কাৰ ঘোষণা কৰিছিল। যথাসময়ত বিজ্ঞাপন দিয়াত ৭ জন লোকৰ জীৱনীহে পোৱা গ'ল। এইবিলাক পুথি পৰীক্ষা কৰোৱা হৈছে; আৰু বাকী তিনি জনৰ জীৱনী পাবলৈ ৩১।১।৩৮ তাৰিখলৈকে সময় বঢ়াই দিয়া হৈছে। এই কিজনৰ চৰিত্ৰাৱলী প্ৰকাশ কৰি উলিওৱাৰ পিচত আৰু জনদিয়েকৰ জীৱনী উলিয়াবলৈ যত্ন কৰা হব।

নৱদেৱ ট্ৰাষ্ট ফণ্ডৰ পৰা এই বছৰত কোনো কিতাপ প্ৰকাশ হোৱা নাই। উপযুক্ত পুথি নোপোৱাৰ বাবেই এই ফণ্ডৰ পৰা কোনো কিতাপ প্ৰকাশ কৰিবলৈ হাতত লব পৰা নহল।

চন্দ্ৰকান্ত ইন্দ্ৰকান্ত ট্ৰাষ্ট ফণ্ডৰ হিচাপ আগৰ দৰেই বেলেগে আছে। কমলাদেৱী আৰু নৱদেৱ ট্ৰাষ্ট ফণ্ডৰ হিচাপ আগৰ দৰেই সাহিত্য সভাৰ হিচাপৰ লগতে ৰখা হৈছে। পৰীক্ষকে পৰীক্ষা কৰা হিচাপৰ নকল এই কাৰ্য্য-বিৱৰণীৰ লগত সংযোগ কৰি দিয়া হৈছে।

১৬ শ সন্মিলনত সৰ্ব্বমুঠ ২২ টা প্ৰস্তাৱ গৃহীত হৈছিল। তাৰ বিষয়ে লাগতিয়াল সকলোখিনি লিখা-লিখি কাৰ্য্য কৰা হল।

প্ৰস্তাৱিত অসম বিশ্ববিদ্যালয় গুৱাহাটীত হব লাগে বুলি গৱৰ্ণমেণ্টক জনাবলৈ যোৱা ১৬ শ সন্মিলনত এটি



প্ৰস্তাৱ গৃহীত হয়। এই বিষয়ে গৱৰ্ণমেণ্টক জনোৱা হল। প্ৰস্তাৱৰ নকলৰ প্ৰাপ্তি স্বীকাৰৰ বাহিৰে এতিয়ালৈকে কোনো উত্তৰ পোৱা নাই।

অসমীয়া বৈজ্ঞানিক পৰিভাষা সঙ্কলনৰ নিমিত্তে যোৱা সন্মিলনে এখন সমিতি গঠন কৰিছিল। এই সমিতিৰ সম্পাদকৰ ভাৰ দিছিল শ্ৰীযুত বিৰিঞ্চিকুমাৰ বৰুৱা এম, এ, বি, এল দেৱক। শ্ৰীযুত বৰুৱা দেৱে অশেষ পৰিশ্ৰম আৰু কষ্ট স্বীকাৰ কৰি অসম গৱৰ্ণমেণ্টৰ লগত অনেক লিখালিখি কৰি এই কাৰ্য্যৰ কাৰণে গৱৰ্ণমেণ্টৰ পৰা ৫০০৲ পাঁচশ টকা সাহায্য লাভ কৰিছে। এই টকাৰে আৰু সমিতিৰ সভ্যসকলৰ সহায়ত সম্প্ৰতি পাটীগণিত, বিজগণিত, জ্যামিতি, জ্যোতিৰ্ব্বিদ্যা, পদাৰ্থবিজ্ঞান আৰু ভৌগোলিক বিষয়ৰ পৰিভাষাহে সঙ্কলন কৰা হৈছে। ইয়াৰ দ্বিতীয় ভাগো অলপতে প্ৰকাশ হব বুলি আমাক জনাইছে। শ্ৰীযুত বৰুৱা দেৱে অক্লান্ত পৰিশ্ৰম কৰি এই পৰিভাষা কাৰ্য্য সঙ্কলন কৰাত তেখেতক আৰু পৰিভাষা সমিতিৰ সভ্যসকলক কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ হৈ আমি আন্তৰিক ধন্যবাদ জনাইছো।

মহামহোপাধ্যায় ধীৰেশ্বৰ ভট্টাচাৰ্য্য দেৱৰ "বৃত্তমঞ্জৰী" কিতাপখনি প্ৰকাশ কৰিবৰ নিমিত্তে যোৱা ১৬ শ সন্মিলনে শ্ৰীযুত দেৱেন্দ্ৰনাথ ভট্টাচাৰ্য্য দেৱক ভাৰ দিছিল। এই কাৰ্য্য সম্পাদন কৰিবৰ নিমিত্তে কিছু অৰ্থ সাহায্য কৰিবলৈ তেজপুৰ অভ্যৰ্থনা সমিতিক অনুৰোধ কৰা হৈছিল। তেজপুৰৰ অভ্যৰ্থনা সমিতিয়ে এই কাৰ্য্যৰ কাৰণে ১০০৲ এশ টকা দান কৰিছে; এই বাবে অভ্যৰ্থনা সমিতিৰ সভ্যসকলক আমি ধন্যবাদ জনাইছোঁ। "বৃত্তমঞ্জৰী" প্ৰকাশৰ বাবে শ্ৰীযুত ভট্টাচাৰ্য্য দেৱে বিজনী ৰজা ওৱাৰ্ডৰ পৰা ৫০৲ টকা পাইছে। কিতাপখনি প্ৰেচত দিলে বৰপেটা মিউনিচিপেলটিয়ে ২৫৲ টকা দিয়াৰ প্ৰতিশ্ৰুতি দিছে। শ্ৰীযুত ভট্টাচাৰ্য্য দেৱে এই বিষয়ে সকলো অসমীয়া ৰাইজৰ সহায়-সহানুভূতি প্ৰাৰ্থনা কৰি গোহাৰী জনাইছিল; কিন্তু কাৰো পৰা সন্তোষজনক উত্তৰ নাপালে বুলি আমাক জনাইছে। "বৃত্তমঞ্জৰী" কিতাপখনি প্ৰকাশৰ নিমিত্তে সকলো ৰাইজে যি পাৰে অলপ অৰ্থ-সাহায্য কৰি শ্ৰীযুত ভট্টাচাৰ্য্য দেৱক এই কাৰ্য্যত উৎসাহ দিব বুলি আশা কৰিলোঁ। "বৃত্তমঞ্জৰী" প্ৰকাশৰ অৰ্থে শ্ৰীযুত ভট্টাচাৰ্য্য দেৱে কৰা যত্ন প্ৰশংসনীয়; আৰু আমি তেখেতক ধন্যবাদ জনাইছোঁ।

১৬ শ সন্মিলনত গৃহীত হোৱা দ্বাদশ প্ৰস্তাৱ অনুসৰি তেজপুৰ নগৰত এখনি সঙ্গীত আৰু কলা-বিদ্যালয় স্থাপন কৰিবলৈ গৱৰ্ণমেণ্টক অনুৰোধ কৰি লিখা হৈছিল। তাৰ উত্তৰত অসম গৱৰ্ণমেণ্টে এনেকুৱা স্কুল স্থাপন কৰাৰ বিষয়ে বিবেচনা কৰিবলৈ বৰ্ত্তমান অক্ষম বুলি আমাক জনাইছে।

স্বৰ্গীয় ৰায় বাহাদুৰ মহীধৰ ভূঞা ডাঙৰীয়াৰ দ্বাৰা সংগৃহীত অঙ্কীয়া নাটখিনি প্ৰকাশৰ সম্পৰ্কে আৰু মূল পুথিখিনি উদ্ধাৰ কৰিবৰ নিমিত্তে যত্ন কৰিবলৈ এটি প্ৰস্তাৱ গৃহীত হৈছিল। এই বিষয়ে আমি কেবাজনলৈকো লিখালিখি কৰি এতিয়ালৈকে একো গ্ৰন্থ সংগ্ৰহ কৰিব পৰা নাই।

১৬শ সন্মিলনৰ সপ্তদশ প্ৰস্তাৱ অনুসৰি অসম উপত্যকাৰ সকলো শ্ৰেণীৰ স্কুলসমূহৰ নিমিত্তে পূৰ্ব্বৰ দৰে অসমীয়া পুথি বচা সমিতি পুনৰ প্ৰতিষ্ঠা কৰিবলৈ আৰু উক্ত সমিতিত এই সভাৰ পৰা অন্ততঃ তিনিজন প্ৰতিনিধি লবৰ নিমিত্তে গৱৰ্ণমেণ্টক অনুৰোধ কৰা হৈছিল। এই বিষয়ে গৱৰ্ণমেণ্টৰ পৰা প্ৰাপ্তি স্বীকাৰ কৰাৰ বাহিৰে অন্য একো উত্তৰ পোৱা নাই।

শ্ৰীযুত লক্ষীনাথ বেজবৰুৱা ডাঙৰীয়াক এটি সাহিত্যিক পেঞ্চন দিবৰ নিমিত্তে অথবা অন্য কোনো প্ৰকাৰে অৰ্থ সাহায্য মঞ্জুৰ কৰিবৰ নিমিত্তে চৰ্কাৰলৈ এটি প্ৰস্তাৱ আছিল। তাৰ উত্তৰত চৰ্কাৰে, বৰ্ত্তমান অৰ্থ অনাটনৰ দিনত শ্ৰীযুত বেজবৰুৱা ডাঙৰীয়াক এটি সাহিত্যিক পেঞ্চন দিব নোৱাৰি দুখ প্ৰকাশ কৰিলে।

নিৰ্ভাঁজ পুৰণি অসমীয়া আখৰৰ প্ৰচলন কাৰ্য্যকৰী কৰিবলৈ ৰাইজৰ মত আহ্বান কৰিবৰ নিমিত্তে ১৬ শ সন্মিলনত গৃহীত হোৱা প্ৰস্তাৱ অনুসৰি আমি বাতৰি কাকতত জাননী দিছিলোঁহক। এই বিষয়ে কেৱল দুজন ভদ্ৰলোকৰ পৰাহে আমি মতামত পাইছোঁ।

বাতৰি কাকতত প্ৰকাশ হোৱা মতামত কিছুমানো বিষয় বাচনি সভাত দিবৰ নিমিত্তে আমি সংগ্ৰহ কৰি ৰাখিছোঁ।

স্বৰ্গীয় ভাৰতচন্দ্ৰ দাস ডাঙৰীয়াৰ দ্বাৰা প্ৰণীত "অসমীয়া সাহিত্য আৰু ভাষাৰ বুৰঞ্জী" নামক গ্ৰন্থখনি প্ৰকাশ কৰিবৰ নিমিত্তে তেজপুৰ সন্মিলনে এখনি সমিতি গঠন কৰি দিছিল। এই সমিতিৰ সভ্য শ্ৰীযুত লক্ষ্মীনাথ দাসে তেখেতৰ ২১।১২।৩৭ তাৰিখৰ চিঠিত আমাক জনাইছিল যে এই সন্মিলনতে কিতাপখনিৰ পাণ্ডুলিপি দেখুৱাব পাৰিব। এই মূল্যবান গ্ৰন্থখনি ছপা কৰা কাৰ্য্যত সমিতিয়ে বহুদূৰ আগ বাঢ়িব পৰা দেখি আমি সন্তোষ পাইছোঁ।

অসমৰ পৰ্ব্বতীয়া জিলাবিলাকৰ স্কুলত অসমীয়া আখৰ প্ৰচলন কৰিবলৈ; অসম উপত্যকাৰ কোনো স্কুলত অসমীয়া ভাষাত বাজে আন ভাষা শিক্ষাৰ বাহন হলে তেনেকুৱা স্কুলত বিভাগীয় মঞ্জুৰ নিদিবৰ নিমিত্তে গৃহীত হোৱা প্ৰস্তাৱ কেইটিৰ বিষয়ে গৱৰ্ণমেণ্টলৈ লিখা হৈছিল; কিন্তু গৱৰ্ণমেণ্টৰ পৰা এই বিষয়ে কোনো উত্তৰ পোৱা নাই।

ভাৰতীয় চিভিল চাৰ্ভিচ পৰীক্ষাৰ বিষয় তালিকাৰ "বি" বিভাগত অসমীয়া ভাষাক ঠাই দিবৰ নিমিত্তে গৃহীত হোৱা প্ৰস্তাৱৰ সম্পৰ্কে গৱৰ্ণমেণ্টলৈ লিখা হৈছিল। ইয়াৰ উত্তৰত গৱৰ্ণমেণ্টে আমাক জনাইছে "That the Government of Assam have decided after very careful consideration not to make any recommandation to the Government of India on the subject until the Calcatta University have recognied Assamese as a Pincipal subject for its B. A. and M. A. Examinations."

অৰ্থাৎ কলিকতা বিশ্ববিদ্যালয়ে যেতিয়ালৈকে অসমীয়া ভাষাক বি, এ, আৰু এম, এ, পৰীক্ষাৰ নিমিত্তে প্ৰধান বিষয় বুলি গণ্য নকৰে তেতিয়ালৈকে এই বিষয়ে অসম গৱৰ্ণমেণ্টে ভাৰত গৱৰ্ণমেণ্টক অনুৰোধ কৰিব নোৱাৰে।

"জৰল বিজ্ঞান" নামৰ কিতাপ এখনৰ নিমিত্তে সাহিত্য সভাই ২০০৲ দুশ টকা পুৰস্কাৰ ঘোষণা কৰিছিল; এই পুৰস্কাৰ ১৯৩১ চনত গুৱাহাটীৰ শ্ৰীযুত পদ্মকান্ত ডেকা, বি, এল, দেৱে লাভ কৰিছিল। এই পুৰস্কাৰ ২০০৲ টকাৰ উপৰিও কিতাপখনি ছপা কৰিবলৈ শ্ৰীযুত ডেকাই আৰু কিছু টকা সহায় বিচৰাত কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে আৰু ২০০৲ দুশটকা ধাৰ তেখেতক দিছে। শ্ৰীযুত ডেকাই কিতাপখনি, পুৰস্কাৰৰ টকা লোৱাৰ এবছৰৰ ভিতৰত ছপাকাৰ্য্য শেষ কৰাৰ চুক্তিত এখন দলিল লিখি দিছিল। কিন্তু অতি দুখৰ বিষয় আজি এই ৬।৭ বছৰেও এই কিতাপৰ ছপা কাৰ্য্য শেষ হৈ উঠা নাই। তেখেতে আমাক এতিয়ালৈকে এই কিতাপৰ কেৱল ছটাহে ছপা ফৰ্ম্মা দিব পাৰিছে। এই কিতাপৰ বাকী কেই ফৰ্ম্মাও অতি সোনকালে আমাক দিব বুলি আশা কৰিলোঁ। এই বিষয়ে কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ আদেশ অনুসৰি আমি সদায় তেখেতৰ লগত লিখা-মেলা কৰি আছোঁ।

বৰ্ত্তমান আমি প্ৰধান সম্পাদকৰ কাৰ্য্য ভাৰ লওঁতে সভাৰ জমাৰ মূৰে ভালেখিনি টকাৰ ধাৰ আছিল। সেই ধাৰ এতিয়াও তেনেই আছে। কাৰ্য্য-নিৰ্ব্বাহক সমিতিত গৃহীত আৰু পৰীক্ষকৰ দ্বাৰা পৰীক্ষিত ১৯৩৫-৩৬ আৰু ১৯৩৬-৩৭ চনৰ হিচাপ এই বিবৰণীৰ অন্তত দিয়া হৈছে।

১৯৩৫-৩৬ চনৰ পত্ৰিকা প্ৰকাশৰ বাবে গৱৰ্ণমেণ্টৰ পৰা পোৱা ৬০০৲ টকাৰ বাদে সভাৰ মোট আয় ৭৪৭৮০ অন্য আৰু মুঠ ব্যয় ৯১৬৮/৭ পাই, এই বছৰ পত্ৰিকাৰ ৬০০৲ টকাৰ পৰা ১৬৯৫৯ পাই ধাৰে লোৱা হয়।

১৯৩৬-৩৭ চনৰ পত্ৰিকা প্ৰকাশৰ বাবে গৱৰ্ণমেণ্টে দিয়া ৬০০৲ টকাৰ বাদে সভাৰ মোট আয় ৮৭১৮/৪ পাই আৰু মুঠ ব্যয় ১১৭০৲ টকা। এই বছৰো পত্ৰিকাৰ ৬০০৲ টকাৰ পৰা ২৯৮৮/৮ পাই ধাৰে লোৱা হয়।

এতিয়ালৈকে সভাৰ মুঠ ধাৰ—১২০৮০/৬ পাই মাত্ৰ।

ধনৰ নাটনিত আজি কেইবা বছৰেও পুথি-ভঁৰালৈ কোনো নতুন কিতাপ কিনিব পৰা নাই। শ্ৰীযুত কালীৰাম মেধি ডাঙৰীয়াৰ "অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব";



কোচবিহাৰ ষ্টেটৰ পৰা "কোচবিহাৰৰ ইতিহাস"; শ্ৰীযুত হৰমোহন দাসৰ "জন্মাষ্টমী"; শ্ৰীযুত কৰুণাধৰ বৰুৱাৰ 'গীতা' আৰু 'মালঞ্চ'; সাহিত্যৰত্ন শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা ডাঙৰীয়াৰ "ৰাজৰ্ষি"; শ্ৰীমান বিপিনচন্দ্ৰ শৰ্ম্মা বৰুৱাৰ "মেৰাৰ সন্ধ্যা"; শ্ৰীযুতা ত্ৰৈলোক্যেশ্বৰী দেৱী বৰুৱানীৰ "সন্ধিয়াৰ সাধু"; শ্ৰীযুতা আজলীতৰা নেওগৰ "দিন বাৰ"; শ্ৰীযুত চন্দ্ৰকান্ত বৰপূজাৰী দেৱৰ পৰা "ভূগোল প্ৰবেশিকা"; বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ পৰা "কছাৰি বুৰঞ্জী"; শ্ৰীযুত জীৱনচন্দ্ৰ বৰুৱাৰ পৰা "দেশৰ কথা" আৰু শ্ৰীযুত ত্ৰৈলোক্য শোভনচন্দ্ৰ গোস্বামীৰ "ঈশ্বৰ তত্ত্ব আৰু ভক্তিবাদ"—এই কিতাপখিনি সভাৰ পুথিভঁৰাললৈ দান স্বৰূপে পোৱা হৈছে। সভাৰ পুথি-ভঁৰাললৈ এই কিতাপখিনি দান দিয়া বাবে গ্ৰন্থকাৰ আৰু প্ৰকাশকসকলক আমাৰ আন্তৰিক ধন্যবাদ জনাইছোঁ।

এইখিনিতে নতুন পুৰণি সকলো গ্ৰন্থকাৰক তেখেত-সকলৰ একোখনি কিতাপ এই পুথিভঁৰাললৈ দান দিবৰ নিমিত্তে অনুৰোধ কৰিলোঁ।

অসম সাহিত্য সভালৈ অসম গেজেটখন সদায় বিনামূল্যে পাই থকা হৈছে। তাৰ বাহিৰেও 'Times of Assam', 'বাতৰি', 'আৱাহন', 'কটনিয়ান', Jonrnal of the Assam Research Society," 'জেউতি', 'প্ৰভাত', 'Bjsbaroa High School Magazine', 'বস্তি', 'অসম সেৱক', 'লিডাৰ',—এই কেইখন কাগজ সম্পাদক-সকলে এই সভালৈ বিনামূল্যে দান দিয়াত উক্ত কাকতৰ সম্পাদক আৰু গৰাকীসকলক ধন্যবাদ জনাইছোঁ।

এই বছৰত বিশেষ অধিবেশন এৰি কাৰ্য্য-নিৰ্ব্বাহক সমিতি—১১ খন সভা বহিছিল। কেন্দ্ৰস্থলৰ সভ্যৰ বাজে আন ঠাইৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সভ্যসকলৰ উপস্থিতিৰ সংখ্যা লেখত লব লগীয়া নহয় আৰু তেখেত-সকলৰ পৰা কোনো মতামতো পোৱা নহল।

উত্তৰ লক্ষীমপুৰ সন্মিলনত ৰায় বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ এটি প্ৰস্তৰ মূৰ্ত্তি তৈয়াৰ কৰি দিবলৈ শ্ৰীযুত জীবেশ্বৰ বৰুৱা ডাঙৰীয়াই প্ৰতিশ্ৰুতি দিছিল। এই কাৰ্য্যৰ কাৰণে কিছু অৰ্থ সাহায্য বিচাৰি শ্ৰীযুত বৰুৱাই আবেদনো কৰিছিল। কিন্তু সভাৰ এই অৰ্থ অনাটনৰ দিনৰ এনে এটি অতি শোভনীয় আৰু লাগতিয়াল কামতো টকা দিব নোৱাৰি কাৰ্য্য-নিৰ্ব্বাহক সমিতি বৰ দুখীত হৈছে। কোনো সদাশয় লোকে এই কাৰ্য্য সম্পাদন কৰিবলৈ গাত ললে আমি অতি সন্তোষ পামহঁক।

সভাৰ নিয়মাৱলীখন সংশোধন কৰিবৰ নিমিত্তে যোৱা ১৮শ সন্মিলনে ৭ জন সভ্যৰ এখনি সমিতি গঠন কৰি দিছিল। এই সমিতিয়ে সংশোধন কৰা নিয়মাৱলী যোৱা ২।৮।৩৬ তাৰিখে বহা কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ বিশেষ অধিবেশনত আলোচিত হৈ অনুমোদিত হৈছিল। সংশোধিত নিয়মাৱলীখিনি সন্মিলনে গ্ৰহণ কৰিবৰ নিমিত্তে যথা সময়ত দাঙ্গি ধৰা হব।

আজি কেইবছৰমানৰ পৰা যে অসম সাহিত্য সভাই বিশেষ কোনো উল্লেখযোগ্য কাম কৰিব পৰা নাই সেই কথা কোনেও দুই কৰিব নোৱাৰে আৰু বহলাই লিখিবৰো একো আৱশ্যক নকৰে। সেই বাবে কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে সকলোতকৈ অধিক দুখ পাইছে। কোনো দায়িত্বপূৰ্ণ কাম হাতত লৈ ৰাইজৰ আশানুৰূপ কাম কৰিব নোৱাৰিলে মনত যে কিমান দুখ লাগে, দায়িত্ব লোৱা সকলেহে ভালকৈ অনুভৱ কৰিব পাৰে। কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ কামৰ বিচাৰ কৰোঁতে সমালোচক সকলে অনুগ্ৰহ কৰি নিজক এই অৱস্থাত থৈ অনুমান কৰি চাব বুলি আমি আশা কৰোঁ।

অসম গৱৰ্ণমেণ্টে ১৯২৯ চনলৈকে অনুগ্ৰহ কৰি বছৰে যি তিনিহেজাৰ টকা এই সভালৈ দান দিছিল, তাৰেই অলপ-অচৰপ কাম কৰিব পৰা হৈছিল। ১৯৩০ চনৰ পৰা সেই দান বন্ধ কৰাত সভাৰ অৰ্থ-সঙ্কটৰ দিন আহিল। তত্ৰাচ, আগৰে অলপ ধন হাতত থকাত তাৰ পাচতো দুই এবছৰ সভাৰ কাম কিছুদূৰ চলিছিল। সেই পুঁজিফেৰাও অন্ত হোৱাত আজি ৪।৫ বছৰ এই সভাৰ দুৰ্য্যোগৰ সঙ্কটৰ দিন আহিল। কোনো কৰিব লগা বা কৰিবলৈ ইচ্ছা কৰা কামকো অৰ্থ-অনাটনৰ কাৰণে হাতত লব নোৱৰা অৱস্থাত পৰিল। কেৰাণীৰ দৰ্মহা

৬০৲ টকাৰ পৰা ৫০৲ টকালৈ আনিব লগা হল। তাকো নিয়মমতে দিব নোৱাৰি কেৰাণী আৰু চকিদাৰক মাজে-সময়ে প্ৰধান সম্পাদকে নিজৰ পৰা ভিতৰুৱাকৈ অৰ্থ-সাহাৰ্য্য কৰিবলৈ বাধ্য হৈছিল। বৰ্ত্তমানেও যোৱা মে মাহৰ পৰা কেৰাণীক আৰু ফেব্ৰুৱাৰী মাহৰ পৰা চকিদাৰ আৰু জামাদাৰক বেতন দিব পৰা নাই। বিজুলী চাকিৰ বেচ আৰু মিউনিচিপেলটিৰ কৰ দিবলৈ পইছাৰ অভাব। আন কি, কবলৈ দুখ লাগে অনেক সময়ত সৰহীয়াকৈ চিঠি দিব লগা হলে কেৰাণীয়ে পইচাৰ নাটনি দেখুৱাবলৈ বাধ্য হয়। এনে অৱস্থাত কাম কৰিনো কি সুখ লাগে আৰু সভানো কেনেকৈ জীয়াই ৰাখিব পাৰি সকলোৱে দকৈ ভাবি চাবৰ দিন হ'ল।

অসম গবৰ্ণমেণ্টলৈ আগৰ প্ৰধান সম্পাদকে আৰু এই কাৰ্য্য-বিবৰণী লিখকেও সভাৰ প্ৰস্তাৱৰ নকলাদি পঠাই আগৰ দিয়া দান ৰূপ ৩০০০৲ তিনি হেজাৰ পুনৰ ঘুৰাই পাবলৈ লিখা-লিখি কৰাৰ একো সুফল নফলিল। তেওঁলোকেও সদায় অৰ্থ অনাটনকে কাৰণ দেখুৱায়।

স্বীকৃত সভা কিছুমান ঠায়ে ঠায়ে কৰি যি অলপ অৰ্থ সহায় পাবৰ চেষ্টা কৰা হৈছিল সিও সফল নহল। চিঠি-পত্ৰ দি এনে সভা পতা সম্ভৱপৰ নহব যেন পালোঁ। এজন মানুহ কিছুদিন ঘূৰি ফুৰিবলৈ পালে দুখন চাৰিখন এনে সভাৰ সংখ্যা সৰহ কৰিব পৰাৰ আশা থাকে। তালৈকো কিছু অৰ্থৰ আৱশ্যক। ঠায়ে ঠায়ে গৈ ৰৰঙণি তুলিবলৈকো বহুত অসুবিধা। অনেক সময়ত পোৱা ৰৰঙণিৰে দুখাৰ খৰচ কেৰাই মুঠে।

স্বীকৃত সভাবিলাকৰ পৰাও নিয়মমতে ৰৰঙণি কেৰা পোৱা নেযায়। সন্মিলনৰ দিনচেৰেকৰ আগতে খন দিয়েকৰ পৰা পইচা দুটিমান পোৱা হয়, কিছুমানে তাকো নিদিয়ে।

মিউনিচিপেলটি আৰু লোকেল বৰ্ডবিলাকৰ বহুতে অৱশ্যে আমাক অনুগ্ৰহ কৰি যি পাৰে সহায় কৰিছে। তেখেতসকলৰ এই কেৰা অনুগ্ৰহ নোহোৱা হলে আমি বিপাঙ্গতে পৰিছিলোঁ। দুই এখনে অৰ্থৰ অভাৱত এতিয়ালৈকে একো সহায় কৰিব পৰা নাই যদিও সময়ত কৰিব বুলি আশা কৰি আছোঁ।

যোৱা সন্মিলনত ভূতপূৰ্ব্ব প্ৰধান সম্পাদকে চৰ্কাৰৰ পৰা যি ১০০০৲ এহেজাৰ টকা দান পোৱা হব বুলি আশা কৰিছিল, সেই টকাও পোৱা নহল। মাত্ৰ 'পত্ৰিকা'ৰ কাৰণে ৰূপ দুশ টকাহে দিলে।

এইবিলাক কথা সভাৰ অভাৱ অভিযোগ ৰাইজৰ আগত কৈহিয়াই দেখুওৱা উচিত বুলিহে বিৱৰিলোঁ। আমাৰ নিৰাশ হবৰ একো কাৰণ নাই। আপোনা-সকলৰ নিচিনা সুধীবৃন্দৰ পৰা কোনো সুবিবেচিত উপদেশ বা আদেশ পাবৰ আশাতহে ভূতপূৰ্ব্ব প্ৰধান সম্পাদকসকলে আজি বছৰচেৰেক ধৰি কৈ যোৱা কথাকে দোহাৰিলোঁ। সভাৰ অফিচ আদি চলাবলৈকে বছৰে প্ৰায় এহেজাৰ টকা লাগে। অন্য উল্লেখযোগ্য কাম টকাৰ অনুপাতে কৰিবলৈহে হাতত লব পৰা সম্ভৱ। তত্ৰাচ নিচেই কমেও বছৰে আৰু দুহেজাৰমান টকাৰ সংস্থান নহলে কোনো উল্লেখ যোগ্য কামকে হাতত লব নোৱাৰি। অন্ততঃ বছৰে এই তিনি হাজাৰ টকাৰ কেনেকৈ সংস্থান কৰিব পাৰি সেই বিষয়ে কিবা এটা কাৰ্য্যকৰী উপায় চিন্তা কৰিবলৈ আপোনাসকলক সবিনয়ে অনুৰোধ জনালোঁ।

অসম সাহিত্য-সভা দেশৰ গৌৰৱৰ স্থল। এই জাতীয় অনুষ্ঠানটিক সকলো প্ৰকাৰে সমৃদ্ধিশালী কৰি মাতৃ পূজাৰ উপযুক্ত কৰি তোলা সকলো অসমীয়াৰে কৰ্ত্তব্য। এই জাতীয় অনুষ্ঠানটি কেনেবাকৈ কোনো কাৰণত নষ্ট হবলৈ হলে অসমীয়া জাতীৰ দুখ, লাজ আৰু অপমানৰ কাৰণ হব আৰু অসমীয়া সাহিত্যৰ অৱনতিৰ লগে লগে দেশৰ উন্নতিৰ পথতো বাধা পৰিব। গতিকে সমবেত সুধীসকলৰ ওচৰত সানুনয়ে নিবেদন এই যে এই জাতীয় সম্পদটিক কেনেকৈ পৰিবৰ্দ্ধিত আৰু উন্নতিশালী কৰি অসমীয়া জাতিৰ আশানুৰূপ ভাৱে কাৰ্য্যকৰী কৰিব পাৰি তাৰ বাবে সকলোৱে এবাৰ ভাবি চাই কাৰ্য্য-নিৰ্ব্বাহক সমিতিক উপদেশ দিয়ে যেন।

আপোনাসকলৰ পৰা পূৰ্ণমাত্ৰায় সহানুভূতি আৰু



সহযোগ পালে, বজা ঘৰৰ পৰাও কিছু অৰ্থ সাহাৰ্য্য পালে, বিশেষকৈ উঠি অহা ডেকা সাহিত্যিক সকলৰ পৰা সৰ্ব্বতোভাৱে সহায়-সাৰথি আৰু উপদেশ পালে সাহিত্য-সভাই এই প্ৰতিকূল অৱস্থাৰ পৰাও পুনৰ ঠন ধৰি উঠি অসমীয়া ভাষা আৰু সাহিত্যৰ উত্তৰোত্তৰ উন্নতি কৰি আমাৰ জাতীয় গৌৰৱ ৰক্ষা কৰিব পাৰিব তাত অকণো সন্দেহ কৰিবৰ স্থল নাই। তাকেহে আপোনাসকলৰ পৰা সাহিত্য-সভাই বিচাৰিছে।

কাৰ্য্য-নিৰ্ব্বাহক সমিতি, মোৰ সহযোগী কৰ্ম্মচাৰী সকল, আৰু মোৰ হৈও এই বছৰৰ সকলো দায়-দোষ আৰু ত্ৰুটিৰ বাবে আপোনাসকলৰ ওচৰত ক্ষমা মাগিছোঁ। এনেকুৱা ৰাজহুৱা কাম হাতত লৈ দোষ-ত্ৰুটিৰ হাত সাৰিব পৰা শক্তি মোৰ নিচিনা অভাজনৰ পক্ষে অসম্ভৱ। নিজৰ শাৰীৰিক অৱস্থা অনেক সময়ত ভালে নথকাৰ কাৰণে আৰু ঘৰুৱা লেঠা-লুঠলিৰ বাবে সাহিত্য সভাৰ অনেক কাৰ্য্যত আসোঁৱাহ ৰৈ যাব পাৰে, তাৰ বাবেও আপোনাসকলৰ ওচৰত কৰযোৰে ক্ষমা-ভিক্ষা কৰিছোঁ।

সৰশেহত সৰ্ব্বমঙ্গলময় পৰমেশ্বৰৰ চৰণত সকাতৰে প্ৰাৰ্থনা কৰিছোঁ, আমাৰ সাহিত্য সভাক সুপন্থা দেখুৱাই সৰ্ব্বতোভাৱে উন্নতিমুখী কৰক। নিজ ভাষা আৰু সাহিত্যৰ উন্নতি সাধি জগতৰ চকুত স্বজাতিৰ সুনাম ৰাখিবলৈ অসমীয়াক সমৰ্থবান কৰক।

| | |
|---|---|
| গৃহীত হ'ল | শ্ৰীদেবানন্দ শৰ্ম্মা |
| শ্ৰীকৃষ্ণকান্ত সন্দিকৈ | প্ৰধান সম্পাদক, |
| সভাপতি— | অসম সাহিত্য সভা, যোৰহাট |
| ২৬।১২।৩৭। | ২৬।১২।৩৭ |

# অসম সাহিত্য সভা

## ১৯৩৬-৩৭ চনৰ হিচাপ

### জমা—

| | |
|---|---|
| যোৱা বছৰৰ বাকী জমা ... ... | ৭৪।/৩ পাই |
| ১। ভৰ্ত্তি মাচুল ... ... | ১৪৲ |
| ২। লোকেল বোৰ্ডৰ বৰঙনি ... | ৩০০৲ |
| ৩। মিউনিচিপেল বোৰ্ডৰ বৰঙণি ... | ৬০৲ |
| ৪। গৱৰ্ণৰ বাহাদুৰৰ দান ... | ৩০০৲ |
| ৫। গৱৰ্ণমেণ্টৰ দান ( পত্ৰিকা প্ৰকাশৰ বাবে ) | ৬০০৲ |
| ৬। সভ্য আৰু স্বীকৃত সভাৰ বৰঙণি ... | ১১২৲ |
| ( ক ) সভ্যৰ ... ৩০৲ | |
| ( খ ) স্বীকৃত সভা ৮২৲ | |
| ৭। সুদ ... ... ... | ৯।/১ |
| ৮। অন্যান্য আয় ... ... | ১॥০ |
| মুঠ জমা | ১৪৭১৵৪ পাই |

### খৰচ

| | |
|---|---|
| ১। সভাৰ কৰ্ম্মচাৰীৰ দৰ্মহা ... | ৯১৪৲৩ পাই |
| ২। প্ৰভিডেণ্ট ফণ্ডত দিয়া ... | ৪৬৮৵০ |
| ৩। পত্ৰিকা ... ... | ৫৬৲ |
| ( ক ) ২য় সংখ্যা ছপাৰ বিল ৩০৲ | |
| ( খ ) ডাক টিকট ২৬৲ | |
| ৪। কনটিনজেণ্ট চাৰ্জ ... | ৩৮৩ |
| ৫। কম্পাউণ্ড ... ... | ৪৵০ |
| ৬। ১৬শ সন্মিলনলৈ অহা যোৱা খৰচ | ৩৫৲ |
| ৭। ডাক টিকট ... ... | ৪০৲ |
| ৮। মাটিৰ খাজনা ... | ৩২॥৶৬ |
| ৯। ইলেকট্ৰিচিটি ... ... | ২০৲ |
| ১০। মিউনিচিপেল টেক্স ... | ৭৩॥০ |
| সৰ্ব্বমুঠ খৰচ | ১২২৬৲ |
| বাকী জমা | ২৪৫৵৪ |
| | ১৪৭১৵৪ |

### সভাৰ ধাৰৰ হিচাপঃ—

| | |
|---|---|
| ১। নৰদেৱ ট্ৰাষ্ট ফণ্ড | ১৯৬৮৶৫ পাই |
| ২। কমলাদেবী ট্ৰাষ্ট ফণ্ড | ৫৮২॥ ৮ পাই |
| ৩। পত্ৰিকা প্ৰকাশৰ পৰা ধাৰে অনা হয় | ২৯৮৮/৮ পাই |
| মুঠ | ১০৭৮।/৯ পাই |
| ১৯৩৫-৩৬ চনৰ পত্ৰিকাৰ ধাৰ | ১৬৯৮৯ পাই |
| মুঠ | ১২৪৮৵৬ পাই |

১।৪।৩৬ তাৰিখে প্ৰভিডেণ্ট ফণ্ডত জমা ১০৪৭৮৶৬পাই
১৯৩৬-৩৭ চনত জমা ১৪০॥৵০
১।৪।৩৭ তাং মুঠ জমা ১১৮৮॥/৬ পাই

গৃহীত হল
( স্বাঃ ) শ্ৰীকৃষ্ণকান্ত সন্দিকৈ
সভাপতি
২৬।১২।৩৭

( স্বাঃ ) নজমল হুচেন
হিচাপ পৰীক্ষক
অসম সাহিত্য সভা
১।১২।৩৭

# নৰদেৱ ট্ৰাষ্ট ফণ্ড—১৯৩৬-৩৭

শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰাধিকাৰ গোস্বামীৰ দান ৫০০০৲ টকা

ডিব্ৰুগড় ইম্পিৰিয়েল বেঙ্কত শতকৰা ২৲ সুদ হিঃ জমা ৫০০০৲ টকা

### জমা

| | |
|---|---|
| ১। যোৱা বছৰৰ বাকী জমা | ৫৯০।/১০ পাই |
| ২। ইম্পিৰিয়েল বেঙ্কৰ সুত | ১০০৲ |
| মুঠ জমা | ৬৯০।/১০ পাই |

### খৰচ

| | |
|---|---|
| ১। ইম্পিৰিয়েল বেঙ্কৰ পৰা সুতৰ টকা পঠোৱা খৰচ | ॥/০ |
| মুঠ খৰচ | ॥/০ |
| বাকী জমা | ৬৮৯৮১০ পাই |
| | ৬৯০।/১০ পাই |

# কমলাদেবী ট্ৰাষ্ট ফণ্ড—১৯৩৬-৩৭

শ্ৰীযুত ৰাধানাথ গোস্বামীৰ দান ২০০০৲ টকা

যোৰহাট টাউন বেঙ্কত শতকৰা ৭॥০ টকা হিঃ সুদত জমা ২০০০৲ টকা

১। যোৱা বছৰৰ বাকী জমা ১৪৬।/৪ পাই

খৰচ নাই

গৃহীত হল
( স্বাঃ ) শ্ৰীকৃষ্ণকান্ত সন্দিকৈ
সভাপতি
২৬।১২।৩৭

( স্বাঃ ) নজমল হুচেন
হিচাপ পৰীক্ষক
অসম সাহিত্য সভা
১।১২।৩৭

# অসম সাহিত্য সভা

## ১৯৩৫—৩৬ চনৰ হিচাপ

### জমা

যোৱা বছৰৰ বাকী জমা ... নাই

১। ভৰ্ত্তি মাচুল ... ... ১৬৲
২। লোকেল বোৰ্ডৰ বৰঙনি ... ৩০০৲
৩। মিউনিচিপেল বোৰ্ডৰ বৰঙনি ... ৬০৲
৪। সভ্য আৰু স্বীকৃত সভাৰ বৰঙনি ... ১৫৫৲
(ক) সভ্যৰ ১৫৫৲
(খ) স্বীকৃত সভা ৪০৲
৫। পত্ৰিকা প্ৰকাশৰ কাৰণে গবৰ্ণমেণ্টৰ দান ৬০০৲
৬। অসম গৱৰ্ণৰৰ দান ... ... ২০০৲
৭। পত্ৰিকাৰ বৰঙনি ... ... ১০॥০
৮। সুদ ... ... ... ২৵০
৯। অন্যান্য আয় ... ... ৩॥০

মুঠ জমা ১৩৪৭৵০ অনা

সভাৰ ধাৰৰ হিচাপ :—
(১) নৰদেৱ ট্ৰাষ্ট ফণ্ড ... ১৯৬৸৵৫
(২) কমলাদেৱী ট্ৰাষ্ট ফণ্ড ... ৫৮২॥৮
(৩) পত্ৰিকাৰ প্ৰকাশৰ টকাৰ পৰা
ধাৰে অনা হয় ... ... ১৬৯৮৯

মুঠ ধাৰ ... ৯৪৯।১০

১।৪।৩৫ তাৰিখে প্ৰভিডেণ্ট ফণ্ডত জমা ৯৫২।/৬ পাই
১৯৩৫—৩৬ চনত জমা ... ৯৫॥৵

১।৪।৩৬ তাং মুঠ জমা ১০৪৭৮৵৬ পাই

### খৰচ

কেৰানীক ১৯৩৫ চনৰ চেপ্তেম্বৰ মাহলৈকে, আৰু চকিদাৰ আৰু জাকৰালাক ১৯৩৫ চনৰ নবেম্বৰ মাহলৈকেহে দৰ্মহা দিয়া হৈছে।

১। সভাৰ কৰ্ম্মচাৰীৰ দৰ্মহা ... ৬৯০৵০
২। প্ৰভিডেণ্ট ফণ্ডত দিয়া ... ... ৬৯০৵০
৩। পত্ৰিকা ... ... ২৫৫৵০
(ক) কাগজ——১৪০।০
(খ) প্ৰেচক অগ্ৰিম—১৫০৲
(গ) ডাকটিকট——৩০৲
(ঘ) ১ম সংখ্যা
ছাপাৰ বিল—৩৫॥০
৪। কনটিনজেঞ্চি ... ... ৫৪৮০
(ক) ডাকটিকট———২৫৲
(খ) অন্যান্য——— ২৯৮০
৫। মিউনিচিপেল ... ... ৭৮৲
৬। ইলেকট্ৰিক খৰচ ... ... ২৪৷/৯
৭। মাটিৰ খাজনা ... ... ২১৮/০
৮। লাইব্ৰেৰী ... ... ১॥৵০
৯। কম্পাউণ্ড ... ... ১৪।৵০

মুঠ খৰচ—— ১২৭২৮৯ পাই
বাকী জমা—— ৭৪।/৩ পাই

১৩৪৭৵০

গৃহীত হল
(স্বাঃ) শ্ৰীকৃষ্ণকান্ত সন্দিকৈ
সভাপতি—
২৬।১২।৩৭

(স্বাঃ) নজমল হুচেন
হিচাব পৰিক্ষক
অসম সাহিত্য সভা
২।১২।৩৬

# নৰদেৱ ট্ৰাষ্ট ফণ্ড—১৯৩৫-৩৬

নৰদেৱ ট্ৰাষ্ট ফণ্ড প্ৰতিষ্ঠাতা শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰাধিকাৰ গোস্বামীৰ দান— ৫০০০৲

ডিব্ৰুগড় ইম্পিৰিয়েল বেঙ্কত শতকৰা ২৲ সুদ হিচাপে জমা ... ... ৫০০০৲

### জমা

১। যোৱা বছৰৰ বাকী জমা ... ... ৪৯০৮৵১০ পাই
২। ইম্পিৰিয়েল বেঙ্কৰ সুত ... ... ১০০৲

মুঠ জমা ৫৯০৮৵১০ পাই

### খৰচ

১। ইম্পিৰিয়েল বেঙ্কৰ পৰা সুতৰ টকা পঠোৱাৰ খৰচ ... ... ॥৵

মুঠ খৰচ ॥৵
বাকী জমা —— ৫৯০।/১০ পাই

৫৯০৮৵১০

# কমলা দেৱী ট্ৰাষ্ট ফণ্ড—১৯৩৫-৩৬

কমলা দেৱী ট্ৰাষ্ট ফণ্ড প্ৰতিষ্ঠাতা শ্ৰীযুত ৰাধানাথ গোস্বামীৰ দান—— ২০০০৲

যোৰহাট টাউন বেঙ্কত শতকৰা ৭॥ টকা সুদত জমা ... ... ২০০০৲

### জমা

১। যোৱা বছৰৰ বাকী জমা ... ... ৬১॥১০ পাই
২। যোৰহাট টাউন বেঙ্কৰ পৰা সুত পোৱা হয় ১০০৲

মুঠ জমা ১৬১॥১০ পাই

### খৰচ

১। কমলাদেৱীৰ ছবি বন্ধোৱাৰ খৰচ ... ... ৩৲
২। দৰ্পণ প্ৰেচৰ বিল ( চাপা কাৰ্য্যৰ বাবে)... ৩॥০
৩। শ্ৰীযুত যোগেন্দ্ৰনাথ ঠাকুৰৰ বিল ( চিত্ৰ উন্মোচন কাৰ্য্যৰ উপলক্ষে ) ... ... ৭৲
৪। অন্যান্য খুচুৰা খৰচ ... ... ১॥৶৬

মুঠ খৰচ ১৫৶৬ পাই
বাকী জমা ১৪৬।/৪ পাই

১৬১॥১০ পাই

গৃহীত হল
( স্বঃ ) শ্ৰীকৃষ্ণকান্ত সন্দিকৈ
সভাপতি
২৬।১২।৩৭

( স্বঃ ) নজমল হুচেন
হিচাব পৰিক্ষক
২।১২।৩৬

# অসম সাহিত্য সভাৰ

## সপ্তদশ সম্মিলনত গৃহীত প্ৰস্তাৱ সমূহ

১। অসম সাহিত্য সভাৰ পৃষ্ঠপোষক অসমৰ ভূতপূৰ্ব্ব গৱৰ্ণৰ চাৰ মাইকেল কীন, জগৎ বিখ্যাত বৈজ্ঞানিক চাৰ জগদীশ বসু, বৰদোৱা সত্ৰৰ অধিকাৰ বংশীবদন দেও গোস্বামী, আহোম ৰজাসকলৰ বংশধৰ ৰাজকুমাৰ চন্দ্ৰনাৰায়ণ সিংহ, খ্যাত নামা সাহিত্যিক কমলাকান্ত ভট্টাচাৰ্য্য, দেশ প্ৰেমিক যোগেন্দ্ৰনাথ বৰুৱা এম, এল, এ, গোৱালপাৰাৰ শৰদিন্দুনাথ আৰু জয়নাথ শৰ্ম্মা— ডাঙৰীয়াসকলৰ বিয়োগত এই সভাই গভীৰ শোক প্ৰকাশ কৰে আৰু তেখেতসকলৰ আত্মাৰ সদগতি কামনা কৰে।

সভাপতি

২। গুৱাহাটী নগৰত অসম মিউজিয়েমৰ ঘৰ নিৰ্ম্মাণৰ বাবে প্ৰাদেশিক গৱৰ্ণমেণ্টে দুহ হাজাৰ টকা দান কৰাত এই সন্মিলনে অসম গৱৰ্ণমেণ্টক ধন্যবাদ জ্ঞাপন কৰে।

প্ৰস্তাৱক—ৰায় বাহাদুৰ শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা

সমৰ্থক—পণ্ডিত শ্ৰীযুত প্ৰতাপচন্দ্ৰ গোস্বামী।

৩। শ্ৰদ্ধেয় শ্ৰীযুত কালীৰাম মেধি, এম, এ; ডাঙৰীয়াই নিজত পৰিশ্ৰম আৰু ধন খৰচ কৰি "অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব" নামে গভীৰ গৱেষণা পূৰ্ণ বহুমূলীয়া প্ৰকাণ্ড পুথি এখন লিখি প্ৰকাশ কৰাত অসমীয়া ভাষাৰ এটা ডাঙৰ অভাৱ পূৰ হৈছে, সেইবাবে তেখেতক এই সন্মিলনে কৃতজ্ঞতা জনাইছে।

প্ৰস্তাৱক—পণ্ডিত শ্ৰীযুত প্ৰতাপচন্দ্ৰ গোস্বামী

সমৰ্থক—শ্ৰীযুত বেণুধৰ ৰাজখোৱা

অনুমোদক—ৰায় বাহাদুৰ শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা

৪। (ক) অসমীয়া কৃষ্টি আৰু সভ্যতাৰ কেন্দ্ৰ স্থল, ইতিহাস পুৰাণ প্ৰসিদ্ধ পুৰণি কামৰূপৰ ৰাজধানী প্ৰাগ্‌-জ্যোতিষপুৰ (এতিয়াৰ গুৱাহাটী) নগৰত এটি বিশ্ব-বিদ্যালয় স্থাপন কৰিবলৈ অসম গৱৰ্ণমেণ্টক অনুৰোধ কৰা হৈছিল। গৱৰ্ণমেণ্টে বৰ্ত্তমান বিশ্ব-বিদ্যালয় স্থাপন কৰিব নোৱাৰো বোলাত দুখ প্ৰকাশ কৰে; আৰু পুনৰ বিবেচনাৰ নিমিত্তে গৱৰ্ণমেণ্টক অনুৰোধ কৰে।

(খ) বিশ্ব-বিদ্যালয় স্থাপন কৰাৰ সম্পৰ্কে এখন আইনৰ পাণ্ডুলিপি তৈয়াৰ কৰি আইন সভাত উত্থাপন কৰিবলৈ শ্ৰীযুত মহীচন্দ্ৰ বৰা, এম, এল, এ, ডাঙৰীয়াক অনুৰোধ কৰা হল।

প্ৰস্তাৱক—শ্ৰীযুত দেবেশ্বৰ চলিহা

সমৰ্থক— ,, কুমুদেশ্বৰ বৰঠাকুৰ

৫। কলিকতা বিশ্ব-বিদ্যালয়ে অসমীয়া ভাষাক 'বি, এ,ও উপৰঞ্চি বিষয় আৰু 'এম এ, মহলাত মুখ্য বিষয় হিচাপে স্থান দিয়া নাই। এতেকে ইয়াৰ প্ৰতি-বিধানৰ অৰ্থে কলিকতা বিশ্ববিদ্যালয়ক বছৰি ১২০০, বাৰশ টকাৰ এটি দান দিবৰ কাৰণে এই সন্মিলনে অসম গৱৰ্ণমেণ্টক অনুৰোধ কৰে।

প্ৰস্তাৱক—শ্ৰীযুত কুমুদেশ্বৰ বৰঠাকুৰ

সমৰ্থক— ,, হৰিনাৰায়ণ বৰুৱা

৬। তাৰাপুৰৰ অসমীয়া ছাত্ৰৰ পঢ়া প্ৰাইমেৰি স্কুলবিলাকত অসমীয়া ভাষাৰ পাঠ্য-পুথি বাধ্যতামূলকভাৱে চলাবলৈ চৰকাৰ বাহাদুৰক এই সন্মিলনে অনুৰোধ কৰে।

প্ৰস্তাৱক—শ্ৰীযুত তুলসীনাৰায়ণ শৰ্ম্মা

সমৰ্থক— ,, ৰত্নকান্ত বৰকাকতি

অনুমোদক—শ্ৰীমান প্ৰফুল্ল গোস্বামী

৭। অসম সাহিত্য সভাক বছৰি তিনি হাজাৰ টকাৰ সাহায্য দিবৰ কাৰণে এই সন্মিলনে কৰ্ত্তৃপক্ষক অনুৰোধ কৰে আৰু এই বিষয়ে এম, এল, এ, সকলৰ



সুদৃষ্টি আকৰ্ষণ কৰে।

প্ৰস্তাৱক—শ্ৰীযুত মুক্তানাথ বৰুৱা

সমৰ্থক— ,, ভ্ৰমৰচন্দ্ৰ শইকীয়া

অনুমোদক— ,, গোলাপচন্দ্ৰ গোস্বামী

৮। দেৰগাওঁ ছাত্ৰ সন্মিলনত অসমীয়া ভাষাৰ ওজা ৺হেমচন্দ্ৰ বৰুৱাৰ জন্ম-ভেটিত সোঁৱৰণি চিন ৰাখিবলৈ কৰা প্ৰস্তাৱ দেৰগাওঁ সাহিত্য সভাই সমৰ্থন কৰিছে আৰু অসম সাহিত্য সভাৰো সহানুভূতি আছে।

প্ৰস্তাৱক—শ্ৰীযুত লক্ষেশ্বৰ শৰ্ম্মা বৰুৱা

সমৰ্থক— ,, বিনন্দচন্দ্ৰ বৰুৱা

৯। মৌলিক গৱেষণা মূলক প্ৰবন্ধ আৰু গ্ৰন্থেৰে অসমীয়া সাহিত্যৰ সম্পদ বঢ়াওঁতা দাৰ্শনিক কবি স্বৰ্গীয় কমলাকান্ত ভট্টাচাৰ্য্য ডাঙৰীয়াৰ প্ৰকাশিত, অপ্ৰকাশিত সকলো প্ৰবন্ধ আৰু গ্ৰন্থ গোটাই "কমলাকান্ত গ্ৰন্থাৱলী" নামেৰে প্ৰকাশ কৰাৰ যুগুত ব্যৱস্থা কৰা হওক; আৰু এই প্ৰস্তাৱ কাৰ্য্যত পৰিণত কৰিবলৈ সাহিত্য সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিক ভাৰ দিয়া হওক।

প্ৰস্তাৱক—শ্ৰীযুত মাধৱচন্দ্ৰ বেজবৰুৱা

সমৰ্থক— ,, জগদীশচন্দ্ৰ মেধি

১০। মহাপুৰুষ মাধৱদেৱৰ 'নামঘোষা' পুথিখন কলিকতাৰ পণ্ডিত তিনকড়ি বিশ্বাস নামে এজন বঙালী ভদ্ৰলোকে হুবহু নকল কৰি 'ভজন কীৰ্ত্তন' নাম দি তেওঁৰে প্ৰণীত বুলি উলিয়াইছে আৰু মাণিকলাল ঘোষ নামে এজন বঙালী ভদ্ৰলোকে প্ৰকাশ কৰিছে। এই বিষয়ে আইনৰ সহায় লৈ অনতিবিলম্বে যথাবিহিত প্ৰতিকাৰ কৰিবলৈ তলত নাম দিয়া তিনিজন আইনজ্ঞ ভদ্ৰলোকক অনুৰোধ কৰা হওক আৰু এই বিষয়ে যাৱতীয় খৰচ বহন কৰিবলৈ কাৰ্য্য-নিৰ্ব্বাহক সমিতিক ভাৰ দিয়া হওক।

১। ৰায় চাহাব শ্ৰীযুত গোপীকা বল্লভ গোস্বামী; ২। শ্ৰীযুত নগেন্দ্ৰনাথ বৰুৱা, বি, এল; ৩। শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মা পাঠক, বি, এল;

প্ৰস্তাৱক—শ্ৰীযুত বেণুধৰ ৰাজখোৱা

সমৰ্থক— ,, বেণুধৰ শৰ্ম্মা

অনুমোদক— ,, ৰত্নকান্ত বৰকাকতি

১১। বিশ্ব-বিদ্যালয়ৰ প্ৰবেশিকা আদি উপাধি পৰীক্ষা পৰ্য্যন্ত সকলোখিনি পৰীক্ষাৰ নিমিত্তে পাঠ্য-পুথি বাচি দিবলৈ অসম-সাহিত্য-সভাক ক্ষমতা দিবলৈ অথবা তেনে পাঠ্যৰ বাচনিৰ সম্পৰ্কে অসম সাহিত্য সভাৰ মত লোৱাৰ নিমিত্তে যথোচিত ব্যৱস্থা কৰিবলৈ বিশ্ব-বিদ্যালয়ৰ কৰ্ত্তৃপক্ষক অনুৰোধ কৰা হওক আৰু এই বিষয়ে সাহিত্য সভাৰ উচিত দাবি সমৰ্থন কৰিবৰ নিমিত্তে অসম শিক্ষা বিভাগৰ জৰিয়তে অসম গৱৰ্ণমেণ্টক অনুৰোধ কৰা হওক।

প্ৰস্তাৱক—শ্ৰীযুত ৰামপ্ৰসাদ খাউণ্ড

সমৰ্থক— ,, কুমুদেশ্বৰ বৰঠাকুৰ

অনুমোদক— ,, কুমুদচন্দ্ৰ শৰ্ম্মা

১২। গোৱালপাৰা জিলাৰ চৰ অঞ্চলত প্ৰাইমেৰী আৰু মজলীয়া স্কুলবোৰত বঙলা ভাষা প্ৰচলিত থকাত জাতীয় ঐক্য সংহতি আৰু সমৃদ্ধি বঢ়োৱাত বাধা পৰিছে। এতেকে কৰ্ত্তৃপক্ষক অনুৰোধ জনোৱা যাওক যে সেইবোৰ স্কুলত অনতিপলমে অসমীয়া ভাষা চলোৱা হওক।

প্ৰস্তাৱক—ৰায় বাহাদুৰ শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা

সমৰ্থক—ডাক্তৰ শ্ৰীযুত ঘনশ্যাম দাস

অনুমোদক—শ্ৰীযুত নগেন্দ্ৰ নাৰায়ণ চৌধুৰী

১৩। অসম-সাহিত্য-সভা পত্ৰিকাৰ ৬ষ্ঠ বছৰৰ ৪ৰ্থ সংখ্যাত প্ৰকাশ হোৱা শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা দেৱৰ "মহাপুৰুষ শঙ্কৰদেৱ" প্ৰবন্ধটো পত্ৰিকাৰ অহা অহা সংখ্যাত উঠাই লবৰ নিমিত্তে পত্ৰিকা সম্পাদকক নিৰ্দ্দেশ দিয়া হওক।

প্ৰস্তাৱক—শ্ৰীযুত খনিন্দ্ৰচন্দ্ৰ বৰুৱা

সমৰ্থক— ,, সুৰেন্দ্ৰনাথ ভৰালী

১৪। গত বছৰ সাহিত্য-সভাৰ প্ৰস্তাৱ মতে বৈজ্ঞানিক দাৰ্শনিক, সমাজনৈতিক আদি বিজ্ঞানৰ ব্যৱ-হাৰযোগ্য প্ৰতিশব্দ ৰচিবলৈ যি সমিতি গঠন হৈছিল সেই সমিতিৰ ৰচিত শব্দ-তালিকা আজিৰ

এই সভাই শেষ সিদ্ধান্তৰূপে গ্ৰহণ কৰি ৰাজহুৱা আলোচনাৰ কাৰণে সেই তালিকা প্ৰকাশ কৰা হওক আৰু নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত পোৱা আলোচনা মীমাংসা কৰি আৰু আৱশ্যক হলে সাল-সলনি কৰি শব্দ-তালিকা শেষ সিদ্ধান্তৰূপে গ্ৰহণ কৰিবলৈ তলত নাম দিয়া ভদ্ৰলোকসকলৰ পৰা ভিন ভিন বিভাগৰ কাৰণে ভিন ভিন সমিতি গঠন কৰা হওক।

( ১ ) শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ ( ২ ) ৰায় বাহাদুৰ শ্ৰীযুত কণকলাল বৰুৱা ( ৩ ) অধ্যাপক শ্ৰীযুত দিবাকৰ গোস্বামী ( ৪ ) অধ্যাপক শ্ৰীযুত উমাকান্ত গোস্বামী ( ৫ ) অধ্যাপক শ্ৰীযুত মথুৰানাথ গোস্বামী ( ৬ ) অধ্যাপক শ্ৰীযুত ৰাধাকান্ত দাস ( ৭ ) অধ্যাপক ডাঃ বাণীকান্ত কাকতি ( ৮ ) অধ্যাপক ডাঃ ময়িদুল ইচলাম বড়া ( ৯ ) অধ্যাপক শ্ৰীযুত প্ৰফুল্লপ্ৰাণ চাং-কাকতি ( ১০ ) অধ্যাপক শ্ৰীযুত হিৰণ্যকুমাৰ ভূঞা ( ১১ ) শ্ৰীযুত সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী ( ১২ ) শ্ৰীযুত কুমুদেশ্বৰ বৰঠাকুৰ ( ১৩ ) শ্ৰীযুত বিৰিঞ্চি কুমাৰ বৰুৱা ( ১৪ ) শ্ৰীযুত নবীনচন্দ্ৰ গোস্বামী ( ১৫ ) শ্ৰীযুত জীৱনৰাম ফুকন ( ১৬ ) শ্ৰীযুত হলিৰাম দত্ত ( ১৭ ) শ্ৰীযুত যোগেন্দ্ৰনাথ শইকীয়া ( গোলাঘাট ) ( ১৮ ) চৈয়দ মফিজুৰ ৰহমান ( যোৰহাট ) ( ১৯ ) শ্ৰীযুত গণেশচন্দ্ৰ ফুকন ই, এ, চি, ( ২০ ) শ্ৰীযুত হিৰেন্দ্ৰকুমাৰ বৰুৱা ( ২১ ) শ্ৰীযুত সুশীলকুমাৰ বৰুৱা ভিন ভিন বিষয়ৰ ৰাজহুৱা সমালোচনা এই সভাই নিৰ্দ্দিষ্ট কৰি দিয়া ভিন ভিন লোকলৈ অহা মাৰ্চ মাহৰ ৩১ তাৰিখৰ আগত পঠাব। ভিন ভিন সমিতি নিজ নিজ সুবিধা ঠাইত অহা ইষ্টাৰ বন্ধৰ সময়ত বহিব।

প্ৰস্তাৱক—শ্ৰীযুত বিষ্ণুকিঙ্কৰ কলিতা
সমৰ্থক— ,, প্ৰমোদৰাম ভট্টাচাৰ্য্য
অনুমোদক—,, কালীৰাম মেধি

১৫। অসমীয়া ভাষাৰ প্ৰচাৰ চলাবৰ উদ্দেশ্যে অসম সাহিত্য সভাৰ এটা প্ৰচাৰ বিভাগ নামে এটা শাখা বিভাগ খোলা হওক আৰু এই কাৰ্য্য চলাবৰ নিমিত্তে এখন বেলেগ সমিতি গঠন কৰি বছেৰেকত এটা ৰিপোৰ্ট আৰু স্কীম বাৰ্ষিক অধিবেশনত ডাঙি ধৰিব। এই সভাই সময়ে সময়ে প্ৰচাৰক পঠিয়াই আৰু মাজে মাজে বুলেটিন ছপাই অসমীয়া ভাষা প্ৰচাৰৰ চেষ্টা কৰিব।

সভ্য :—( ১ ) শ্ৰীযুত হৰিনাৰায়ণ বৰুৱা ( ২ ) শ্ৰীযুত কুমুদেশ্বৰ বৰঠাকুৰ ( ৩ ) শ্ৰীযুত কৰুণাকান্ত গগৈ ( ৪ ) শ্ৰীযুত দেবেন্দ্ৰনাথ শৰ্ম্মা ( ৫ ) শ্ৰীযুত কেশৱকান্ত বৰুৱা ( ৬ ) শ্ৰীযুত হৰেন্দ্ৰনাথ বৰুৱা ( ৭ ) শ্ৰীযুত মাধৱচন্দ্ৰ বেজবৰুৱা।

প্ৰস্তাৱক—শ্ৰীযুত মাধৱচন্দ্ৰ বেজবৰুৱা
সমৰ্থক— ,, প্ৰমোদচন্দ্ৰ হাজৰিকা

১৬। এই সভাই গোৱালপাৰা জিলাৰ ছাত্ৰ সন্মিলনৰ 'গোৱালপাৰাত অসমীয়া ভাষাৰেহে শিক্ষা দিয়াৰ ব্যৱস্থা হব লাগে' বোলা প্ৰস্তাৱ অনুমোদন কৰে।

প্ৰস্তাৱক—শ্ৰীযুত বিনন্দচন্দ্ৰ বৰুৱা
সমৰ্থক— ,, বিপিনচন্দ্ৰ বৰুৱা

১৭। এইবাৰ চুৰমা উপত্যকাৰ অসমীয়া সকলৰ ভিতৰৰ পৰা অসম সাহিত্য সভালৈ প্ৰতিনিধি অহাত অসম সাহিত্য সভাই সন্তোষ প্ৰকাশ কৰিছে আৰু সেইবাবে চুৰমা উপত্যকাৰ অসমীয়া বাইজসকলক ধন্যবাদ জনাইছে।

প্ৰস্তাৱক—শ্ৰীযুত গোপীনাথ বৰদলৈ
সমৰ্থক—শ্ৰীমান প্ৰফুল্ল গোস্বামী

†১৮। যিহেতু কলিতা ইউনিভাৰ্ছিটিৰ বৰ্ডঅব ভাৰ্ণেকুলাৰ্চত উপযুক্ত সংখ্যক অসমীয়া মেম্বৰ নোহোৱাত ইউনি-ভাৰ্চিটিৰ অসমীয়া পাঠ্য নিৰ্ব্বাচনত বেমেজালি ঘটি থকা দেখা যায়। সেই কাৰণে এই সভাই কলিকতা বিশ্ব-বিদ্যালয়ৰ কৰ্ত্তৃপক্ষক অনুৰোধ কৰে যেন তলত নাম দিয়া তিনিজনলোকক বৰ্ডঅব ভাৰ্ণেকুলাৰ্চৰ মেম্বৰ স্বৰূপে লোৱা হয়।

( ১ ) শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ এম. এ, ( কলি-অক্স )
( ২ ) ,, কাশীনাথ বেজবৰুৱা, বি, এ,
( ৩ ) ডাঃ শ্ৰীযুত বাণীকান্ত কাকতি, এম, এ,

প্ৰস্তাৱক—শ্ৰীযুত ৰত্নকান্ত বৰকাকতি
সমৰ্থক— ,, বেনুধৰ শৰ্ম্মা—

( স্বাঃ ) শ্ৰীকৃষ্ণকান্ত সন্দিকৈ
সভাপতি
২৮।১২।৩৭

---

# নৰদেৱ ট্ৰাষ্ট ফণ্ড—১৯৩৫-৩৬

নৰদেৱ ট্ৰাষ্ট ফণ্ড প্ৰতিষ্ঠাতা শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰাধিকাৰ গোস্বামীৰ দান— ৫০০০৲

ডিব্ৰুগড় ইম্পিৰিয়েল বেঙ্কত শতকৰা ২৲ সুদ হিচাপে জমা ... ... ৫০০০৲

**জমা**

১। যোৱা বছৰৰ বাকী জমা ... ... ৪৯০৮৶১০ পাই
২। ইম্পিৰিয়েল বেঙ্কৰ সুত ... ... ১০০৲
মুঠ জমা ৫৯০৮৶১০ পাই

**খৰচ**

১। ইম্পিৰিয়েল বেঙ্কৰ পৰা সুতৰ টকা পঠোৱাৰ খৰচ ... ... ।৶
মুঠ খৰচ ।৶
বাকী জমা —— ৫৯০।১০ পাই
৫৯০৮৶১০

# কমলা দেৱী ট্ৰাষ্ট ফণ্ড—১৯৩৫-৩৬

কমলা দেৱী ট্ৰাষ্ট ফণ্ড প্ৰতিষ্ঠাতা শ্ৰীযুত ৰাধানাথ গোস্বামীৰ দান—— ২০০০৲

যোৰহাট টাউন বেঙ্কত শতকৰা ৭॥ টকা সুদত জমা ... ... ২০০০৲

**জমা**

১। যোৱা বছৰৰ বাকী জমা ... ... ৬১॥১০ পাই
২। যোৰহাট টাউন বেঙ্কৰ পৰা সুত পোৱা হয় ১০০৲
মুঠ জমা ১৬১॥১০ পাই

**খৰচ**

১। কমলাদেৱীৰ ছবি বন্ধোৱাৰ খৰচ ... ... ৩৲
২। দৰ্পণ প্ৰেচৰ বিল ( চাপা কাৰ্য্যৰ বাবে)... ৩॥০
৩। শ্ৰীযুত যোগেন্দ্ৰনাথ ঠাকুৰৰ বিল ( চিত্ৰ উন্মোচন কাৰ্য্যৰ উপলক্ষে ) ... ... ৭৲
৪। অন্যান্য খুচুৰা খৰচ ... ... ১॥৶৬
মুঠ খৰচ ১৫৶৬ পাই
বাকী জমা ১৪৬।৴৪ পাই
১৬১॥১০ পাই

গৃহীত হল
( স্বঃ ) শ্ৰীকৃষ্ণকান্ত সন্দিকৈ
সভাপতি
২৬।১২।৩৭

( স্বঃ ) নজমল হুচেন
হিচাব পৰিক্ষক
২।১২।৩৬

# অসম সাহিত্য সভাৰ

## সপ্তদশ সন্মিলনত গৃহীত প্ৰস্তাৱ সমূহ

১। অসম সাহিত্য সভাৰ পৃষ্ঠপোষক অসমৰ ভূতপূৰ্ব্ব গৱৰ্ণৰ চাৰ মাইকেল কীন, জগৎ বিখ্যাত বৈজ্ঞানিক চাৰ জগদীশ বসু, বৰদোৱা সত্ৰৰ অধিকাৰ বংশীবদন দেৱ গোস্বামী, আহোম ৰজাসকলৰ বংশধৰ ৰাজকুমাৰ চন্দ্ৰনাৰায়ণ সিংহ, খ্যাত নামা সাহিত্যিক কমলাকান্ত ভট্টাচাৰ্য্য, দেশ প্ৰেমিক যোগেন্দ্ৰনাথ বৰুৱা এম, এল, এ, গোৱালপাৰাৰ শৰদিন্দুনাথ আৰু জয়নাথ শৰ্ম্মা— ডাঙৰীয়াসকলৰ বিয়োগত এই সভাই গভীৰ শোক প্ৰকাশ কৰে আৰু তেখেতসকলৰ আত্মাৰ সদ্গতি কামনা কৰে।

সভাপতি

২। গুৱাহাটী নগৰত অসম মিউজিয়েমৰ ঘৰ নিৰ্ম্মাণৰ বাবে প্ৰাদেশিক গৱৰ্ণমেণ্টে দহ হাজাৰ টকা দান কৰাত এই সন্মিলনে অসম গৱৰ্ণমেণ্টক ধন্যবাদ জ্ঞাপন কৰে।

প্ৰস্তাৱক—ৰায় বাহাদুৰ শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা

সমৰ্থক—পণ্ডিত শ্ৰীযুত প্ৰতাপচন্দ্ৰ গোস্বামী।

৩। শ্ৰদ্ধেয় শ্ৰীযুত কালীৰাম মেধি, এম, এ; ডাঙৰীয়াই বহুত পৰিশ্ৰম আৰু ধন খৰচ কৰি "অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব" নামে গভীৰ গৱেষণা পূৰ্ণ বহুমূলীয়া প্ৰকাণ্ড পুথি এখন লিখি প্ৰকাশ কৰাত অসমীয়া ভাষাৰ এটা ডাঙৰ অভাৱ পূৰ্ণ হৈছে, সেইবাবে তেখেতক এই সন্মিলনে কৃতজ্ঞতা জনাইছে।

প্ৰস্তাৱক—পণ্ডিত শ্ৰীযুত প্ৰতাপচন্দ্ৰ গোস্বামী

সমৰ্থক—শ্ৰীযুত বেণুধৰ ৰাজখোৱা

অনুমোদক—ৰায় বাহাদুৰ শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা

৪। (ক) অসমীয়া কৃষ্টি আৰু সভ্যতাৰ কেন্দ্ৰ স্থল, ইতিহাস পুৰাণ প্ৰসিদ্ধ পুৰণি কামৰূপৰ ৰাজধানী প্ৰাগ্‌-জ্যোতিষপুৰ (এতিয়াৰ গুৱাহাটী) নগৰত এটি বিশ্ব-বিদ্যালয় স্থাপন কৰিবলৈ অসম গৱৰ্ণমেণ্টক অনুৰোধ কৰা হৈছিল। গৱৰ্ণমেণ্টে বৰ্ত্তমান বিশ্ব-বিদ্যালয় স্থাপন কৰিব নোৱাৰো বোলাত দুখ প্ৰকাশ কৰে; আৰু পুনৰ বিবেচনাৰ নিমিত্তে গৱৰ্ণমেণ্টক অনুৰোধ কৰে।

(খ) বিশ্ব-বিদ্যালয় স্থাপন কৰাৰ সম্পৰ্কে এখন আইনৰ পাণ্ডুলিপি তৈয়াৰ কৰি আইন সভাত উত্থাপন কৰিবলৈ শ্ৰীযুত মহীচন্দ্ৰ বৰা, এম, এল, এ, ডাঙৰীয়াক অনুৰোধ কৰা হল।

প্ৰস্তাৱক—শ্ৰীযুত দেবেশ্বৰ চলিহা

সমৰ্থক— ,, কুমুদেশ্বৰ বৰঠাকুৰ

৫। কলিকতা বিশ্ব-বিদ্যালয়ে অসমীয়া ভাষাক 'বি, এ,ৰ উপৰঞ্চি বিষয় আৰু 'এম এ, মহলাত মুখ্য বিষয় হিচাপে স্থান দিয়া নাই। এতেকে ইয়াৰ প্ৰতি-বিধানৰ অৰ্থে কলিকতা বিশ্ববিদ্যালয়ক বছৰি ১২০০, বাৰশ টকাৰ এটি দান দিবৰ কাৰণে এই সন্মিলনে অসম গৱৰ্ণমেণ্টক অনুৰোধ কৰে।

প্ৰস্তাৱক—শ্ৰীযুত কুমুদেশ্বৰ বৰঠাকুৰ

সমৰ্থক— ,, হৰিনাৰায়ণ বৰুৱা

৬। তাৰাপুৰৰ অসমীয়া ছাত্ৰৰ পঢ়া প্ৰাইমেৰি স্কুলবিলাকত অসমীয়া ভাষাৰ পাঠ্য-পুথি বাধ্যতামূলকভাৱে চলাবলৈ চৰকাৰ বাহাদুৰক এই সন্মিলনে অনুৰোধ কৰে।

প্ৰস্তাৱক—শ্ৰীযুত তুলসীনাৰায়ণ শৰ্ম্মা

সমৰ্থক— ,, ৰত্নকান্ত বৰকাকতি

অনুমোদক—শ্ৰীমান প্ৰফুল্ল গোস্বামী

৭। অসম সাহিত্য সভাক বছৰি তিনি হাজাৰ টকাৰ সাহায্য দিবৰ কাৰণে এই সন্মিলনে কৰ্তৃপক্ষক অনুৰোধ কৰে আৰু এই বিষয়ে এম, এল, এ, সকলৰ



সুদৃষ্টি আকৰ্ষণ কৰে।

প্ৰস্তাৱক—শ্ৰীযুত মুক্তানাথ বৰুৱা

সমৰ্থক— ,, ভ্ৰমৰচন্দ্ৰ শইকীয়া

অনুমোদক— ,, গোলাপচন্দ্ৰ গোস্বামী

৮। দেৰগাওঁ ছাত্ৰ সন্মিলনত অসমীয়া ভাষাৰ ওজা ৺হেমচন্দ্ৰ বৰুৱাৰ জন্ম-ভেটিত সোঁৱৰণি চিন ৰাখিবলৈ কৰা প্ৰস্তাৱ দেৰগাওঁ সাহিত্য সভাই সমৰ্থন কৰিছে আৰু অসম সাহিত্য সভাৰো সহানুভূতি আছে।

প্ৰস্তাৱক—শ্ৰীযুত লক্ষেশ্বৰ শৰ্ম্মা বৰুৱা

সমৰ্থক— ,, বিনন্দচন্দ্ৰ বৰুৱা

৯। মৌলিক গৱেষণা মূলক প্ৰবন্ধ আৰু গ্ৰন্থেৰে অসমীয়া সাহিত্যৰ সম্পদ বঢ়োৱতা দাৰ্শনিক কবি স্বৰ্গীয় কমলাকান্ত ভট্টাচাৰ্য্য ডাঙৰীয়াৰ প্ৰকাশিত, অপ্ৰকাশিত সকলো প্ৰবন্ধ আৰু গ্ৰন্থ গোটাই "কমলাকান্ত গ্ৰন্থাৱলী" নামেৰে প্ৰকাশ কৰাৰ যুগুত ব্যৱস্থা কৰা হওক; আৰু এই প্ৰস্তাৱ কাৰ্য্যত পৰিণত কৰিবলৈ সাহিত্য সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিক ভাৰ দিয়া হওক।

প্ৰস্তাৱক—শ্ৰীযুত মাধৱচন্দ্ৰ বেজবৰুৱা

সমৰ্থক— ,, জগদীশচন্দ্ৰ মেধি

১০। মহাপুৰুষ মাধৱদেৱৰ 'নামঘোষা' পুথিখন কলিকতাৰ পণ্ডিত তিনকড়ি বিশ্বাস নামে এজন বঙালী ভদ্ৰলোকে হুবহু নকল কৰি 'ভজন কীৰ্ত্তন' নাম দি তেওঁৰে প্ৰণীত বুলি উলিয়াইছে আৰু মাণিকলাল ঘোষ নামে এজন বঙালী ভদ্ৰলোকে প্ৰকাশ কৰিছে। এই বিষয়ে আইনৰ সহায় লৈ অনতিবিলম্বে যথাবিহিত প্ৰতিকাৰ কৰিবলৈ তলত নাম দিয়া তিনিজন আইনজ্ঞ ভদ্ৰলোকক অনুৰোধ কৰা হওক আৰু এই বিষয়ে যাৱতীয় খৰচ বহন কৰিবলৈ কাৰ্য্য-নিৰ্ব্বাহক সমিতিক ভাৰ দিয়া হওক।

১। ৰায় চাহাব শ্ৰীযুত গোপীকা বল্লভ গোস্বামী; ২। শ্ৰীযুত নগেন্দ্ৰনাথ বৰুৱা, বি, এল; ৩। শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মা পাঠক, বি, এল;

প্ৰস্তাৱক—শ্ৰীযুত বেণুধৰ ৰাজখোৱা

সমৰ্থক— ,, বেণুধৰ শৰ্ম্মা

অনুমোদক— ,, ৰত্নকান্ত বৰকাকতি

১১। বিশ্ব-বিদ্যালয়ৰ প্ৰবেশিকা আদি উপাধি পৰীক্ষা পৰ্য্যন্ত সকলোখিনি পৰীক্ষাৰ নিমিত্তে পাঠ্য-পুথি বাচি দিবলৈ অসম-সাহিত্য-সভাক ক্ষমতা দিবলৈ অথবা তেনে পাঠ্যৰ বাচনিৰ সম্পৰ্কে অসম সাহিত্য সভাৰ মত লোৱাৰ নিমিত্তে যথোচিত ব্যৱস্থা কৰিবলৈ বিশ্ব-বিদ্যালয়ৰ কৰ্ত্তৃপক্ষক অনুৰোধ কৰা হওক আৰু এই বিষয়ে সাহিত্য সভাৰ উচিত দাবি সমৰ্থন কৰিবৰ নিমিত্তে অসম শিক্ষা বিভাগৰ জৰিয়তে অসম গৱৰ্ণমেণ্টক অনুৰোধ কৰা হওক।

প্ৰস্তাৱক—শ্ৰীযুত ৰামপ্ৰসাদ পাউণ্ড

সমৰ্থক— ,, কুমুদেশ্বৰ বৰঠাকুৰ

অনুমোদক— ,, কুমুদচন্দ্ৰ শৰ্ম্মা

১২। গোৱালপাৰা জিলাৰ চৰ অঞ্চলত প্ৰাইমেৰী আৰু মজলীয়া স্কুলবোৰত বঙলা ভাষা প্ৰচলিত থকাত জাতীয় ঐক্য সংহতি আৰু সমৃদ্ধি বঢ়োৱাত বাধা পৰিছে। এতেকে কৰ্ত্তৃপক্ষক অনুৰোধ জনোৱা যাওক যে সেইবোৰ স্কুলত অনতিপলমে অসমীয়া ভাষা চলোৱা হওক।

প্ৰস্তাৱক—ৰায় বাহাদুৰ শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা

সমৰ্থক—ডাক্তৰ শ্ৰীযুত ঘনশ্যাম দাস

অনুমোদক—শ্ৰীযুত নগেন্দ্ৰ নাৰায়ণ চৌধুৰী

১৩। অসম-সাহিত্য-সভা পত্ৰিকাৰ ৬ষ্ঠ বছৰৰ ৪ৰ্থ সংখ্যাত প্ৰকাশ হোৱা শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা দেৱৰ "মহাপুৰুষ শঙ্কৰদেৱ" প্ৰবন্ধটো পত্ৰিকাৰ অহা অহা সংখ্যাত উঠাই লবৰ নিমিত্তে পত্ৰিকা সম্পাদকক নিৰ্দ্দেশ দিয়া হওক।

প্ৰস্তাৱক—শ্ৰীযুত অনিৰুদ্ধচন্দ্ৰ বৰুৱা

সমৰ্থক— ,, সুৰেন্দ্ৰনাথ ভৰালী

১৪। গত বছৰ সাহিত্য-সভাৰ প্ৰস্তাৱ মতে বৈজ্ঞানিক দাৰ্শনিক, সমাজনৈতিক আদি বিজ্ঞানৰ ব্যৱ-হাৰযোগ্য প্ৰতিশব্দ ৰচিবলৈ যি সমিতি গঠন হৈছিল সেই সমিতিৰ ৰচিত শব্দ-তালিকা আজিৰ

এই সভাই শেষ সিদ্ধান্তৰূপে গ্ৰহণ কৰি ৰাজহুৱা আলোচনাৰ কাৰণে সেই তালিকা প্ৰকাশ কৰা হওক আৰু নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত পোৱা আলোচনা মীমাংসা কৰি আৰু আৱশ্যক হলে সাল-সলনি কৰি শব্দ-তালিকা শেষ সিদ্ধান্তৰূপে গ্ৰহণ কৰিবলৈ তলত নাম দিয়া ভদ্ৰলোকসকলৰ পৰা ভিন ভিন বিভাগৰ কাৰণে ভিন ভিন সমিতি গঠন কৰা হওক।

( ১ ) শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ ( ২ ) ৰায় বাহাদুৰ শ্ৰীযুত কণকলাল বৰুৱা ( ৩ ) অধ্যাপক শ্ৰীযুত দিবাকৰ গোস্বামী ( ৪ ) অধ্যাপক শ্ৰীযুত উমাকান্ত গোস্বামী ( ৫ ) অধ্যাপক শ্ৰীযুত মথুৰানাথ গোস্বামী ( ৬ ) অধ্যাপক শ্ৰীযুত ৰাধাকান্ত দাস ( ৭ ) অধ্যাপক ডাঃ বাণীকান্ত কাকতি ( ৮ ) অধ্যাপক ডাঃ মফিজুল ইচলাম বড়া ( ৯ ) অধ্যাপক শ্ৰীযুত প্ৰফুল্লপ্ৰাণ চাং-কাকতি ( ১০) অধ্যাপক শ্ৰীযুত হিৰণ্যকুমাৰ ভূঞা ( ১১ ) শ্ৰীযুত সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী ( ১২ ) শ্ৰীযুত কুমুদেশ্বৰ বৰঠাকুৰ ( ১৩ ) শ্ৰীযুত বিৰিঞ্চি কুমাৰ বৰুৱা ( ১৪ ) শ্ৰীযুত নবীনচন্দ্ৰ গোস্বামী ( ১৫ ) শ্ৰীযুত জীৱনৰাম ফুকন ( ১৬) শ্ৰীযুত হলিৰাম দত্ত ( ১৭ ) শ্ৰীযুত যোগেন্দ্ৰনাথ শইকীয়া ( গোলাঘাট ) ( ১৮ ) চৈয়দ মফিদুৰ ৰহমান ( যোৰহাট ) ( ১৯ ) শ্ৰীযুত গণেশচন্দ্ৰ ফুকন ই, এ, চি, ( ২০ ) শ্ৰীযুত হিৰেন্দ্ৰকুমাৰ বৰুৱা ( ২১ ) শ্ৰীযুত সুশীলকুমাৰ বৰুৱা ভিন ভিন বিষয়ৰ ৰাজহুৱা সমা-লোচনা এই সভাই নিৰ্দ্দিষ্ট কৰি দিয়া ভিন ভিন লোকলৈ অহা মাৰ্চ মাহৰ ৩১ তাৰিখৰ আগত পঠাব। ভিন ভিন সমিতি নিজ নিজ সুবিধা ঠাইত অহা ইষ্টাৰ বন্ধৰ সময়ত বহিব।

প্ৰস্তাৱক—শ্ৰীযুত বিষ্ণুকিঙ্কৰ কলিতা
সমৰ্থক— ,, প্ৰমোদৰাম ভট্টাচাৰ্য্য
অনুমোদক—,, কালীৰাম মেধি

১৫। অসমীয়া ভাষাৰ প্ৰচাৰ চলাবৰ উদ্দেশ্যে অসম সাহিত্য সভাৰ এটা প্ৰচাৰ বিভাগ নামে এটা শাখা বিভাগ খোলা হওক আৰু এই কাৰ্য্য চলাবৰ নিমিত্তে এখন বেলেগ সমিতি গঠন কৰি বছেৰেকত এটা ৰিপোৰ্ট আৰু স্কীম বাৰ্ষিক অধিবেশনত ডাঙি ধৰিব। এই সভাই সময়ে সময়ে প্ৰচাৰক পঠিয়াই আৰু মাজে মাজে বুলেটিন ছপাই অসমীয়া ভাষা প্ৰচাৰৰ চেষ্টা কৰিব।

সভ্য :—( ১ ) শ্ৰীযুত হৰিনাৰায়ণ বৰুৱা ( ২ ) শ্ৰীযুত কুমুদেশ্বৰ বৰঠাকুৰ ( ৩ ) শ্ৰীযুত কৰুণাকান্ত গগৈ ( ৪ ) শ্ৰীযুত দেবেন্দ্ৰনাথ শৰ্ম্মা ( ৫ ) শ্ৰীযুত কেশৱকান্ত বৰুৱা ( ৬ ) শ্ৰীযুত হৰেন্দ্ৰনাথ বৰুৱা ( ৭ ) শ্ৰীযুত মাধৱচন্দ্ৰ বেজবৰুৱা।

প্ৰস্তাৱক—শ্ৰীযুত মাধৱচন্দ্ৰ বেজবৰুৱা
সমৰ্থক— ,, প্ৰমোদচন্দ্ৰ হাজৰিকা

১৬। এই সভাই গোৱালপাৰা জিলাৰ ছাত্ৰ সন্মিলনৰ 'গোৱালপাৰাত অসমীয়া ভাষাৰেহে শিক্ষা দিয়াৰ ব্যৱস্থা হব লাগে' বোলা প্ৰস্তাৱ অনুমোদন কৰে।

প্ৰস্তাৱক—শ্ৰীযুত বিনন্দচন্দ্ৰ বৰুৱা
সমৰ্থক— ,, বিপিনচন্দ্ৰ বৰুৱা

১৭। এইবাৰ চুৰমা উপত্যকাৰ অসমীয়া সকলৰ ভিতৰৰ পৰা অসম সাহিত্য সভালৈ প্ৰতিনিধি অহাত অসম সাহিত্য সভাই সন্তোষ প্ৰকাশ কৰিছে আৰু সেইবাবে চুৰমা উপত্যকাৰ অসমীয়া ৰাইজসকলক ধন্যবাদ জনাইছে।

প্ৰস্তাৱক—শ্ৰীযুত গোপীনাথ বৰদলৈ
সমৰ্থক—শ্ৰীমান প্ৰফুল্ল গোস্বামী

১৮। যিহেতু কলিকতা ইউনিৰ্ভাৰ্ছিটিৰ বৰ্ড অৱ ষ্টাডিজ ভাৰ্ণেকুলাৰ্চত উপযুক্ত সংখ্যক অসমীয়া মেম্বৰ নোহোৱাত ইউনি-ভাৰ্চিটিৰ অসমীয়া পাঠ্য নিৰ্ব্বাচনত বেমেজালি ঘটি থকা দেখা যায়। সেই কাৰণে এই সভাই কলিকতা বিশ্ব-বিদ্যালয়ৰ কৰ্তৃপক্ষক অনুৰোধ কৰে যেন তলত নাম দিয়া তিনিজনলোকক বৰ্ডঅৱ ভাৰ্ণেকুলাৰ্চৰ মেম্বৰ স্বৰূপে লোৱা হয়।

( ১ ) শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ এম. এ, ( কলি-অক্স)
( ২ ) ,, লক্ষ্মীনাথ বেজবৰুৱা, বি, এ,
( ৩ ) ডাঃ শ্ৰীযুত বাণীকান্ত কাকতি, এম, এ.

প্ৰস্তাৱক—শ্ৰীযুত ৰত্নকান্ত বৰকাকতি
সমৰ্থক— ,, বেণুধৰ শৰ্ম্মা—

( স্বাঃ ) শ্ৰীকৃষ্ণকান্ত সন্দিকৈ
সভাপতি
২৮।১২।৩৭

---

# সম্পাদকৰ নিবেদন

বৰ্ত্তমান সপ্তম বছৰ প্ৰথম সংখ্যা কাকত প্ৰকৃততে ১৮৫৯ শকৰ কাতি-পুহ মাহ সংখ্যা; গতিকে যোৱা সন্মিলনৰ সময়তে পুৰণি সম্পাদক শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা দেৱৰ নামে ওলাব লগা। স্বৰূপতে সপ্তদশ সাহিত্য সন্মিলনত পঢ়া প্ৰধান সম্পাদকৰ কাৰ্য্যবিৱৰণী, তাত গৃহীত প্ৰস্তাৱসমূহ আৰু সম্পাদকীয় প্ৰসঙ্গৰ কথাখিনিৰ বাহিৰে এই সংখ্যাৰ আন সকলোখিনি প্ৰবন্ধ পুৰণি সম্পাদকৰ নিৰ্দ্দেশমতেই ছপা-যন্ত্ৰত পৰে, আৰু নতুন সম্পাদকে কাৰ্য্যভাৰ পোৱাৰ আগতে ইয়াৰ প্ৰথম ১২ পিঠি ছপা হৈ যায় আৰু তাৰ পিছৰ প্ৰায় ১২ পিঠি গাঁথা হৈ থাকে।

সন্মিলনত নতুন সম্পাদকৰ বাছান হৈ যোৱাৰ পিছত পুৰণি সম্পাদকৰ নামে এই সংখ্যা কাকত ওলোৱা সমীচীন নহব আৰু যোৱা সন্মিলনৰ গৃহীত প্ৰস্তাৱ আদি এই সংখ্যাতে ওলাব লাগিব বুলি বিবেচনা কৰি ২।২।৩৮ তাৰিখে নতুন কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে, পত্ৰিকাৰ নতুন সম্পাদকেই এই সংখ্যা কাকত উলিয়াব লাগে বুলি প্ৰস্তাৱ বান্ধি দিয়ে, আৰু আগতে যুগুত হৈ থকা প্ৰবন্ধ-খিনিও সামৰি লবলৈ নতুন সম্পাদকক নিৰ্দ্দেশ দিয়ে। এই দিনায় সম্পাদকক সহায় কৰিবলৈ এখন সম্পাদকীয় সমিতিও পাতি দিয়া হয়।

সচাকৈয়ে নতুন সম্পাদক আৰু সম্পাদকীয় সমিতিয়ে এই সংখ্যা কাকত এওঁলোকৰ বুলি কোনোমতে গৌৰৱ কৰিব নোৱাৰে; কেৱল "ৰঙা ফিটা"ৰ নিয়মত এওঁলোক ইয়াৰ বাপেকী হব লগা হৈছে, ইমানেই।

এই বছৰ দ্বিতীয় সংখ্যাৰ পৰাহে আমাৰ কাম ঘাইকৈ আৰম্ভ হব। 'পত্ৰিকা'ৰ প্ৰবন্ধ-ৰাছনি সম্পৰ্কে মূল্যৱান মতামতৰ সাৰ গ্ৰহণ কৰি এতিয়াৰ পৰা এই কাকতত গৱেষণামূলক আৰু ওখ ধৰণৰ মৌলিক প্ৰবন্ধৰ বাহিৰে সাধাৰণ গল্প কবিতা আদি আন ৰচনা ঠাই নিদিবলৈ থিৰ কৰা হৈছে।

দেখাদেখিকৈয়ে কামত এনে নীতি মানি চলিবলৈ হলে তেনে প্ৰবন্ধৰ যোগান সদায় জোখাৰে থাকিব লাগিব। এটা সাহিত্যত তিনিমহীয়া ৰাজহুৱা কাকত এখন ইয়াৰো দুখীয়া হবনে? আমি সকত আশাবাদী।

ন-পুৰণি সকলো চিন্তাশীল অসমীয়া লেখকলৈ আমাৰ বিনীত অনুৰোধ, নিজ কৰ্ত্তব্য বুলি মনত ৰাখি কোনেও নিজ বিষয়ৰ বহুমূলীয়া চিন্তা আৰু গৱেষণাৰ দানৰ পৰা, একেটি সৰবহুী সাৰ্ব্বজনীন জাতীয় অনুষ্ঠানৰ মুখপাত এই পত্ৰিকাখনিক বঞ্চিত নকৰে যেন।

এনে সহায়ৰ বাবে পত্ৰিকাৰ সম্পাদক আৰু সম্পাদকীয় সমিতিৰ সভাসকল সেইসকল লেখকৰ ওচৰত চিৰ বাধিত থাকিব। ইতি

যোৰহাট
চন্দ্ৰকান্ত সাহিত্য-মন্দিৰ
১।৩।৩৮

বিনীত
শ্ৰীডিম্বেশ্বৰ নেওগ
সম্পাদক, অসম-সাহিত্য-সভা পত্ৰিকা

## "মহাপুৰুষ শঙ্কৰদেৱ" প্ৰৱন্ধৰ প্ৰত্যাহাৰ

আমি দুখেৰে জনাওঁ, ষষ্ঠ বছৰ চতুৰ্থ সংখ্যা 'অসম সাহিত্য-সভা পত্ৰিকা'ত ওলোৱা "মহাপুৰুষ শঙ্কৰদেৱ" শীৰ্ষক ৰচনাখন অসম-সাহিত্য-সভাৰ নিচিনা এটি জাতীয় অনুষ্ঠানৰ মুখপাতত ঠাই পাব নালাগিছিল। এতিয়া সদৌ অসম-সাহিত্য সম্মিলনৰ (যোৱা গুৱাহাটী অধিবেশনৰ) প্ৰস্তাৱ আৰু নিৰ্দ্দেশ * অনুসৰি উক্ত প্ৰৱন্ধটো ইয়াৰ দ্বাৰাই এই কাকতৰ উক্ত সংখ্যাৰ পৰা একেবাৰে উঠাই দিয়া হল, জানিবা সি এই পত্ৰিকাৰ কোলাত কেতিয়াও ঠাই পোৱাই নাছিল।

সম্পাদক, অসম-সাহিত্য-সভা পত্ৰিকা।

* "অসম-সাহিত্য-সভা পত্ৰিকাৰ ষষ্ঠ বছৰ চতুৰ্থ সংখ্যাত প্ৰকাশ হোৱা শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা দেৱৰ "মহাপুৰুষ শঙ্কৰদেৱ" প্ৰৱন্ধটো পত্ৰিকাৰ অহা সংখ্যাত উঠাই লবৰ নিমিত্তে পত্ৰিকা সম্পাদকক নিৰ্দ্দেশ দিয়া হওক। —"সপ্তদশ সাহিত্য সম্মিলনত ২৮।১২।৩৭ তাৰিখে গৃহীত ত্ৰয়োদশ প্ৰস্তাৱ

---

## সিপুৰীত সুকবি চন্দ্ৰকুমাৰ আগৰৱালা

আধুনিক অসমীয়া সাহিত্য-মন্দিৰৰ এগছি পৱিত্ৰ সলিতা নুমাল! অসমীয়া সাহিত্যৰ এক আন্ধাৰৰ কালত পোনৰ পোহৰ বিলাওঁতা এটি 'জোনাকী' আজি মাটিত পৰিল!! অসমীয়া কবিতাৰ নিভাঁজ সোণেৰে গঢ়া "প্ৰতিমাৰ" খনিকৰ, অসমীয়া সাহিত্যৰ মহৎ 'বীণবৰাগী' সুকবি চন্দ্ৰকুমাৰ আৰু ইহ জগতত নাই!!! হৃদ্‌যন্ত্ৰৰ ক্ৰিয়া হঠাৎ ৰহিত হৈ যোৱা ২ মাৰ্চ্চ বুধবাৰে গুৱাহাটীৰ নিজা ঘৰত এওঁ স্বৰ্গী হল! পৱিত্ৰ আত্মাই চিৰশান্তি লভক!!

আধুনিক অসমীয়া সাহিত্যৰ এগৰাকী পুণ্য সোঁৱৰণি পুৰুষ, "কীৰ্ত্তন" "দশম" আদি পুৰণি অসমীয়া বৈষ্ণৱ সাহিত্যৰ প্ৰথম প্ৰকাশক, নানান ডাঙৰ ব্যৱসায় আৰু চাহখেতিৰ এজন প্ৰথম বাট-দেখাওঁতা অসমীয়া ডাঙৰীয়া হৰিবিলাস আগৰৱালাৰ মাজু পুতেক চন্দ্ৰকুমাৰ নিজেও এজন ওখ শ্ৰেণীৰ ব্যৱসায়ী, আৰু চাহ-খেতিয়ক আছিল; যাইকৈ, বৰ্ত্তমান গুৱাহাটীৰ নিউ-প্ৰেচ আৰু ডিব্ৰুগড়ৰ তামোলবাৰী, চাহ-বাগিচা, ব্যৱসায়-ক্ষেত্ৰত এওঁৰ কৃতিত্বৰ দুটি ডাঙৰ ধ্বনী।

অসমীয়া কাকত-চলোৱা ব্যৱসায়ৰো চন্দ্ৰকুমাৰ এজন আগশাৰীৰ আগৰণুৱা আৰু কৃতী ব্যৱসায়ী। "জোনাকী" আৰু 'অসমীয়া' কাকত তাৰ দুটি জ্বলন্ত জীৱন্ত প্ৰমাণ। "বাঁহী"ৰো শেষৰ পোন্ধৰ ষোল বছৰ কালৰ গৰাকী এওঁৱেই। অসমীয়া সাহিত্য আৰু জাতীয় জীৱনত এই কেখন কাকতৰ প্ৰভাৱ নিৰ্ণয় কৰাটো ভৱিষ্যত বুৰঞ্জীলেখকৰ কাম, তথাপি এই একোখন কাকতেই অসমৰ জাতীয় জীৱনৰ একো অধ্যায়ৰ একোটি চমু ইতিহাস বুলি কলেও বৰ বঢ়াই কোৱা নহব। অথচ প্ৰায় আজিলৈকে এইবোৰৰ জনকৰ নাম বহুতৰ কাৰণেই এটি বাস্তৱি!

"পৰাধীন জাতীৰ ৰাজনীতি নাই, আছে সমাজ নীতি"—এই এটি নতুন তথ্য পোহৰলৈ অনা বুলি বঙ্গৰ ছাৱ আশুতোষ চৌধুৰীৰ মূৰত জয়মালাৰ ওৰ নপৰিছিল; কিন্তু তাতোকৈ আগতে যেতিয়া এই বাণী প্ৰচাৰিছিল অসমৰ কবি চন্দ্ৰকুমাৰে;—তালৈ কাণ কৰিছিল কেইজনে?

এইদৰে একে হাতে লক্ষ্মী আৰু সৰস্বতীৰ

অসম সাহিত্য-সভা পত্ৰিকা—



সুকবি স্বৰ্গীয় চন্দ্ৰকুমাৰ আগৰৱালা

প্ৰিয় পুত্ৰ, ব্যৱসায় আৰু কবিতাৰ অধিপতি, অতি ওখ কল্পনা আৰু অতি তীক্ষ্ণ বুদ্ধিৰ অধিনায়ক অসমত এজন দ্বিতীয় নাই। কবি স্বৰূপেও কল্পনাৰ প্ৰকৃত "Sublimity" (মহৎ ভাব) আৰু শিৱ-সত্য-সুন্দৰৰ সুস্পষ্ট "message" (বাণী) প্ৰচাৰ কৰোঁতা অসমীয়া আৰু এজন কবি এতিয়ালৈকে ওলোৱা নাই। চন্দ্ৰকুমাৰৰ এই ওখ শ্ৰেণীৰ প্ৰতিভা সকলো কালৰ পৰাই মৌলিক আছিল।

চন্দ্ৰকুমাৰৰ এনে মহৎ প্ৰতিভা যদি সাধাৰণৰ কাৰণে অলপ অস্পষ্ট, তাৰ কাৰণ চন্দ্ৰকুমাৰ আছিল ইংৰাজ কবি মিল্টনৰ দৰে,—"He was like a star and dwelt apart". (Wordsworth.) চন্দ্ৰকুমাৰ আগশাৰীৰ ব্যৱসায়ী আছিল সচা, কিন্তু সাহিত্যৰ ব্যৱসায় তেওঁ কেতিয়াও নকৰিছিল, গতিকে তাৰ লগৰীয়া আত্মজননীৰ সকলো আধুনিক উপায় তেওঁ সদায়েই হীন বুলি ভাবিছিল। ইৰাচলতে publicity (প্ৰকাশ) বস্তুটোৰ প্ৰতি তেওঁ ইমান বিমুখ আছিল, একাধিকবাৰ তেওঁৰ স্বাভাৱিক প্ৰাপ্য সন্মান অসম-সাহিত্য সন্মিলনৰ সভাপতিৰ বাব বহলোৰে যাচিও তেওঁক কোনেও এবাৰো গ্ৰহণ কৰাব যে নোৱাৰিলে ই মাথোন তাৰ এটি সামান্য সাক্ষী। মুঠতে, ওপৰত মন কৰা আৰু নকৰা নানা কাৰণত চন্দ্ৰকুমাৰৰ জীৱনটোৱেই স্বভাৱতে সাধাৰণৰ বাবে জটিল, কিন্তু নিশ্চিন্ত-ভাৱে কবি-সুলভ স্নেহ, কমনীয়তা আৰু পৱিত্ৰতাৰে পূৰ্ণ, সন্দেহ নাই। তথাপি এওঁ সদায়—"Far from the maddirg crowd". (Gray)

ইংৰাজ কবি টমাছ গ্ৰেৰ লগত চন্দ্ৰকুমাৰৰ অতি বিতোপন ৰিজনি খাটে। বিখ্যাত সমালোচক মেথু আৰ্নল্ডৰ মতে মানুহ আৰু কবি দুই ভাৱেই "He never spoke out" এই চাৰিটি কথাই গ্ৰেৰ যেনেকৈ গোটেই জীৱন-কাহিনী সাগৰে, চন্দ্ৰকুমাৰৰ বিষয়েও একে কথা। ৭১ বছৰ, যদিও ই তেওঁৰ পক্ষে পৈণত বুঢ়া বয়স নাছিল, জীয়াই থাকি তেওঁ অসমীয়া কবিতালৈ যি দান দিলে, জোখত নহলেও লেখত সি তেওঁৰ প্ৰতিভাৰ পক্ষে যথেষ্ট নহয়। এজন বিচক্ষণ সমালোচকে কবৰ দৰে তেওঁৰ "প্ৰতিমাখনি সৰু, কিন্তু ই নিভাঁজ সোণৰ," সচা ; কিন্তু আমাৰ মনেৰে, 'প্ৰতিমাখন নিভাঁজ সোণৰ। কিন্তু ই সৰু'। 'বীণ বৰাগী' ও ওখ, কিন্তু ডাঙৰ নহয়। তথাপি ইংৰাজ কবি গ্ৰেৰ দৰেই "No other poet has climbed. Parnassus with so little baggage".

চন্দ্ৰকুমাৰৰ ইমান তাকৰীয়া কবিতা-উপাদানৰ কাৰণ কি? তেওঁৰ অসমীয়া, বঙলা, হিন্দী, ইংৰাজী আৰু ঘাতকৈ সংস্কৃত সাহিত্যৰ ব্যুৎপত্তি সমসাময়িকসকলৰ অনেক সময়ত প্ৰায় আশ্চৰ্য্য আৰু হতাশৰ বস্তু আছিল, আৰু চৰ্চ্চাৰ অভাৱো তেওঁৰ নাছিল ; তথাপি যে তেওঁ সৰহ নিলিখিছিল, তাৰ কাৰণ, তেওঁ যে অধিক লিখিব নোৱাৰিছিল এনে নহয়, প্ৰকৃততে তেওঁ অধিক লিখিব খুখুজিছিল। কালৰ গতি তেওঁৰ প্ৰতিভাৰ অনুকূল নাছিল ; তেওঁৰ ওখ অনুভূতি আৰু সূক্ষ্ম সৌন্দৰ্য্য-বোধ, তেওঁৰ "সুন্দৰৰ আৰাধনা জীৱনৰ খেল" ('প্ৰতিমা') সাধাৰণে আদৰ কৰিব নোৱাৰিছিল। স্বৰূপতে, তেওঁৰ "প্ৰতিমা" যাৰ নামে অৰ্পণ কৰা হৈছিল সেই 'অভিন্নহৃদয়" "কদমকলি"ৰ কবি শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা দেৱৰ বাহিৰে সমগ্ৰ সাহিত্য-ক্ষেত্ৰত তেওঁ অকলশৰীয়া বীণ-বৰাগীয়েই আছিল, আৰু বেজবৰুৱা দেৱেও এনে এবুৰি ছওঁৰা কবিতা নৌ লিখোঁতেই ক্ষান্ত হৈছিল। গতিকে হেমলেটৰ দৰে চন্দ্ৰকুমাৰেও

কৰ পাৰিলোহেতেন “The time is out of joint. O cursed spite! had I been born to set it aright!” ( Shakespeare ) কিন্তু জোৰা-লৰা সময় পোনাই লবলৈ তেওঁ কিয়. কোনো শিল্পীয়েই ওপজা নাই!

তেওঁৰ কবিতাৰ দৰে তেওঁৰ জীৱনৰ কথাও থোৰতে থাকিল, তেওঁ আৰু ভাঙি নকলে! গতিকে উভয়তে তেওঁৰ admirers বা শ্ৰোতৃসমাজ ইমান খীণ; খীণ, কিন্তু দুৰ্ব্বল নহয়। বেজবৰুৱা দেৱৰ “জীৱন সোঁৱৰণ”ৰ কথাই হেঁচুকিব নোৱৰা সত্য যে জয়ে জয়ে ‘জোনাকী’ত ওলোৱা আগৰৱালাৰ কবিতাই, ঘৰুৱা অসমীয়াতো যে সুন্দৰ ওৰ ধৰণৰ কবিতা লিখা হব পাৰে তাক সন্দেহবাদী সকলৰ বাবে খৰচি মাৰি শেষবাৰ প্ৰমাণ কৰে। তথাপি তেওঁক কোনোৱে কবি বুলিলে বা তেওঁৰ কবিতাৰ প্ৰশংসা কৰিলে তেওঁ ভাল নাপাইছিল, আৰু তেনে কোনো আলোচনাত যোগ নিদিছিল। দিনটীয়া জীৱনতো, ব্যৱসায়ী আৰু কবি চন্দ্ৰকুমাৰৰ মিল নেদেখা লোকৰ আটক নাই; কিন্তু তেনে লোকে তেওঁৰ ব্যৱসায়ী আৰু কবি এজনকো ভালকৈ চিনি নাপায়।

মুঠতে, চন্দ্ৰকুমাৰ যেনে জন্মগত ব্যৱসায়ী, তেনে স্বভাৱ কবি; তেওঁৰ কবিতা যেনে নিৰ্ভাঁজ, জীৱনো তেনে পৱিত্ৰ। অসমীয়া ভাষাক, অসমীয়া সাহিত্যক অসমীয়া জাতিক চন্দ্ৰকুমাৰে কি বহুমূলীয়া অৱদান দিলে, তেওঁ কিহত sublime, তেওঁৰ বাণী কি, ইত্যাদি কথাৰ ফুট দিবলৈকে ইয়াত ঠাই নাই; কিন্তু নিজৰ কৰ্ত্তব্য বুজা যেই সেই জীৱনী-লেখকৰ হাতত এইদৰে সজুলিৰ ব্যৱহাৰে অসমীয়া সাহিত্যৰ লেখৰ এখনি জীৱনী দান দিব বুলি আমি ডাঠি কব পাৰোঁ। এই অগাৰৱালা পৰিয়ালটিয়েই অসমীয়া সমাজৰ প্ৰতি এটি সৌভাগ্যৰ আৰু গৌৰৱৰ দান; “ৰায় বাহাদুৰ” আৰু “জ্যোতিপ্ৰসাদ” এই পৰিয়ালৰে সৌ চকুৰ আগত জিলিকা আন দুটি ডাঙৰ বস্তু; এওঁলোকৰ সহযোগিতাৰে স্বৰ্গীয় আগৰৱালাৰ দুটি সুযোগ্য পুত্ৰ শ্ৰীমান নবীনকুমাৰ ( বি, এছছি ) আৰু শ্ৰীমান তৰুণকুমাৰে অচিৰে এই কাম সুসম্পন্ন হোৱা দেখিব বুলি আমি আশা কৰোঁ, আৰু তেওঁৰ বিধৱা পত্নী শ্ৰীযুতা মুক্তাৱলী আগৰৱালাক আমি আমাৰ এই জাতীয় শোকৰ লগত ব্যক্তিগত শোক মিলাই সমবেদনা জনাওঁ।

---

## পৰলোকত সাহিত্য-সম্ৰাট লক্ষ্মীনাথ বেজবৰুৱা

বৰ্ত্তমান সংখ্যা পত্ৰিকাৰ কাম সামৰিবলৈ ধৰোঁতেই সুকবি চন্দ্ৰকুমাৰৰ মৃত্যুৰ বাতৰি পাই তেওঁৰ পুণ্যাত্মাৰ স্মৃতি-তৰ্পণ কৰি ইয়াৰ কামৰ মোখনি মাৰিব ধৰিছোঁ, এনেতে ইজনৰ “অভিন্ন হৃদয়” আধুনিক অসমীয়া সাহিত্যৰ মুকুট-বিহীন সম্ৰাট, আৰু প্ৰাণ-স্বৰূপ, শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়া যোৱা ২৬ মাৰ্চ শনিবাৰে পুৱা ডিব্ৰুগড়ত ঢুকাল বুলি বাতৰি পাওঁ! অসমীয়াৰ কি দুৰ্ভাগ্য, মাথোন একুৰি চাৰি দিনৰ অগা-পিছাকৈ অসমীয়া জাতীয় জীৱনৰ এই দুটি ডাঙৰ ধৰণী ভাগি পৰিল!! তিনিকুৰি দহ বা এঘাৰ বছৰ বয়স এই দুজনৰ বাবে নিশ্চয় পৈণত কাল নাছিল। যদিও দুই জনেই অসমীয়া জাতিক ভাবিব-নোৱৰা, শুজিব-নোৱৰা, দানেৰে ঋণী কৰি গল, তথাপি তেওঁলোকক সহজে এৰি দিব পৰা কাল আমাৰ এতিয়াও অহা নাছিল! ঈশ্বৰৰ কি ইচ্ছা!—তোমাৰ ইচ্ছাই পূৰ্ণ হওক, প্ৰভু।

আমি অহা সংখ্যাত বেজবৰুৱা ডাঙৰীয়াৰ বহুমূলীয়া জীৱনৰ বহুমুখী প্ৰতিভাৰ যথাযোগ্য আলোচনা প্ৰকাশ কৰিবলৈ ইচ্ছা কৰোঁ, আৰু আমাৰ এই ইচ্ছা ফলৱতী কৰিবৰ বাবে সদৌ অসমীয়া ৰাইজৰ সহায় সহানুভূতিৰ ভৰসা কৰিলোঁ।

স্বৰ্গীয় আত্মাৰ সদ্গতি কামনা কৰি শোকসন্তপ্ত পৰিয়াললৈ আন্তৰিক সমবেদনা জনাওঁ।

অসম সাহিত্য-সভা-পত্ৰিকা —



পৰলোকত

সাহিত্য-সম্ৰাট শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা